# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখঃ ১৩/০৩/২০২৩ সোমবাৰ

**ইংৰাজী ১৩-০৩-২০২৩ তাৰিখে ৰাতিপুৱা ৯.৩০ বজাত মাননীয় অধ্যক্ষ শ্ৰীবিশ্বজিৎ দৈমাৰী মহোদয়ৰ অধ্যক্ষতাত পূৰ্বনিৰ্দ্ধাৰিত সময়মতে সদনৰ কাম-কাজ আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ১, শ্ৰীবসন্ত দাস। মাননীয় মন্ত্ৰী।

**শ্ৰীবিমল বৰা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰীবসন্ত দাস বিধায়ক(মঙলদৈ) ঃ** ছাৰ, Supplementary আছিল। মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ যোগেদি মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা যিটো উত্তৰ পাইছো মই সেই উত্তৰত আধা সন্তুষ্ট আৰু আধা সন্তুষ্ট নহয়। আমাৰ নাট্যমন্দিৰ আৰু নাট্যনিকেতন প্ৰায় ১০০ বছৰ হ'ব। বাজেটত পুঁজি ধাৰ্য্য কৰিব বুলি কৈছে, ধাৰ্য্য কৰিলে ভাল পাম। সেইবাবে আধা সন্তুষ্ট। জ্যোতি-বিষ্ণুৰ সাংস্কৃতিক প্ৰকল্পৰ কথা কৈছিল, ছিপাঝাৰত দিছে মই বেয়া পোৱা নাই, কিন্তু এটা অনুৰোধ আছে, অসমৰ প্ৰত্যেকটো সমষ্টিতে এটাকৈ জ্যোতি-বিষ্ণু সাংস্কৃতিক প্ৰকল্প স্থাপন কৰিব নেকি সেইটো জানিব বিচাৰিছো।

**শ্ৰীবিমল বৰা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় বিধায়ক বসন্ত দাস ডাঙৰীয়াই য'ৰ পৰা প্ৰতিনিধিত্ব কৰে দৰং জিলাৰ, সেই দৰং জিলাৰ যি সাংস্কৃতিক ঐতিহ্য সেই সাংস্কৃতিক ঐতিহ্য অসমৰ সমাজ জীৱনৰ কাৰণে যথেষ্ট উল্লেখযোগ্য অৱদান জিলা খনে আগবঢ়াই আহিছে। সেই দৰঙীয়া কলা-কৃষ্টিয়ে আমাৰ অসমৰ সাংস্কৃতিক ক্ষেত্ৰ খনৰ কাৰণে এক চহকী অৱদান সদায় আগবঢ়াই আহে। গতিকে দৰং জিলাই সাংস্কৃতিক ক্ষেত্ৰ খন আগুৱাই লৈ যাবৰ কাৰণে বিভিন্ন সময়ত বিভিন্ন সাংস্কৃতিক ঐতিহ্য সমূহ চাফা আদি কৰিবৰ কাৰণে চৰকাৰৰ পৰা উদ্যোগ গ্ৰহণ কৰা হৈছে। জ্যোতি-বিষ্ণু সাংস্কৃতি যি প্ৰকল্প সেই প্ৰকল্প পুঁজি সাপেক্ষে প্ৰত্যেক বছৰে নিৰ্মাণ কৰি থকা হয়। ইতিমধ্যে বহু ঠাইত এই প্ৰকল্প স্থাপন কৰা হৈছে। গতিকে আপুনি যি পৰামৰ্শ দিছে নিশ্চয় সেই পৰামৰ্শ আমি কাৰ্য্যকৰী কৰিবৰ কাৰণে যত্ন কৰিম।

**মাননীয় অধ্যক্ষ** ঃ দিগন্ত বৰ্মন।

**শ্ৰীদিগন্ত বৰ্মন, (বৰক্ষেত্ৰী) ঃ** অধ্যক্ষ মহোদয়, প্ৰশ্নটো যদিও বসন্ত দাস ডাঙৰীয়াৰ মঙ্গলদৈকেন্দ্ৰিক, ইয়াতে যিহেতু এটা কথা কৈছে যে অসমৰ কোন কোন ঠাইত জ্যোতি-বিষ্ণু কেন্দ্ৰ আছে, আমাৰ বৰক্ষেত্ৰী সমষ্টিৰ মুকালমুৱাতো এটা আছে। লগতে চৰকাৰে অৱশ্যে ১০ লাখ টকা দিছিল আৰু বিধায়কজনক সভাপতি হিচাপে লৈ এখন সমিতি কৰি দিছিল। কামটো চলি আছে। কিন্তু কথাটো হ'ল যিটো সম্পত্তি আছে, সেই সম্পত্তিটো ৰক্ষণা-বেক্ষণ দিয়াৰ কাৰণে এজন মানুহৰ প্ৰয়োজন। মই কৈছো যে এজন হলেও নিযুক্তি দিব লাগে। যদি নিযুক্তি দিব নোৱাৰে, যদি এনেকুৱা কোনোবাখন জিলাত আছে তেওঁলোকক তাত নিয়োগ কৰিব পাৰি নেকি, কেৱল চোৱা-চিতা কৰাৰ কাৰণে। কথাটো হ'ল ৰক্ষণা-বেক্ষণ দিব লাগিব। সেই কাৰণে আপুনি এই ব্যৱস্থাটো ল'ব।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰীবিমল বৰা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় বিধায়ক দিগন্ত বৰ্মন ডাঙৰীয়াই এটা ইতিবাচক পৰামৰ্শ আগবঢ়াইছে, কিন্তু যিমান জ্যোতি-বিষ্ণু প্ৰকল্প আমি স্থাপন কৰিছো সেই অনুসৰি সাংস্কৃতিক বিভাগত সিমান বেছি কৰ্মচাৰী নাই যে প্ৰত্যেকটো কেন্দ্ৰত একোজন কৰ্মচাৰী নিয়োগ কৰিম চোৰা-চিতাৰ কাৰণে। কিন্তু চোৰা-চিতাৰ অৱহেলাত এনেকুৱা সম্পত্তি বিলাক আমি দেখিছো জৰাজীৰ্ণ ৰূপ ধাৰণ কৰে। যিহেতু এটা আহ্বান জনাইছো আমাৰ সন্মানীয় বিধায়কসকলক যি সকল বিধায়কৰ সমষ্টিত ইতিমধ্যে জ্যোতি-বিষ্ণু প্ৰকল্প সমূহ আছে তেওঁলোকে এটা যদি পৰিকল্পনা কৰি আমাৰ বিভাগক জনাই, যে কেনেধৰণে সেই প্ৰকল্পটো run কৰিব লাগে। ঠাই বিশেষে বেলেগ বেলেগ ধৰণৰ হ'ব। গতিকে মই ভাৱো যে সংস্কৃতি বিষয়টো ৰাইজৰ বিষয়। গতিকে ৰাইজ তাত involved হৈ থাকিব লাগে। গতিকে মই আমাৰ অন্যান্য সমষ্টিতো য'ত জ্যোতি-বিষ্ণু প্ৰকল্প স্থাপন হ'ল তাত আপোনালোকে যদি এটা পৰিকল্পনা আগবঢ়াই দিয়ে তেতিয়া পৰিকল্পনাৰ ভিত্তিত আমি কাৰ্য্যকৰী কৰাৰ বাবে ব্যৱস্থা লম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং ২। শ্ৰী আব্দুৰ ৰছিদ মণ্ডল। মাননীয় মন্ত্ৰী।

**শ্ৰীপিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰীআব্দুৰ ৰছিদ মণ্ডল, (পশ্চিম গোৱালপাৰা) ঃ** অধ্যক্ষ ডাঙৰীয়া, উত্তৰ পাইছো আৰু উত্তৰত এই কথাটো মই পটিয়ান গৈছো যে চৰকাৰে নিজে Article 21 of Indian Constitution 2006,অৰ্থাৎ নাগৰিকৰ যিটো জীয়াই থকাৰ মৌলিক অধিকাৰ চৰকাৰী সন্ত্ৰাসৰ দ্বাৰা ভংগ কৰিছে, চৰকাৰে নিজে স্বীকাৰ কৰিছে, চৰকাৰৰ যিটো উত্তৰ তাত দেখা গৈছে। যোৱা দিন বিলাকত ২০০৬ চনত যিটো Child Marriage Prohibition Act হৈছিল, সেই Act implement কৰাৰ কোনো এতিয়ালৈকে Child Marriage Protection marriage office appointment সেইটো দিয়া হোৱা নাই। আনকি Rule frame নকৰাকৈ চৰকাৰে দেখা গৈছে যিমান মানুহ arrest কৰিছে তাৰে ৬১৭৪ জন bail পাইছে। যিটো নেকি offence non bailable. অৰ্থাৎ চৰকাৰে নিজে স্বীকাৰ কৰিছে যে চৰকাৰে অত্যাচাৰ কৰিছে, সন্ত্ৰাস কৰিছে যাৰ কাৰণে offence non bailable হোৱাৰ পিছত অৰ্থাৎ offence কৰা নাই, চৰকাৰে নিজে স্বীকাৰ কৰিছে যে Article 21 violation কৰিছে চৰকাৰী সন্ত্ৰাস হৈছে। গতিকে চৰকাৰে এই যিবিলাক মানুহক অত্যাচাৰ কৰিলে সেই মানুহক উপযুক্ত ক্ষতিপূৰণ দিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ Hon'ble Minister.

**শ্ৰীপিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, মই সন্মানীয় সদস্য গৰাকীৰ প্ৰশ্নটো বুজি নাপালো, কেনেকৈ সন্ত্ৰাস হ'ল? দেশত এখন আইন আছে Child Marriage Prohibition Act 2006.

**শ্ৰীকমালক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** Rule frame কিয় কৰা নাই?

**শ্ৰীপিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** সেই আইন খন যদি Rule frame কৰা নাই আপোনালোকে কৰা নাই। ২০০৬ চনৰ পৰা ২০১৫ চনলৈতো আপোনালোকৰ চৰকাৰ আছিল।

...............(হুলস্থূল).................

**মাননীয় অধ্যক্ষ ঃ** উত্তৰটো দিবলৈ দিয়ক। উত্তৰটো যদি দিব নিদিয়ে কেনেকৈ হ'ব? Supplementary প্ৰশ্ন কৰিছে, উত্তৰটো দিব দিয়ক। আপোনালোকে পিছত কওঁক। প্ৰথমে শুনি লওঁক। এনেকৈ নহয়। মাননীয় মন্ত্ৰী আপুনি আপোনাৰ উত্তৰটো দিয়ক।

**শ্ৰীপিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, এই সদনত যেতিয়া MMR & IMR ৰ কথা

ওলাই তেতিয়া আমাকে গালি পাৰিব।

.................(সদনত হুলস্থুল).............

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া ।

.................(সদনত হুলস্থুল).............

**শ্ৰী সঞ্জয় কিষাণ, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই শ্ৰমিক সকলৰ ভিতৰত বৰ্তমান ১৭৪৭ জন, অনাদায় হৈ থকা ধনৰ পৰিমাণ হৈছে ৪,৬৪,৯৩০ টকা। কৰ্মচাৰী সকল অৱসৰৰ পিছত ভৱিষ্যনিধিৰ টকা পৰিশোধ কৰাটো এটা ধাৰাবাহিক প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াৰ অন্তৰ্গত সদস্য সকলৰ বিপৰীতে অনাদায় হৈ থকা ধন দি থকাৰ ব্যৱস্থা চলি থাকে । গতিকে মৰাণ বিধান সভা সমষ্টিৰ চাহ বাগিচা সমূহৰ পি এফ ৰ ধন নোপোৱা চাহ বাগিচাৰ সংখ্যা এনে ধৰণৰ- আমাৰ মাহমৰা চাহ বাগিচাৰ এজন শ্ৰমিকৰ বাকী থকা ধনৰ পৰিমান হৈছে ২,৪১,৫১৯ টকা । ইয়াৰ পিছত থাওঁৰা চাহ বাগিচাৰ পাঁচ জন শ্ৰমিকৰ ধনৰ পৰিমান হৈছে ২৭,২৩,৮৫৬ টকা আৰু লগতে আপাতকাটা চাহ বাগিচাৰ এজন শ্ৰমিক ২,৭৫,১৬৮ টকা, সৰ্বমুঠ ৩২,৩৮,৫৪৩ টকা, অধ্যক্ষ মহোদয় আৰু এই এটা ধৰাবাহিক প্ৰক্ৰিয়া আৰু খুৱ সোনকালে এই শ্ৰমিক সকলৰ ধনৰ পৰিশোধ ব্যৱস্থা কৰা হ'ব। গোটেই আমাৰ বাগিচা সমূহৰ নথি-পত্ৰ আৰু পাম তৎকালীনভাবে এই শ্ৰমিক সকলক এই টকাখিনি আমাৰ মুখ্য কাৰ্য্যালয়ৰ পৰা তেওঁলোকক প্ৰদান কৰাৰ ব্যৱস্থা কৰা হ'ব। অধ্যক্ষ ডাঙৰীয়া, অহা ৩০ দিনৰ ভিতৰতে এই শ্ৰমিক সকলৰ ধন পাবলৈ সক্ষম হ'ব । অধ্যক্ষ ডাঙৰীয়া মই সদনত জনাব বিচাৰো যে অসম চাহ শ্ৰমিক কৰ্মচাৰীৰ ভৱিষ্যত নিধি সংগঠন, অসমৰ চাহ বাগিচা আৰু কলঘৰত কাম কৰি থকা শ্ৰমিক কৰ্মচাৰী সকলৰ বাবে সামাজিক সুৰক্ষা প্ৰদান কৰি আহিছে । বাগিচা তথা কলঘৰত কাম কৰা শ্ৰমিক কৰ্মচাৰী সকলৰ চাকৰিৰ পৰা অৱসৰ লোৱাৰ পিছত এতিয়া তেওঁলোকৰ ভৱিষ্যতনিধিৰ ধন পৰিশোধ কৰাৰ লগতে পেঞ্চন, জমাভিত্তিক বীমা আঁচনি, কাম কৰি থকা অৱস্থাত মৃত্যু হ'লে গ্ৰেচুইটি ইত্যাদি প্ৰদান কৰা হয় । ই এটা স্বাভাৱিক আৰু ধাৰাবাহিক প্ৰক্ৰিয়া। কোনো শ্ৰমিক বা কৰ্মচাৰীয়ে চাকৰিৰ পৰা অৱসৰ ল'লে তেওঁলোকৰ বিপৰীতে থকা ভৱিষ্যতনিধিৰ হিচাব সংশ্লিষ্ট বাগিচা কৰ্তৃপক্ষই বেংকৰ একাউন্টৰ সম্পূৰ্ণ তথ্য বিভাগৰ অনলাইনৰ যোগেৰে প্ৰত্যক্ষ, হস্তান্তৰ কৰাৰ প্ৰক্ৰিয়া মতে বিভাগৰ স্থায়ী কাৰ্য্যালয়ত আবেদন কৰে, স্থায়ী কাৰ্য্যালয়ত তথ্য শুদ্ধ পোৱাৰ পিছত তেওঁলোকে গুৱাহাটীস্থিত মুখ্য কাৰ্য্যালয়ত ভৱিষ্যত নিধি কৰি পঠিয়াই। এই ব্যৱস্থা মতে বাগিছাৰ পৰা আবেদন দিয়াৰ ৩০ দিনৰ ভিতৰত অধ্যক্ষ ডাঙৰীয়া শ্ৰমিক সকলে ধন পাবলৈ সক্ষম হয় ।

**শ্ৰী চক্ৰধৰ গগৈ, (মৰাণ) ঃ** অধ্যক্ষ মহোদয়, যিহেতু এইটো আমাৰ জলন্ত সমস্যা অসমৰ চাহ শ্ৰমিক সকলৰ মাজত। মই এটা কথা উত্তৰত বৰ সন্তুষ্ট হ'ব নোৱাৰিলো । মাননীয় মন্ত্ৰী মহোদয়ৰ উত্তৰত কেইবাখনো বাগিচাত নোপোৱা মানুহৰ সংখ্যা নাই বুলি দেখুওৱা হৈছে । কিন্তু মই সদনত সোমোৱাৰ আগতে কেইবাখনো বাগিচাৰ মানুহৰ লগত কথা পাতিছিলো। বিশেষকৈ দিগাৰী আৰু তিলৈজান চাহ বাগিছাৰ প্ৰায় ১৫ জন মান শ্ৰমিকে প্ৰায় ৪ দিন মানৰ আগতে পি এফৰ ধন বিচাৰি বিভাগীয় পি এফ অফিচলৈ গৈছিল। আনহাতে মন্ত্ৰীৰ উত্তৰত এইটো শূণ্য দেখুওৱা হৈছে । গতিকে মই ভাবো ইয়াৰ সঠিক তদন্ত হ'ব লাগে আৰু যি সকলে বৰ্তমানো পোৱা নাই তেখেত সকলক ৩০ দিনৰ ভিতৰত পোৱাৰ বাবে ব্যৱস্থা কৰি দিব কৈছে যদিও আজি ৫-১০ বছৰ ধৰি কিছু শ্ৰমিক পি এফৰ ধন লাভৰ পৰা বঞ্চিত হৈ আহিছে। সেয়েহে শ্ৰমিক সকলক অনতিপলমে এই ধন পোৱাৰ ব্যৱস্থা কৰিব লাগে আৰু শ্ৰমিক সকলক প্ৰকৃত মৰ্য্যদা দি উন্নয়নৰ দিশত আগবাঢ়ি যোৱাত সহায়

কৰি দিব লাগে ।

**অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী, উত্তৰ দিব ।

**শ্ৰী সঞ্জয় কিষাণ, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই সদনত জনাব বিচাৰো আৰু মাননীয় বিধায়ক ডাঙৰীয়াকো অনুৰোধ জনাব বিচাৰো যে সাধাৰণতে যেতিয়া এখন চাহ বাগিচাৰ পৰা সম্পূৰ্ণ হিচাপ নিকাচ কৰি যাৱতীয় তথ্য সমূহ আমাৰ কাৰ্য্যালয়লৈ আহে, তেতিয়া আমাৰ ফালৰ পৰা এমাহৰ ভিতৰত পি এফ ধন প্ৰদান কৰাৰ ব্যৱস্থা কৰো । যিহেতুকে পি এফ ৰ ধন প্ৰদানৰ প্ৰক্ৰিয়াটো এটা ধাৰাবাহিক প্ৰক্ৰিয়া । গতিকে যদিহে মাননীয় বিধায়কৰ সমষ্টিৰ অন্তৰ্গত চাহ বাগিছা বা আন কোনো চাহ বাগিচাৰ কোনো শ্ৰমিক এইদৰে বঞ্চিত হৈ আছে, সেইটো আমাক জনালে আমি নিশ্চয় এই ধন প্ৰদানৰ ব্যৱস্থা কৰি দিম ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। প্ৰশ্ন নং- ৪। মাননীয় সদস্য শ্ৰী মজিবুৰ ৰহমান ।

**শ্ৰীপিযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে ।

**শ্ৰী মজিবুৰ ৰহমান, (দলগাঁও)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ সদনত দিছে, য'ত ৱেবচাইটত আপল'ড কৰা বুলি কৈছে । মই ৰাতিপুৱাৰ পৰা ৱেবচাইটৰ পৰা উত্তৰ সংগ্ৰহ কৰিব বিচাৰিছিলো, কিন্তু ডাউনল'ড নহ'ল । সেয়েহে মন্ত্ৰী মহোদয়ৰ পৰা স্পষ্ট ভাবে জানিব বিচাৰিছো যে আজিৰ পৰা প্ৰায় এবছৰৰ আগতে আমি মন্ত্ৰী মহোদয়ৰ পৰা ক্ৰীড়া প্ৰকল্পৰে ষ্টেডিয়াম নিৰ্মাণৰ বাবে মাটি চাই দিব লাগে। মই দলগাওঁ সমষ্টিৰ বিধায়ক হিচাপে মই চক্ৰ বিষয়া, উপায়ুক্ত আদিৰ লগত কথা পাতি মাটি ঠিক কৰি সকলোখিনি পঠাই দিছিলো। কিন্তু ইয়াত মন্ত্ৰী মহোদয়ে উত্তৰত লিখিছে যে অসম চৰকাৰে দলগাওঁ সমষ্টি বৰ্তমান ক্ৰীড়া প্ৰকল্পৰ আধাৰত মিনি ষ্টেডিয়াম নিৰ্মাণৰ বাবে কোনো কাম হাতত লোৱা নাই । মই কষ্ট কৰি মাটি আদি উলিয়াই দিয়াৰ পিছত বৰ্তমান দলগাওঁ সমষ্টিত মিনি ষ্টেডিয়ামৰ কোনো কাম হাতত নোলোৱা বুলি যে উল্লেখ কৰিলে, সেই কথাটোত অলপ দুখ পাইছো, লগতে মাননীয় অধ্যক্ষ মহোদয় আন এটা কথা হ'ল, ১২ কোটি টকা ব্যয় সাপেক্ষে ৪০ খন মিনি ষ্টেডিয়াম অনুমোদন জনোৱা হৈছে । মই বিভিন্ন বিভাগ আদিত আবেদন কৰাৰ লগতে নিজাববীয়াকৈ আলোচনা কৰিছিলো য'ত মোৰ সমষ্টিত এখন মিনি ষ্টেডিয়াম হ'ব বুলি আশ্বাস দিছিল, আনকি ডি আৰ এছ ছি মিটিংৰ পৰামৰ্শৱলীটো মোৰ সমষ্টিৰ নামটো উল্লেখ কৰিছিল। কিন্তু পৰিতাপৰ কথা এই যে মাননীয় মন্ত্ৰীয়ে এই কথা নাকচ কৰিলে । মোৰ সমষ্টিত মিনি ষ্টেডিয়াম এখন নিৰ্মাণ কৰিলে ভাল পাম ।

**শ্ৰীপিযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ অসম চৰকাৰে ২০২১-২২ চনত এটা যুগান্তকাৰী সিদ্ধান্ত গ্ৰহণ কৰিছিল যে- প্ৰায় ১০০০ কোটি টকা ব্যয়ৰে সমগ্ৰ অসমত কেইবাটাও ক্ৰীড়া প্ৰকল্প নিৰ্মাণ কৰা হ'ব । মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে আমাৰ জিলা সদৰ সমূহত ৫০ কোটি টকা ব্যয়ৰে প্ৰায় ১০ টা মিনি ষ্টেডিয়াম নিৰ্মাণৰ কাম চলি আছে আৰু ১২ কোটি টকাৰ ব্যয়ৰে ৪০ টা বিধান সভা সমষ্টিত ১২ কোটি টকাৰে ৪৮০ কোটি টকা প্ৰায়, ৯৮০ কোটি টকাৰ প্ৰজেক্ট যোৱাবছৰৰ পৰা অসমৰ বিভিন্ন স্থানত ৫০ টা সমষ্টিত চলি আছে। কামখিনি পৰ্য্যায়ক্ৰমে হয়। ১২৬ টা সমষ্টিত আমি একেদিনাই কেতিয়াও কাম হোৱা দেখা নাই। ১০ টা সমষ্টিত ৫০ কোটি টকাৰ একোখনকৈ ষ্টেডিয়াম, ৪০ টা সমষ্টিত ১২ কোটি টকাৰ এখনকৈ ষ্টেডিয়াম। পৰৱৰ্তী সময়ত দলগাওঁ বিধান সভা সমষ্টিও অন্তৰ্ভূক্ত হ'ব। মই আপোনাক প্ৰতিশ্ৰুতি দিছো।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ (বৰপেটা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক শুধিব বিচাৰিছো, ৩০ টা বিধান সভা সমষ্টিত যে এখনকৈ মিনি ষ্টেডিয়ামৰ কাম হাতত লোৱা

হৈছে। এইবাৰ বাজেটত বাকী থকা সমষ্টি সমূহত এখনকৈ মিনি ষ্টেডিয়ামৰ কাম হাতত ল'ব পাৰি নেকি বা আপোনালোকে কিবা ভাবিছে নেকি?

**শ্ৰী পিযুষ হাজৰিকা (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, পৰ্য্যায়ক্ৰমে কৰিম বুলি সদনক আমি আশ্বাস দিছো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া প্ৰশ্ন নম্বৰ ৫। মাননীয় সদস্য আফতাব উদ্দিন মোল্লা। মাননীয় মন্ত্ৰী।

**শ্ৰী পিযুষ হাজৰিকা (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী আফতাব উদ্দিন মোল্লা (বিধায়ক)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, জলেশ্বৰ সমষ্টিত SDRF আঁচনিত ২০২০-২১ চনত কিমান টকা আৱন্টন দিয়া হৈছিল আৰু কিমান কাম বাকী আছে । উত্তৰত লিখা আছে ৪৪ টা কাম আৱন্টন হৈছে, তাৰে ৩৭ টা সম্পূৰ্ণ হৈছে। বাকী কেইটা কাম এতিয়ালৈ হোৱা নাই। মই এই বিষয়ে মাননীয় মন্ত্ৰী মহোদয়ক এটা অনুৰোধ কৰিম। বাকী যে ৭ টা কাম হোৱা নাই, এটা সময় ধৰি দিব নেকি? ইমান দিনত হ'ব লাগে। SDRF আঁচনি বিলাক বানপানীত ক্ষতিগ্ৰস্ত লোকসকলক দিয়া হয়, কিন্তু ৩ বছৰ হৈ গ'ল এতিয়ালৈ ৭ টা কাম হোৱা নাই বুলি কৈছে। আপুনি এবাৰ চৰজমিন তদন্ত কৰি এই যে ৩৭ টা কাম হৈছে বুলি কৈছে, এবাৰ তদন্ত কৰি চাই উক্ত স্থানতে সিদ্ধান্ত ল'ব পাৰিব।

**শ্ৰী পিযুষ হাজৰিকা (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিলাক সৰু সৰু কাম। ক'ৰবাত palisading কৰা হয়, ক'ৰবাত বস্তা দিয়া হয়। গতিকে ৪ লাখ, ৫ লাখ, ৮ লাখ টকাৰ কাম। গতিকে এইটো বানপানী সময়ত হোৱা কাম। জলসিঞ্চন বিভাগটো মইয়ে চাওঁ গতিকে আমি অতি শীঘ্ৰে কাম কৰিব লাগে । অস্থায়ীভাৱে সেই গোটেই কাম SDRF ৰ কাম। কেতিয়াবা এই কামটো ভালকৈ দেখাকৈ ২ কিঃমিঃ ৰাস্তা এটা পকী কৰিলে দেখা পাওঁ। ক'ৰবাত palisading কৰিলো, মাটি পেলালো সেইটো আমি ভালকৈ দেখা নাপাওঁ। কিন্তু তেখেতে যিহেতু কৈছে, সেইটো গভীৰ ভাবে লোৱা হ'ব। মই বিভাগীয় কৰ্তৃপক্ষৰ লগত ৰাতিপুৱা আলোচনা কৰিছো। যদি কিবা অসুবিধা আছে, আমাক দিব তাৰ বিৰুদ্ধে আমি ব্যৱস্থা গ্ৰহণ কৰিম আৰু যিখিনি কাম বাকী আছে, সেইখিনি কাম অতি শীঘ্ৰে কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিম।

**শ্ৰী আফতাব উদ্দিন মোল্লা (জলেশ্বৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা বানপানীত ক্ষতিপূৰণৰ বাবে ক্ষয়-ক্ষতি হ'ল এতিয়ালৈ জলেশ্বৰ সমষ্টিত SDRF ৰ টকা পোৱা নাই। গোৱালপাৰা জিলাতে দিয়া নাই। মই আপোনাক অনুৰোধ জনাম এইবাৰ যাতে দিয়ে।

**শ্ৰী পিযুষ হাজৰিকা (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি PWD Deptt. ৰ গোটেই কথাখিনি সকলোৱে জানো। মাননীয় সদস্য শ্ৰী আফতাব উদ্দিন মোল্লা ডাঙৰীয়াই ভালকৈ জানে কাৰণ তেখেতে ২০০১ চনতে বিধায়ক হিচাবে নিৰ্বাচিত হৈছে। মই বিধায়ক নিৰ্বাচিত হৈছে ২০১১ চনত। ২০০১ চনত PWD Deptt. ৰ বাজেট কিমান আছিল, ২০১১ চনত কিমান আছিল আমি ভালকৈ জানো। ২০১৬ চনৰ পৰা কিমান হ'ল, ২০২১ চনত গৈ কিমান হ'ল এই বিধান সভাৰ সদস্য সকলে ভালকৈ জানে। আজিৰ পৰা ২০ বছৰ আগতে ১ কোটি টকা এটা সমষ্টিত পোৱা নাছিলো। ২০১১ চনত ১ পৰা ১.৫০ কোটি টকা পাওঁ। PWD Deptt. ৰ বাজেট এতিয়া প্ৰত্যক সমষ্টিত বছৰত ৪০ পৰা ৫০ কোটি টকা লৈকে দিয়াৰ ব্যৱস্থা কৰিছো। সকলোৱে পাইছে, অস্বীকাৰ কৰিব নোৱাৰে। কোনোৱা এটা সমষ্টিত নাপাব পাৰে, প্ৰায় ৯০ শতাংশই পাইছে। আগৰ PWD Deptt. আৰু এতিয়াৰ PWD Deptt. ৰ বহুত পাৰ্থক্য। ৪০

কোটি টকা পোৱা বিধায়ক গৰাকীয়েও কয় যে মোক আৰু ২০ কোটি টকা লাগে। যিহেতু ৪০ কোটি ৫০ কোটি টকা দিয়ে, গতিকে SDRF ৰ টকা এইবাৰ দিয়া হোৱা নাই কিন্তু কামখিনি কৰি দিয়া হ'ব। মই আপোনালোকক আশ্বাস দিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)) ঃ** মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে ভাল শাসনৰ কথা কয়। মন্ত্ৰী মহোদয়ৰ পৰা এটা বিষয় জানিব বিচাৰিছো, PWD Deptt. ৰ বাজেট বাঢ়িছে এইটোৰ অৰ্থ এইটো নেকি, ২০ মিটাৰ ৰাস্তা পানীত খহি গৈছে আপোনালোকে তাক লৈ তৎপৰতা দেখুৱাইছিল কিন্তু সেই ২০ মিটাৰ ৰাস্তাৰ কাৰণে গোটেই ২ কিঃমিঃ ৰাস্তাটো বেয়া হৈ গৈছে। আপোনালোকে ৫ মিটাৰ, ১০ মিটাৰ ৰাস্তা সেইখিনি বস্তু ঠিক কৰক নহ'লে সেই ২ কিঃমিঃ ৰাস্তা শেষ হৈ যাব।

**শ্ৰী পিযুষ হাজৰিকা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনালোকে মেৰামতিৰ বাবে পইচা পাব। প্ৰত্যকটো সমষ্টিতে মেৰামতিৰ বাবে পইচা ধৰা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নম্বৰ ৬। শ্ৰীমতী নন্দিতা দাস।

**শ্ৰী পিযুষ হাজৰিকা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰীমতী নন্দিতা দাস (বকো) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ যিখিনি উত্তৰ পাইছো, গোটেই কথাখিনি ইয়াত ফুটি উঠা নাই। মোৰ সমষ্টিত SPT Bridge ৰ সংখ্যা কিমান? ইয়াত ২২ খন দিয়া আছে, মেৰামতি কৰিবলগীয়া আছে SPT Bridge ৰ সংখ্যা ১৫ খন দিয়া আছে। মই প্ৰশ্নটো কৰিছিলো মোৰ সমষ্টিত এটা বৃহৎ অঞ্চল, য'ত বহুত Bridge আগৰ পৰাই কৰিবলগীয়া থাকি গ'ল। কিছুমান Missing Bridge ও আছে, PMGSY ৰ যেতিয়া ৰাস্তা হৈছিল তেতিয়া কিছুমান Bridge বনোৱা নহ'লেই। ইয়াৰ বাহিৰে কিছুমান সৰু সৰু নদী আছে বা সৰু সৰু অঞ্চল আছে য'ত SPT Bridge ৰ প্ৰয়োজন আছে। সেই হিচাপে বিভাগৰ ফালৰ পৰা এটা চাৰ্ভে কৰি প্ৰায় ৯৭ খন Bridge ৰ Already listed হৈছে। Out of 97 কিমান খন Bridge কৰিব মই প্ৰশ্ন কৰিছিলো। ইয়াত যিটো তথ্য দিছে ২২ খন। ২২ খন Bridge বহুত পুৰণি ইয়াত কোনো নতুনকৈ চাৰ্ভে হোৱা নাই সেই পুৰণি ২২ খনকে ইয়াত উল্লেখ হৈছে। ইয়াত দিছে ১৫ খন Bridge মেৰামতি কৰা হ'ব। মই বিভাগৰ লগত যোগাযোগত আছো SPT Bridge ৰ মেৰামতিৰ বৰ্তমান কোনো আঁচনি নাই। মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নামত যি ৪খন আঁচনি চলি আছে, তাতে SPT Bridge ৰ মেৰামতিৰ কোনো আঁচনি নাই। মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, SPT Bridge বোৰ বহুত জৰাজীৰ্ণ হৈ গৈছে। ইয়াত বহু বছৰ ধৰি মেৰামতি হোৱা নাই। এইবোৰ SPT Bridge বোৰ যদি মেৰামতি নকৰে, আমাৰ যিটো চলাচল সেইটো বন্ধ হৈ যাব। মোৰ সমষ্টিত এখন দলংৰ অতি প্ৰয়োজন জলজলী নদীৰ ওপৰত যিখন দলং, ভোকৰাদিয়া পাহাৰপাৰা সংযোগী। ২০১৬ চনৰ পৰা বিধায়ক হৈছো তেতিয়াৰ পৰাই মই এই প্ৰশ্নটো কৰি গৈ আছো আৰু বিভাগে জানে যে, এইখন দলং কিমান দৰকাৰী। জলজলীৰ যিখন দলং, এইখন কেতিয়া বনাব এইখন অতি দৰকাৰী আমাৰ I/C Minister পাটোৱাৰী ডাঙৰীয়াইও এই ক্ষেত্ৰত বহুত সজাগ। কিন্তু এতিয়ালৈ কিয় হৈ উঠা নাই। মই এই বিষয় দুটা জানিব বিচাৰিছো।

**শ্ৰী পিযুষ হাজৰিকা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি প্ৰায় ১০০০ খন SPT Bridge পকীকৰণলৈ ৰূপান্তৰ কৰাৰ বাবে World Bank ৰ পৰা ধনৰ আৱন্টন পাইছো। তেখেতৰ সমষ্টিত

আমি ৫ খন ব্ৰীজ এই আঁচনিৰ অধীনত চেংশ্যন কৰিছো। গতিকে তেখেতৰ কামখিনি পৰ্য্যায় ক্ৰমে আৰম্ভ হৈছে। অনাগত ভৱিষ্যৎত তেখেতে যেনেকৈ কৈছে জলজলীৰ ব্ৰীজেই হওঁক বা এচ পি টি ব্ৰীজৰ কনভাৰশ্যন বা ৰিকুৰাৰমেন্ট হওঁক গোটেইখিনি পৰ্য্যায়ক্ৰমে কৰিবলৈকে প্ৰচেষ্টা লোৱা হ'ল।

**শ্ৰীমতী নন্দিতা দাস,(বকো) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াতে অকণমান বৈ গৈছে, ইয়াত ৫ খন উল্লেখ আছে। মই জনাত ৱৰ্ল্ডবেংকৰ পৰা ৬ খন লৈছে। ইয়াত ৬ খনহে থাকিব লাগিছিল। ইয়াৰ বাহিৰেও মই কৈছো যে জলজলী ব্ৰীজখন অতি সোনকালে বনাব লাগে।

**শ্ৰীপিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** ঠিক আছে, চেষ্টা কৰা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰীআশ্ৰাফুল হুছেইন,(চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয়া সদস্যা গৰাকীয়ে যিখন জলজলীৰ ব্ৰীজৰ কথা কৈছো, সেই ব্ৰীজখন চেঙা সমষ্টি, বাঘবৰ সমষ্টি আৰু বকো সমষ্টি এই তিনিওটা সমষ্টিৰ কাৰণে প্ৰয়োজনীয়। আপুনি শুনি আচৰিত হ'ব অসমত এনেকুৰা ব্ৰীজো আছে যি ব্ৰীজৰ ওপৰেৰে চাৰিচকীয়া বাহন পাৰ হৈ গলে ১০০ টকা দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ইতিমধ্যে মন্ত্ৰী ডাঙৰীয়াই এচুৰেঞ্চ দিলে। এতিয়া প্ৰশ্ন নং-৭ শ্ৰী ৰাজেদ আলী চৌধুৰী।

**শ্ৰীপিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মেজত আছে।

**শ্ৰী ৰাজেদ আলী চৌধুৰী,(দক্ষিণ শালমাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ সৌকাতাৰীৰ আৰ চি চি ব্ৰীজখনৰ কাৰণে এচ অ' পি ডি ত গোটেই সমষ্টিৰ কাৰণে পইচা দিছিল। গোটেইখিনি পইচা মই দলংখনৰ কাৰণে দি দিছিলো। দলংখন প্ৰায় এক লাখৰো বেছি মানুহৰ যোগাযোগৰ ঠাই । কিন্তু যি হিচাবে কামটো আৰম্ভ কৰিছে, এতিয়ালৈকে পোষ্ট কেইটাৰে কাম সম্পুৰ্ণ কৰিব পৰা নাই। সেই কাৰণে মই প্ৰশ্নটো আনিছো, যে কি কাৰণে কামটো পলম কৰি আছে আৰু ইমান লেহেমীয়া গতিত কামটো চলি আছে, কেতিয়া সম্পুৰ্ণ কৰিব? যদিও ইয়াৰ উত্তৰত ডিচেম্বৰৰ ভিতৰত সম্পুৰ্ণ কৰিব বুলি দিছে। কিন্তু মোৰ সন্দেহ আছে যে পোষ্ট কেইটাই হোৱা নাই বাকী কামখিনি কৰিবই আছে। গোটেই কামখিনি কেতিয়া সম্পুৰ্ণ কৰিব। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া ।

**শ্ৰীপিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া এই ব্ৰীজখনৰ ক্ষেত্ৰত অলপ প্ৰতিকুল পৰিবেশ নথকা নহয়, ২০১৯ চনৰ পাছত আমাৰ ক'ভিড হ'ল আৰু বানপানী প্ৰৱল এটা অঞ্চল। গতিকে কামটো ৬৬ শতাংশ আৰু ৩৪ শতাংশ কাম বাকী আছে। সেয়ে এটা সমস্যা আছে অলপ লেণ্ড একুইজেশ্যনৰ সমস্যা আছে। আমি ডি চি মানকাছাৰক ইতিমধ্যে আহ্বান জনাইছো আৰু ডি চি ধুবুৰী, দুয়োজনৰ লগত মই ৰাতিপুৱা কথা পাতিছো। তেওঁলোকে অতি সোনকালে এক মাহৰ ভিতৰত লেণ্ড একুইজেশ্যনৰ সমস্যাখিনি ঠিক কৰি দিব। বিভাগীয় কৰ্তৃপক্ষৰ লগতো মই কথা পাতিছো, ঠিকাদাৰ গৰাকীৰ লগতো আলোচনা কৰিছো। যিমান সোনকালে পাৰি সিমান সোনকালে আমি কামখিনি সম্পুৰ্ণ কৰি দিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং -৮ শ্ৰী শ্বেৰমান আলী আহমেদ।

**শ্ৰীযোগেন মহন, (ৰাজহ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মেজত দিয়া আছে।

**শ্ৰীশ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি যিখিনি উত্তৰ দিছে,

These are blatant lies and the House has been mislead.মই কেইটামান পইন্ট কৈ দিছো।৩ নংত কৈছে- No families outside the 400 bigha land. This is the detail letter I address to the DC য'ত ১৭ টা family সেই ৪০০ বিঘাৰ বাহিৰত তেওঁলোকক eviction কৰা হৈছে। This is one lie আন এটা কৈছে যে No families are rendered landless ইয়াত ৩৫ টা family landless. No families are landless বুলি কওঁতে This should be supported by the Dag No., Patta No. of the people. They have not supported. This is lie. No.3তাত বহুতো মানুহে, মই detail list দিছো DC ছাৰক ১৭ জানুৱাৰী ২০২৩ ত যে বহুত মানুহে এই মাটিখিনি বিক্ৰী কৰিছে। তেওঁলোকৰ বিৰুদ্ধে ব্যৱস্থা ল'ব লাগে। উত্তৰত আহিছে The letter has been sent to the Circle Officer, 17 জানুৱাৰীৰ পৰা আজিলৈ কেৱল Circle Officer ক চিঠিখন দিয়েই চৰকাৰ কিয় শান্ত থাকিল? No.2 ত This illegal eviction outside the 400 bigha ভুলটো কোনে কৰিছে? Circle Officer এ কৰিছে। তেওঁ Local Officer আৰু এই চিঠিখন There were 17 families who were evicted outside the plot of 400 bigha. Now I have written a letter to the DC উত্তৰত কোৱা হৈছে যে এইবোৰ সকলো Circle Officer ক forward কৰিছো। যিয়ে crime কৰিছে, তাৰ ওচৰত forward কৰি কি replyপাব? So, these are all blatant lie.Now, I would like to request you Hon'ble Speaker Sir, please give a House Committee enquiry, please give a House Committee enquiry, this is a very serious matter. I am claiming that the Hon'ble Minister have mislead this House by giving fault information.

**Hon'ble Speaker**: Minister will reply. You please don't accused like this. You just informed me and the Minister will reply. Hon'ble Minister.

**শ্ৰীযোগেন মহন, (ৰাজহ মন্ত্ৰী)** ঃ Hon'ble Speaker sir, Govt.খাছ লেণ্ড, ইতিমধ্যে সত্ৰকানাৰা যিহেতু NC Village,এই NC Village টো Govt.খাছ লেণ্ড, সেইটো 1886 ALRR ACT ৰ Rule 18 মতে eviction হ'ব। As per Report received from Deputy Commissioner as well as Circle Office also, no families outside 400 bighas plot of land has been evicted. এইটো detail report DC ৰ পৰা আহিছে, Circle Office ৰ পৰা আহিছে। আৰু 45 family ইয়াতে affect হৈছে আৰু out of 45 family মই সদনত জনাব বিচাৰিছো, তাৰে ২০ জনৰ পি পি পট্টা আছে। ২৪ জনৰ AP পট্টা আছে। আৰু এজনৰ মাত্ৰ NC ত দাগ আছে। তেওঁলোকৰ বাহিৰত মাটি আছে। গতিকে কাৰ কিমান মাটি আছে , এইখন detail list আছে মোৰ হাতত। আপোনালোকক মই detail কৈ দিব পাৰো। ইয়াত ৩ বিঘা, ৫ বিঘা, ৬ বিঘালৈকে তেওঁলোকৰ মাটি আছে। Hon'ble MLA ক মই list খন submit কৰিম। eviction তাত যি ৪৫ জনৰ মাটি eviction হৈছে তাৰ ভিতৰত ৪৪ জনৰ মাটি আছে বেলেগ ঠাইত। ইয়াৰে কৈবৰ আলী এওঁৰ তিনি বিঘা আছে। ৰবিন পাৰা মানিক, তেখেতৰ ৫ বিঘা ৩ কঠা ১৫ লেচা আছে। প্ৰত্যেক ৪৪ জনৰ ইয়াত list ত আহিছে, DC ৰ পৰা Circle Office ৰ পৰা আৰু যিহেতু

তেওঁলোক NC ভিলেজত আছে। গতিকে চৰকাৰৰ ACT মতে eviction হ'বই আৰু NC ভিলেজসমূহ যেতিয়া detail চাৰ্ভে হ'ব, পলিগণ চাৰ্ভে হ'ব, তাৰ পাছত তেওঁলোকে settement পালে, তেওঁলোকে তাত পাব পাৰে। সেইটো এটা প্ৰক্ৰিয়া চলি আছে। আতাউৰ ৰহমান তেখেতৰ ১ বিঘা ১ কঠা আছে আৰু দুটা দাগত আছে ১২৮ নং দাগত আছে ২ বিঘা ২ কঠা। এনেধৰণে কমলউদ্দিন তেখেতৰ আছে ১ বিঘা ১ কঠা, কালচান্দৰ এগ্ৰিকালচাৰৰ মাটি আছে ৫ বিঘা ৩ কঠা, আমিৰ আলীৰ আছে ৬ বিঘা ৩ কঠা, ফুলচান্দ আলী, তেখেতৰ আছে ৪ কঠা ৩ লেচা। তেওঁলোক লেণ্ড লেচ নহয়। বেলেগত তেওঁলোকৰ নামত মাটিৰ পট্টা আছে। এ.পি. আছে, পি.পি. আছে। যিসকল লেণ্ডলেচ আছে তেওঁলোকক ২০১৯ চনৰ পলিচী মতে তেওঁলোকক আমি চৰকাৰৰ পৰা মাটিৰ পট্টা দি আছোঁ। এইখিনি মই আপোনালোক সকলোৰে মাজত চাৰকুলেট কৰি দিম।

**মাননীয় অধ্যক্ষ ঃ** আপুনি এই তথ্যখিনি সকলো বিধায়কৰ মাজত চাৰকুলেট কৰি দিয়ক। এতিয়া প্ৰশ্ন নং ৯। মাননীয় বিধায়ক শ্ৰী তেৰছ গোৱালা।

**Shri Sherman Ali Ahmed :** Sir, I will get supplementary. Why not give me the supplementary?

**মাননীয় অধ্যক্ষ ঃ** আপুনি আজি কুৱেশ্যন কৰাটোৱেই হৈছে supplementary.

**Shri Sherman Ali Ahmed :** Minister is giving the false reply. আপুনি এতিয়া অধ্যক্ষ হৈ যদি এই সদনৰ মৰ্য্যদা লাঘব কৰে, allow me to supplementary.

**মাননীয় অধ্যক্ষ ঃ** আপুনি চাপ্লিমেণ্টৰী কুৱেশ্যন কৰিলে। প্ৰশ্নৰ উত্তৰ আপুনি ইতিমধ্যে পালে। আজি যি সুধিছে সেইটো চাপ্লিমেণ্টৰী।

**ড° ৰফিকুল ইছলাম, (জনিয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা চাপ্লিলিমেণ্টৰী পায়। ..........

............................সদনত হুলস্থুল...........................

**মাননীয় অধ্যক্ষ ঃ** এই প্ৰশ্নটোত সময় ১০ মিনিটতকৈ বেছি গৈ গ'ল। তেখেতে ৰিপ্লাই দিলে। You submit what is there. Minister will reply why you asked in Supplimentary? Please take your seat. Please don't accused like that.I have decided that now new question will come. As per rule-49, I already declared. The House is run as per the rule.Please go and take your seat. House will not allow as per the rule. Mr. Sherman Ali Ahmed I request you take your seat. Please don't distrub the House.

....................................................সদনত হুলস্থুল ............................

I am rulling here. Don't accused like this. You do not distrub the House. I suspended Mr. Sherman Ali Ahmed for whole day. Marshal please take out him. Every member should know what is supplementary. এতিয়া মাননীয় বিধায়ক শ্ৰী তেৰছ গোৱালা।

**ড° ৰফিকুল ইছলাম(জনিয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্ন কৰ্তাই after question এটা চাপ্লিমেণ্টৰী পায়। এইটো BAC ৰ সিদ্ধান্ত আছিল। কিন্তু সেইটো আজি তেখেতক দিয়া নহ'ল। আমি তাৰ বাবে justice বিচাৰিম। সকলো সদস্য সমান।

**শ্ৰী তেৰছ গোৱালা,(দুলীয়াজান) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম চৰকাৰৰ চাহ-জনজাতি

কল্যাণ বিভাগৰ নিবনুৱা যুৱক-যুৱতীসকলৰ কল্যাণৰ কাৰণে ২৫ হাজাৰ টকাৰ অনুদান আছিল। অসম চৰকাৰে যিখিনি চাকৰি দিলে এইক্ষেত্রত চাহ-জনগোষ্ঠীৰ লোকসকলে যোগ্যতা বা অৰ্হতাৰ অধীনত চাকৰি নাপাব। কাৰণ অন্যান্য গোষ্ঠীৰ লোকসকলে ইতিমধ্যে পঢ়ি-শুনি শেষ কৰিলে। কিন্তু আমাৰ এই চাহ-জনগোষ্ঠীৰ লোক সকল এতিয়াহে স্কুললৈ গৈছে। সেয়েহে মই ভাবো দয়াল দাস পানিকাৰ আঁচনিৰ অধীনত যি ২৫ হাজাৰ টকা অৰ্হতাৰ কাৰণে দিয়ে সেই অনুদানটো ২ লাখলৈ বৃদ্ধি কৰিব পাৰি নেকি? দ্বিতীয়তো হ'ল, চাহ-জনগোষ্ঠীৰ কৃষক সকলক পাৱাৰ টিলাৰ দিয়া হৈছিল। এতিয়া দিয়া তথ্য মতে এই পাৱাৰ টিলাৰৰ কাৰ্য্যসূচীটো বন্ধ হ'ল নেকি? কাৰণ আমাৰ চৰকাৰ হোৱাৰ পাছৰে পৰা এই পাৱাৰ টিলাৰ পোৱা নাই। তৃতীয়তে নিবনুৱা সকলক যি অট'ভেন দিয়াৰ ব্যৱস্থা আছিল সেইটোও দিয়া হোৱা নাই। গতিকে এইবোৰ বন্ধ হ'ল নে পুনৰ দিয়া হ'ব এই বিষয়ে জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্রী মহোদয়।

**শ্রী সঞ্জয় কিষাণ, (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, চাহ-জনগোষ্ঠীৰ যিসকল পৰিয়ালৰ ১০ বিঘাতকৈ কম মাটি থকা ২০-৩৫ বছৰৰ যিসকল শিক্ষিত নিবনুৱা যুৱক-যুৱতী আছে তেখেত সকলক ২৫ হাজাৰ টকাকৈ দয়াল দাস পানিকৰ আঁচনিৰ জৰিয়তে দিয়া হয়। এইবাৰ অনলাইনৰ যোগেদি আবেদন কৰাৰ ব্যৱস্থা কৰিছো আৰু সেইমতে প্ৰায় ৫৩,৫৫৮ গৰাকী যুৱক-যুৱতীয়ে আবেদন কৰিছে। কিন্তু যি হিচাপত আমাৰ হাতত পুঁজি আছে সেইমতে আমি ৭৯২০ গৰাকী যুৱক-যুৱতীলৈ ২৫ হাজাৰ টকাকৈ দিবলৈ সক্ষম হ'ম।

**শ্রী তেৰছ গোৱালা, (দুলীয়াজান) ঃ** ২৫ হাজাৰ টকাৰ পৰিমাণটো বঢ়াব পাৰি নেকি?

**শ্রী সঞ্জয় কিষাণ, (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বৰ্তমান এই আঁচনিৰ ধন ২৫ হাজাৰ টকাকৈ আছিল। কিন্তু এই আঁচনিখনৰ এখন বোৰ্ড আছে। এই বিষয়টো আমি বোৰ্ডত আলোচনা কৰিম। মাননীয় বিধায়ক শ্রী তেৰছ গোৱালা ডাঙৰীয়াও এই বোৰ্ডখনৰ এজন সদস্য। গতিকে ভৱিষ্যতে আমি যদি এই বোৰ্ডখনৰ পৰা এই আঁচনিৰ ধন বৃদ্ধি কৰাৰ পৰামৰ্শ পাঁও তেতিয়াহ'লে নিশ্চিতভাৱে মাননীয় মুখ্যমন্ত্রী মহোদয়ৰ লগত এই বিষয়টো আলোচনা কৰি এই আঁচনিৰ ধন ২৫ হাজাৰ টকাৰ পৰা ২ লাখ টকালৈ বৃদ্ধি কৰা চেষ্টা কৰিম। লগতে স্কুলৰ ল'ৰা-ছোৱালীবোৰক স্কলাৰশ্বিপ দিয়াৰ ব্যৱস্থা কৰি আছো।

**শ্রী তেৰছ গোৱালা, (দুলীয়াজান) ঃ** পাৱাৰ টিলাৰ আৰু অট'ভেন দিয়াৰ ক্ষেত্ৰত কি কৰিব?

**শ্রী সঞ্জয় কিষাণ, (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, পাৱাৰ টিলাৰ আৰু অট'ভেনৰ আঁচনিখন ২০১৪-১৫ বৰ্ষৰ পৰাই বন্ধ হৈ আছে। এই আঁচনিখনৰ যদি প্ৰয়োজনীয়তা আছে বুলি ভাবে তেতিয়াহ'লে আমি নিশ্চিতভাৱে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ লগত এই বিষয়টো আলোচনা কৰিম। পাৱাৰ টিলাৰ আৰু অট'ভেনৰ ক্ষেত্ৰত আমাৰ খেতিয়ক আৰু নিবনুৱা যুৱক-যুৱতীসকল নিশ্চয় লাভান্বিত হৈছিল। কিন্তু এই আঁচনিখন বৰ্তমান বন্ধ ৰখা হৈছে। আমি পুজি পাবলৈ সক্ষম হলে আগন্তুক দিনত এই আঁচনিটো পুনৰ আৰম্ভ কৰি বিশেষভাৱে পাৱাৰ টিলাৰ আৰু অ'টভেনৰ ব্যৱস্থা কৰিবৰ কাৰণে সক্ষম হম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰীঅখিল গগৈ।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজিৰ দিনত অসমৰ চাহ শ্ৰমিকে ব্ৰহ্মপুত্ৰ উপতকাত **২৩২** টকাকৈ দৈনিক মজুৰী পায়। **২৩২** টকাকৈ তেওঁলোকে এক সপ্তাহত **৬** দিন মজুৰী লৈ **১৩৯২** টকা এক সপ্তাহত পায়। এক মাহত তেওঁলোক পায় **৫৫৬৮** টকা। অৰ্থাৎ তেওঁলোকে

মাহেকত **৫৫০০** টকা দৰমহা পায়। মাননীয় অধ্যক্ষ মহোদয় আজিৰ দিনত এটা পৰিয়ালে **৫৫০০** টকাত চলাটো কেতিয়াও সম্ভৱ নহয়। বৰ্তমানৰ চৰকাৰখনে **২০১৬** চনতে কৈছিলে যে চাহ শ্ৰমিকৰ মজুৰী **৩৫০** টকা কৰিব। **২০২১** চনতে চৰকাৰৰ মুল প্ৰতিশ্ৰুতি এটা আছিল যে চাহ শ্ৰমিকৰ **৩৫০** টকা মজুৰী কৰা হ'ব। গতিকে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক সুধিব খুজিছো যে চাহ শ্ৰমিকৰ মজুৰী কেতিয়াৰ পৰা **৩৫০** টকা কৰা হ'ব।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীসঞ্জয় কিষাণ, (চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় বিধায়ক অখিল গগৈ ডাঙৰীয়াই যিটো প্ৰশ্ন কৰিছে, তেখেতক মই মণত পেলাই দিব বিচাৰিছো যে ইতিমধ্যে চৰকাৰে যি ধৰণৰ প্ৰতিশ্ৰুতি দিছিল, সেই মতে এটা প্ৰক্ৰিয়াৰ মাজত মজুৰী বৃদ্ধি কৰিব পৰা যায়। মালিক পক্ষ, টেড ইউনিয়ন আৰু চৰকাৰে মিলি প্ৰচেষ্টাৰে এটা প্ৰক্ৰিয়াৰ মাজৰে মজুৰী বৃদ্ধি কৰিব লগীয়া হয়। ইতিমধ্যে আমাৰ চৰকাৰখন অহাৰ পিছত তিনিবাৰলৈকে মজুৰী বৃদ্ধি কৰিছো আৰু মজুৰী বৃদ্ধিৰ ক্ষেত্ৰত মালিক পক্ষ, টেড ইউনিয়ন আৰু চৰকাৰৰ লগত আলোচনা বিলোচনা চলি আছে। আমাৰ লক্ষ্য আছে নিশ্চিতভাৱে **৩৫০** টকালৈ চাহ শ্ৰমিক সকলৰ মজুৰী বৃদ্ধি কৰা আৰু কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে লেৱাৰ কোৰ্ট লৈ আহি আছে, আৰু আমি জানিব পাৰিছো যে কেন্দ্ৰীয় চৰকাৰে প্ৰতিখন ৰাজ্যৰ এনেকুৱা ধৰণৰ শ্ৰমিক আছে, সেই শ্ৰমিকসকলৰ মজুৰীটো প্ৰতিখন ৰাজ্যতে একেধৰণৰ হোৱাৰ কাৰণে পৰিকল্পনা কৰিছে।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ প্ৰশ্নটোৰ উত্তৰ লাগিছিলে যে চাহ শ্ৰমিকৰ মজুৰী বৃদ্ধিৰ ক্ষেত্ৰত দিয়া প্ৰতিশ্ৰুতি মতে **৩৫০** টকাতো কেতিয়ালৈ কৰা হ'ব। এতিয়া বেলেগ বেলেগ কথা আমাক মন্ত্ৰী ডাঙৰীয়াই কব নালাগে।....

.........(সদনত হুলুস্থুল) .........

**শ্ৰীসঞ্জয় কিষাণ, (চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে নিশ্চিতভাৱে প্ৰতিশ্ৰুতি বদ্ধ যে শ্ৰমিকসকলৰ হিতৰ কাৰণে বিগত চৰকাৰৰ দিনকৈ যথেষ্টখিনি বৃদ্ধি কৰা হৈছে আৰু আমাৰ লক্ষ্য আছে যে **৩৫০** টকা ...................(সদনত হুলুস্থুল)

**মাননীয় অধ্যক্ষ** ঃ এতিয়া প্ৰশ্ন নং **১০**, সন্মানীয় বিৰোধী দলৰ দলপতি শ্ৰী দেৱব্ৰত শইকীয়া।

**শ্ৰী পিযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াৰ দিয়া আছে।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মহিয়সী জয়মতীৰ মহান ত্যাগ আৰু দেশপ্ৰেমৰ কথা আমি সকলোৱে জানো। ইয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত এটা প্ৰকল্প দিয়া হৈছিল। আজি ইয়াতে মোৰ প্ৰশ্নৰ উত্তৰত কোৱা হৈছে যে অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয় আৰু শিৱসাগৰ জিলাৰ উপায়ুক্তৰ পৰা সময়মতে কাগজ পত্ৰ নোপোৱাৰ বাবে এই প্ৰস্তাৱটো ভাৰত চৰকাৰে **২০১৭** চনৰ পিছত আঁচনি বন্ধ হৈ যোৱাৰ বাবে গ্ৰহণ কৰিব পৰা নাই। **২০১০** চনৰ প্ৰস্তাৱটো **২০১৭** চনলৈ আঁচনিখন আছিল, তাৰ পিছত বন্ধ হৈ গ'ল। গতিকে মাননীয় অধ্যক্ষ মহোদয়, যিসকলৰ বাবে এইখিনি গাফিলতি হ'ল, উপায়ুক্ত আৰু সাংস্কৃতিক সঞ্চালকালয় বিষয়া সকলৰ ওপৰত জবাব বিহিন হ'ব লাগে। তেওঁলোকৰ চৰকাৰী কমাৰ গাফিলতিৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

দ্বিতীয়তে, যিহেতু এনেকুৱা কোনো বাজেট নাই। শিৱসাগৰ জিলাত **৫** কোটি টকা দিয়া হৈছে Iconic district হিচাপে, তাৰ পৰা মহান মহিয়সী নাৰী গৰাকীৰ যি স্মৃতি নিৰ্মাণ কৰাৰ

কথাখিনি বিবেচনা কৰিব নেকি, এই কথাটো জানিব বিচাৰিছোঁ।

**শ্ৰী পিযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আচলতে কেনাটো লাগিছিলে ২০১০-১১ চনতে। গতিকে আপুনি কোৱাৰ দৰে বিষয়া সকলে কৰা লেহেমীয়া গতিত কৰা কথাটো, তেতিয়াই সেই চৰকাৰৰ দিনতে ব্যৱস্থাটো ল'ব পাৰিহেতেন।

এইটো ২০১০-১১ চনৰ আঁচনি আছিল, NLCPR ৰ অনুমোদন হৈছিল। তাৰ পিছত সাংস্কৃতিক বিভাগে DPR বনাব লাগিছিল। দুই মাহৰ ভিতৰত DPR সাংস্কৃতিক বিভাগে নবনালে, গতিকে আচঁনিটো বন্ধ হৈ গ'ল। এইটো এটা অত্যন্ত গুৰুত্বপূৰ্ণ কথা। মহিয়সী জয়মতীৰ কথা অসমৰ প্ৰত্যেকজন মানুহে জানে। আমি মহিয়সী জয়মতীৰ কলাক্ষেত্ৰৰ ব্যৱস্থাটো নিশ্চয়কৈ বিবেচনা কৰিম। কিন্তু ইয়াৰ লগে লগে তেখেতৰ জন্মস্থলীত ৪ কোটি টকা ইতিমধ্যে আৱন্টন দিছো মিউজিয়াম, টাই স্কুল আৰু প্ৰতিমূৰ্ত্তী স্থাপনৰ বাবে। মাননীয় অধ্যক্ষ মহোদয়, এই মাহৰ ২৮ তাৰিখে এই প্ৰজেক্টটোৰ আধাৰশীলা স্থাপন কৰা হ'ব।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, জয়মতী কলাক্ষেত্ৰখন হ'ব নে নহ'ব।

**শ্ৰী পিযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, জয়মতী কলাক্ষেত্ৰখন বিবেচনা কৰা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** Question Hour over. সন্মানীয় সদন, মই আজি হাউচ স্থগিতকৰণ কৰাৰ কাৰণে দুটা notice পাইছিলো। সন্মানীয় সদস্য শ্ৰীহাফিজ বছিৰ আহমেদ ডাঙৰীয়া আৰু তেখেতৰ অন্যান্য সহযোগী সদস্য আৰু লগতে আমাৰ বিৰোধী দলৰ দলপতি শ্ৰীদেৱব্ৰত শইকীয়া আৰু তেখেতৰ সহযোগী সকলৰ পৰা মই দুটা যি সভাস্থাগিত প্ৰস্তাৱ আৰু ইয়াৰ ওপৰত যিটো আলোচনা বিষয়ৰ কথা উত্থাপন কৰিছে সেইটো মই অগ্ৰাহ্য কৰিছো। এই বিষয়খিনি আমি হাউচটো স্থাগিতকৰণ নকৰি আজি আমাৰ সকলো বিষয়ৰ Schedule বিলাক আছে।

**শ্ৰীৰকিবুল হুছেইন, ( চামগুৰি)ঃ** চাৰ, raise কৰিব দিয়ক। অতি গুৰুত্বপূৰ্ণ কথা।

**মাননীয় অধ্যক্ষ** ঃ কৰক। মই কথাটো কৈছো ।

**শ্ৰীৰকিবুল হুছেইন, (চামগুৰি) ঃ** আজি মেট্ৰিকৰ পৰীক্ষা বাতিল। ল'ৰা-ছোৱালী বিলাকে আজি হাহাকাৰ কৰিছে।

**মাননীয় অধ্যক্ষ** ঃ Please, এজনৰ পিছত এজনে কওঁক। মই ক'বলৈ দি আছো।

**(সদনত হুলস্থুল)**

**মাননীয় অধ্যক্ষ** ঃ মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া।

**শ্ৰী দেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি নিয়ম ৫৬ ৰ অধীনত আমি যিটো সভাস্থগিত প্ৰস্তাৱ আনিছো, সেইটোৱে যিখিনি ৰাজহুৱা গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত সভাস্থগিত প্ৰস্তাৱৰ বাবে আপোনাৰ discretion ত যিখিনি গুৰুত্বপূৰ্ণ হয় নহয় সিদ্ধান্ত ল'ব লাগে সকলোখিনি criteria ই পুৰন কৰিব। কাৰণ আপুনি জানে যে আমাৰ অসমত শিক্ষা ব্যৱস্থাৰ প্ৰথম ৰাজহুৱা পৰীক্ষাটো হৈছে মেট্ৰিক পৰীক্ষা আৰু সকলোৱে ইয়াৰ বাবে অধীক আগ্ৰহেৰে লক্ষ্য কৰি থাকে, সকলোৱে সাজু হৈ থাকে আৰু এইবাৰ চাৰি লাখতকৈয়ো অধিক ছাত্ৰ-ছাত্ৰীয়ে মেট্ৰিক পৰীক্ষাত অৱতীৰ্ণ হৈছে। এই পৰীক্ষাটোৰ অন্যতম দায়িত্ব হ'ল আমাৰ SEBA ৰ আৰু SEBA এতিয়া বহুত কাম দিছে, কিন্তু তাৰ ভিতৰত মুখ্য দায়িত্ব এই কাম আৰু এই কামটো তেওঁলোকৰ ওপৰত যোৱা সময়ছোৱাত বিভিন্ন সময়ত বিভিন্ন অভিযোগ উত্থাপিত হৈছে। ইয়াৰ ভিতৰতে প্ৰথমতে পাচ তাৰিখৰ দিনা এটা উত্থাপন হৈছিল যে, তেতিয়া ইংৰাজীৰ

পেপাৰ লিক হৈছে আৰু তেতিয়া আমাৰ শিক্ষামন্ত্ৰী ডাঙৰীয়াই ক'লে যে, এইটো এটা বাতৰি কাকতত খোৰাক লগীয়া কথা। এইটো কোনো সত্য নহয়। কিন্তু সেই কথাটোত আমি বিতৰ্কত নাযাওঁ। কিন্তু আজি তেখেত সকলে টুইট কৰি ন'টিফিকেশ্যন আৰু প্ৰস্তাৱ আৰু তাতে লিক হ'ল বুলি তেওঁলোকে কোৱা নাই। তেওঁলোকে কৈছে যে, আগতে তেনেকৈ তেখেতে গুৰুত্ব দিয়া নাছিল যে Social media ত ওলাইছে সেই কাৰণে এইটো নহয়। এইবাৰ কিন্তু তেওঁ গ্ৰহণ কৰিছে যে, Social media ত ওলাইছে পেপাৰখন লিক হৈছে আৰু যদি লিক হয়, সেইটো এটা ডাঙৰ কথা। কাৰণ সোমবাৰে পুৱা ৯ বজাৰ পৰা হ'বলগীয়া পৰীক্ষাৰ বাবে আজি আমি টি ভিত চাই আহিছো যে, বহুত ছাত্ৰ-ছাত্ৰী আহিছে তেওঁলোক হতাশ হৈছে আৰু এই কামটো কিয় আমি ভালধৰণে কৰিব পৰা নাই। ইয়াত এটা ষড়যন্ত্ৰও আছে নেকি যে, কথা ওলাই আছে যে অসমীয়া মাধ্যমৰ স্কুলবিলাক নাইকিয়া হৈ যাব লাগে, ছেবা নাইকিয়া হৈ যাব লাগে বুলি বিধান সভাত প্ৰস্তাৱ আহিছিল। আমি যিটো বাদ দিলো যে, CBSC ক গোটেইখিনি দিব নালাগে। আমাৰ কথাবিলাক এইকাৰণেই গুৰুত্বপূৰ্ণ যে ইয়াৰ পিছত আৰু কোনোবাই ক'ব পাৰিব নেকি ছেবাই চলাব নোৱাৰে কাৰণে অসমীয়া মাধ্যম বা ছেবা বন্ধ কৰি দিব লাগে। গতিকে কথাখিনি যথেষ্ট গুৰুত্বপূৰ্ণ। কাৰণ মাত্ৰ ৯ ঘণ্টা সময় বাকী থকা অৱস্থাত মাজনিশা ১২ বজাত মাধ্যমিক শিক্ষা পৰিষদে অকস্মাতে বাতিল কৰিছে এই পৰীক্ষা আৰু যিটো seriously ল'ব লাগিছিল, মাননীয় মন্ত্ৰী মহোদয়ৰ সেইদিনাখন এই কথাখিনি যেতিয়া ওলাইছিল, আজি মই তেখেতৰ টি ভিৰ এইখিনি চাইছিলো। তেখেতে কৈছে যে, এইটো মিচা কথা। এইটো কোনোবা চেনেল বিলাকে কৈছে. কিন্তু যদি সেই সময়তে সতৰ্ক হ'লহেঁতেন, আজি এইটো নহ'ল হয়। যিজন চেয়াৰমেন আজি বহুদিন ধৰি শিক্ষা বিভাগৰ লগত জড়িত হৈ আছে। অৱসৰ লোৱাৰ পিছতো চৰকাৰে তেখেতক ৰাখিছে। তেখেতকৈ অসমত আৰু অন্যান্য শিক্ষাবিদ নিশ্চয় আছে কিজানি বেছি পঢ়া, তেখেতক কিয় দিয়া নাই ? অৱসৰৰ পিছতো তেখেতক ৰাখিছে। সেইটো এটা সন্দেহ। আজি বিজ্ঞানৰ পৰীক্ষা ছেবাই বাতিল কৰিছে, পৰৱৰ্তী সময়ত এই পৰীক্ষা হ'বলগীয়া দিন ঘোষণা কৰিছে, এই সন্দৰ্ভত প্ৰাথমিক তদন্ত কৰা বুলি কৈছে। কিন্তু এনেকুৱা এটা কাম কিয় হ'বলৈ পাইছে? ইয়াৰ পূৰ্বে আগৰ চৰকাৰৰ দিনত এবাৰ প্ৰশ্নকাকত লিক হৈছিল যোৰহাটৰ পৰা। তেতিয়া কৈছিল যে, আমাৰ বিভাগৰ মানুহ জড়িত আছিল। কোনোবা তেওঁলোকৰ ল'ৰা-ছোৱালীয়ে পৰীক্ষা দিব লগা। তাৰ পিছত এবাৰ গৰুৱে খোৱা বুলি ওলালে, বিধান সভাৰ ভিতৰত আলোচনা হ'ল । সেইখিনি সময়ত আমাক বিৰোধী পক্ষই বহুত থকা-সৰকাও কৰিছিল আৰু তেতিয়াও তদন্ত হৈছিল। এতিয়া এই কথাখিনি যিহেতু ইমান গুৰুত্বপূৰ্ণ, আমি যদি অসমৰ মানুহে আজি আমালৈ চাই যে, এই গোটেই ৪ লাখ অভিভাৱক তাৰ লগত থকা শিক্ষক সকল আৰু আন্যান্য সকলোৱে লক্ষ্য কৰি আছে যে, বিধান সভাত হেং হ'ল আমাৰ মুল মন্দিৰ, তাত অসমৰ সুখ-দুখৰ কথা আলোচনা হ'ব লাগে। তাত যদি আমি এই কথাখিনি আলোচনা নকৰো, আমি এটা কেনেকুৱা মেছেজ দিম, এই কথাখিনি মহোদয় আপুনি চাব লাগে, কাৰণ একাধিক প্ৰস্তাৱ একে অধিৱেশনত কৰিব নোৱাৰি । আমি কৰা নাই। এইটো আজি প্ৰথম আহিছে। একেটা প্ৰস্তাৱত একাধিক বিষয় আমি একেধৰণৰ আলোচনা নকৰো। অকল মেট্ৰিকৰ পৰীক্ষাতো কিয় সুকলমে হোৱা নাই, কিয় লিক হ'বলগীয়া হ'ল। যিসময়ত গোটেই ভাৰতবৰ্ষত CBSC য়ে পৰীক্ষা কৰাই থাকে, ICSE য়ে কৰাই থাকে ক'তো এনেকুৱা শুনা নাই। আমি অসমত মাত্ৰ ইমান কম, আমি অকৰ্মন্য মানুহক দায়িত্বত ৰাখিছো নেকি ? এই প্ৰশ্নত আহিছে। ঠিক তেনেকৈ একে অধিৰেশনত এইটো আলোচনা হোৱা নাই। সদনৰ যুক্তিসংগত সময়ৰ

ভিতৰত প্ৰত্যাশিত বিষয় উত্থাপনৰ সম্ভাৱনাৰে

চাই এনে বিষয় অনুমান কৰিব নোৱাৰি যে, পূৰ্বতে এইটো নিউজ হৈছিল। আজি হঠাৎ হোৱা কথা এইটো। ঠিক তেনেকৈ এনে বিষয়ৰ ওপৰত আলোচনা নকৰে যাৰ ওপৰত সংকল্প প্ৰস্তাৱ উত্থাপিত হ'ব পৰা নাছিল। এনে কোনো বিষয়ৰ লগত প্ৰস্তাৱটোৰ সম্পৰ্ক নাথাকিব যিটো ভাৰতৰ অন্য কোনো অংশৰ ন্যায়ৰ লগত জড়িত। প্ৰস্তাৱটোৰ কাৰো বিশেষ অধিকাৰ ভংগ নহয়, ই এনে এটা বিষয় যিটো ৰাজ্য চৰকাৰৰ লগত জড়িত নহয়। গতিকে যিখিনি condition দিয়া হৈছে আমাৰ parliament ৰো একেই Rule 56 ৰ under ত Rules of Procedure and Conduct of Business in Lok Sabha 15th Edition Lok Sabha Secretariat তাৰো মই এইখন concept আনিছো। ইয়াতো লিখা আছে যে, এইবিলাক আলোচনা কৰিব পাৰি আৰু এইক্ষেত্ৰত আমাৰ যিটো দায়িত্ব, আমাৰ শাসক বিৰোধী কাৰো এই কথাটোত মই বিভাজন আনিব নিবিচাৰো। ভৱিষ্যত প্ৰজন্মক দেশৰ ভৱিষ্যত বুলি কোৱা হয় আৰু বহুতে ইংৰাজী মাধ্যমত পঢ়িব নোৱাৰে, মাতৃভাষাত পঢ়িলে তেওঁলোকৰ সহজ হয়। আপুনি আমাক ৰুলিং দিওঁতে কেতিয়াবা মাতৃভাষাত ক'ব বিচাৰে। কাৰণ সেইটো সহজ আমাৰ ভাৱ প্ৰকাশ কৰাৰ কাৰণে। গতিকে মাতৃভাষা মাধ্যমৰ সৰ্বোচ্চ পৰীক্ষতো এনেকৈ কোনে গাফিলতি কৰিছে, কিয় কৰিছে, এই গোটেইবিলাক আজি ইয়াত আলোচনা হোৱা দৰকাৰ আৰু আলোচনা মৰ্মে সিদ্ধান্ত ল'ব লাগিব যাতে আমি কেনেকৈ ইয়াক নিৰ্মূল কৰিব পাৰো। গতিকে এই বিষয়টো গুৰুত্ব দি আপুনি অন্য কামখিনি আজি মুলতুবি কৰিব লাগে। কাৰণ আমি জানো ৰাজ্যপালৰ ভাষণৰ ওপৰত আজি ধন্যবাদসূচক প্ৰস্তাৱ আছে। এই প্ৰস্তাৱটো ৰাজ্যপালৰ article 176 অনুসৰি ৰাজ্যপালে ভাষণ দিয়ে। ভাষণটোত তেখেতে চৰকাৰৰ কথায়েই ক'ব লাগিব। চৰকাৰৰ কথাখিনিৰ বাহিৰত তেখেতে ক'ব নোৱাৰে। সেই গতিকে আমি সেইখিনিও মানি লম। কিন্তু এটা মাধ্যম হিচাপে আমাৰ আলোচনাৰ থল আছে, গতিকে আমি আলোচনা কৰিম। তাতো আমি কথা পাতিম। আমাক লাগিলে তাৰ সময় কিছু কমাই দিলেও আমি আপত্তি নকৰো। কিন্তু এই কথাটো ৰাজ্যপালৰ ভাষণত নাই। এই কথাটো এটা আজি জলন্ত আমাৰ প্ৰতি এটা প্ৰত্যাহ্বান। গতিকে এই প্ৰত্যাহ্বানটোৰ প্ৰতি আপুনি গুৰুত্ব দি আজি আলোচনা কৰাৰ সুযোগ দিয়ক। সেইটোৱেই আমাৰ দাবী।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই কথাটো সদনত জনাব বিচাৰিছো যে কালি মাজনিশা মেট্ৰিকৰ সাধাৰণ বিজ্ঞানৰ পৰীক্ষা বাতিল কৰাৰ লগে লগে পুলিচতো এটা গোচৰ দিয়া হৈছে আৰু পুলিচে তৎকালীনভাৱে তদন্ত আৰম্ভ কৰিছে। ছেবাই নিজাববীয়াকৈয়ো তদন্ত কৰিব। মাননীয় বিৰোধী দলপতি ডাঙৰীয়াই ঠিকেই কৈছে যে ছেবাৰ নিৰ্দেশটোত লিক হৈছে, এই কথাটো কোৱা হোৱা নাই অফিচিয়েলী। কাৰণ ছেবাই তদন্ত আৰম্ভ কৰিছে, পৰীক্ষতো চলিব দি তদন্তটো সম্ভৱ হ'ব নোৱাৰে। গতিকে পৰীক্ষাতো কেনচেল কৰি তদন্ত আৰম্ভ হৈছে আৰু ইয়াৰ বিকল্পৰ দিন অতি সোনকালে ছেবাই ঘোষণা কৰিব। তদন্তটো আমি সম্পূৰ্ণ হ'বলৈ দিয়া উচিত আৰু তাত তদন্তটোত চলি থকাৰ মাজত আমি আলোচনা কৰাতো সঠিক নহ'ব।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ,(সৰভোগ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো Adjourment Motion আহিছে, এইটো যদি আলোচনা কৰিব আপুনি অগ্ৰাহ্য কৰিছে, আমি কৈছো এইটো আলোচনা হ'ব লাগে। আলোচনা নহওতেই শিক্ষা মন্ত্ৰীয়ে reply দিয়া আৰম্ভ কৰিলে।

**মাননীয় অধ্যক্ষ** ঃ সকলোৱে ৰাখিব পাৰিব। শুনক, বিষয়টো মই অগ্ৰাহ্য কৰা নাই। আপোনালোকে বহক। আপোনালোকে বুজি পোৱা নাই।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ,(সৰভোগ)ঃ** বিষয়টো আলোচনা কৰাই নাই কেনেকৈ উত্তৰ দি দিলে।

**(সদনত হুলস্থূল)**

**মাননীয় অধ্যক্ষ ঃ** আপুনি বহক।

**(সদনত হুলস্থূল)**

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আচলতে শিক্ষামন্ত্ৰীয়ে পদত্যাগ কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় সদস্য, আচলতে Adjournment Motion মানে কি? Adjournment Motion মানে বিষয়টোৰ ওপৰত গুৰুত্ব ৰাখি ইয়াৰ ওপৰত সম্পূৰ্ণ দিনটো আলোচনা কৰিব লাগে। তাৰ কাৰণে অন্যান্য কাৰ্য্যসূচীসমূহ বাতিল কৰিব লাগে। বিষয়টো গুৰুত্বপূৰ্ণ আৰু বিষয়টো মই অগ্ৰাহ্য কৰা নাই। কিন্তু এই বিষয়টো আলোচনা কৰিবলৈ এটা দিনলৈ সদন Adjourn কৰাটোহে মই অগ্ৰাহ্য কৰিছো। যিসকলে নোটিচ দিছে, তেখেতসকলে সদনত বিষয়টোৰ গুৰুত্বটো উপস্থাপন কৰিছে। মাননীয় মন্ত্ৰী ডাঙৰীয়া বহি আছে কাৰণে যিটো বিষয়ত কথা কৈছে তেখেতে তাৰ এটা response দিছে যে এই বিষয়ত বিভাগে ইতিমধ্যে কি ব্যৱস্থা লৈছে আৰু সেই বিষয়ে অৱগত কৰিছে। ইয়াত আপত্তি কৰিবলগীয়া কি আছে? এতিয়া মই ক'ব খোজা কথাটো হ'ল যে এই বিষয়ত আমি আলোচনা কৰিব লাগে বুলি যদি গোটেই সদনে কয়, আমি আলোচনা কৰিম। আপোনালোকে কিয় হুলস্থূল কৰিছে? হুলস্থূল নকৰিলে নহয় নেকি? সকলো কথা চিঞৰি ক'ব লাগে নেকি? ভালকৈ বিষয়টো আলোচনা কৰিব নালাগে নেকি? মই কোনটো কথা কৈ আছো, মই কৈ আছো যে আমি আলোচনা কৰিব লাগে। অহা ৫ এপ্ৰিললৈ বিধান সভাৰ অধিৱেশন আছে। যদি সকলোৱে একমতত উপনীত হ'ব পাৰে, তেতিয়া আমি কোনোবা এটা দিনত শূন্যকালীন ঘণ্টাত কেৱল এটা বিষয় আনিম আৰু এই বিষয়টো সম্পূৰ্ণকৈ আলোচনা কৰিব পাৰিম।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজিয়েই আলোচনা কৰিবলৈ অনুৰোধ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে অনুৰোধ কৰাৰ কাৰণে মই কৈ আছো।

**শ্ৰী দেৱব্ৰত শইকীয়া,(বিৰোধী দলৰ দলপতি, নাজিৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি হ'লে ভাল হয়। সেইকাৰণে আমি কৈ আছো। এই বিষয়টো অতি গুৰুত্বপূৰ্ণ আৰু গোটেই অসমৰ ৰাইজে আশা কৰিছে যে এই বিষয়ে কিবা এটা সিদ্ধান্ত হ'ব। .........interruption.......... এইটো ভাৰতবৰ্ষৰ নহয়, এইটো অসমৰ বিশেষ ঘটনা হয়। সেয়েহে এই বিষয়টোত আলোচনা হ'বই লাগে।

.........interruption..........

**মাননীয় অধ্যক্ষ ঃ**.........interruption.......... সদনৰ অন্যান্য যি ডিভাইচ আছে, তাত আনিব পাৰিব। আপোনালোকে Zero Hour, 301 ত নোটিচ দিয়ক।.........interruption......... তাতে আমি দি দিম।.........interruption.........

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি, নাজিৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো গোটেই ভাৰতবৰ্ষত বা গোটেই বিশ্বতে হোৱা ঘটনা নহয়, এইটো অসমৰ বিশেষ। ঘটনা হয়। এইটো L.P.G. বা খাদ্য বৃদ্ধিৰ ঘটনা নহয় যে গোটেই ভাৰতবৰ্ষত আলোচনা হৈছে কাৰণে অসমত আলোচনা নহ'ব। এই বিষয়টো আলোচনা কৰাৰ সম্পূৰ্ণ থল আছে আৰু বিষয়টো

আলোচনাৰ বাবে দিব লাগে।

.........interruption.........

**মাননীয় অধ্যক্ষ ঃ** কাৰ্য্যসূচী নং-২। কাৰ্য্য উপদেষ্টা সমিতিৰ প্ৰতিবেদন।

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ নিয়ম **২৩০ (১)** অধীনত যোৱা **১০** মাৰ্চ, **২০২৩** তাৰিখে অধিবেশনৰ কাৰ্য্যসূচী অন্ত পৰাৰ লগে লগে চলিত বাজেট অধিবেশনৰ বাবে প্ৰস্তুত কৰা খচৰা দিনপঞ্জীখনত অনুমোদনৰ লগতে মাননীয় ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱৰ সম্পৰ্কত বিতৰ্কৰ বাবে আৰু **২০২২-২৩** চনৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবীসমূহৰ ওপৰত আলোচনাৰ বাবে বিভিন্ন দল আৰু নিৰ্দলীয় সদস্যক উপযুক্ত সময় আৱণ্টন দিয়াৰ বাবে অধ্যক্ষৰ কাৰ্য্যালয়ৰ সন্মিলন কক্ষত কাৰ্য্য উপদেষ্টা সমিতিৰ এখন সভা অনুষ্ঠিত কৰা হয়।

আলোচনাৰ আৰম্ভণিতে সমিতিয়ে চলিত বাজেট অধিবেশনৰ বাবে প্ৰস্তুত কৰা খচৰা দিনপঞ্জীখনত অনুমোদন জনায়।

সভাত মাননীয় ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱৰ সম্পৰ্কত বিতৰ্কৰ বাবে বিভিন্ন দল আৰু নিৰ্দলীয় সদস্যক উপযুক্ত সময় আৱণ্টন তলত দিয়াৰ ধৰণে সিদ্ধান্ত গ্ৰহণ কৰা হয় ।

**(সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়।)**

**মাননীয় অধ্যক্ষ ঃ** এনেধৰণৰ ব্যৱহাৰ সদনত নকৰিব। এইটো ধৰ্ণা স্থলী নহয়। এনেধৰণৰ শ্লোগান ইয়াত দিব নালাগে।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি বিভাগ) ঃ** ইয়াত মুৰ্দাবাদ শ্লোগান নিদিব।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱৰ সম্পৰ্কত বিতৰ্কৰ সময় ঃ-

মুঠ সময় ঃ ৭ ঘণ্টা

| | | |
|---|---|---|
| (১) ভাৰতীয় জনতা পাৰ্টি | ঃ | ২০৯ মিনিট (মুখ্যমন্ত্ৰীৰ উত্তৰসহ) |
| (২) ভাৰতীয় জাতীয় কংগ্ৰেছ | ঃ | ৯০ মিনিট |
| (৩) অসম গণ পৰিষদ | ঃ | **৩০** মিনিট |
| (৪) সৰ্বভাৰতীয় সংযুক্ত গণতান্ত্ৰিক মৰ্চা | ঃ | **৫০** মিনিট |
| (৫) ইউনাইটেড পিপলচ্ পাৰ্টি লিবাৰেল | ঃ | **২৩** মিনিট |
| (৬) বড়োলেণ্ড পিপলচ্ ফ্ৰন্ট | ঃ | **১০** মিনিট |
| (৭) কমিউনিষ্ট পাৰ্টি অফ ইণ্ডিয়া (মাৰ্ক্সিষ্ট ) | ঃ | **৩** মিনিট |
| (৮) নিৰ্দলীয় | ঃ | **৩** মিনিট |

অহা **১৫** মাৰ্চ, **২০২৩** তাৰিখে **২০২২-২৩** চনৰ মঞ্জুৰীৰ বাবে হ'ব লগা আলোচনাৰ অন্তত মাননীয় মুখ্যমন্ত্ৰীয়ে মাননীয় ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱৰ সম্পৰ্কত বিতৰ্কৰ উত্তৰ প্ৰদান কৰিব ।

সভাই **২০২২-২৩** চনৰ পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে অগ্ৰাধিকাৰ ভিত্তিত (**১**) মঞ্জুৰী নং **৪৮** কৃষি আৰু (২) মঞ্জুৰী নং **১৪** আৰক্ষী, বিভাগ দুটা আলোচনা কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে ।

**পৰিপূৰক দাবী মঞ্জুৰী দুটা আলোচনাৰ বাবে তলত উল্লেখ কৰা ধৰণে সময় আৰণ্টন দিয়া হয় ঃ**

মুঠ সময় ঃ **৩** ঘণ্টা **৩০** মিনিট

| | | |
|---|---|---|
| (**১**) ভাৰতীয় জনতা পাৰ্টি | ঃ | **১০৫** মিনিট (বিত্তমন্ত্ৰীৰ উত্তৰসহ) |
| (২) ভাৰতীয় জাতীয় কংগ্ৰেছ | ঃ | ৪৫ মিনিট |
| (৩) অসম গণ পৰিষদ | ঃ | **১৫** মিনিট |
| (৪) সৰ্বভাৰতীয় সংযুক্ত গণতান্ত্ৰিক মৰ্চা | ঃ | **২৫** মিনিট |
| (৫) ইউনাইটেড পিপলচ্ পাৰ্টি লিবাৰেল | ঃ | **১২** মিনিট |
| (৬) বড়োলেণ্ড পিপলচ্ ফ্ৰণ্ট | ঃ | **৫** মিনিট |
| (৭) কমিউনিষ্ট পাৰ্টি অফ ইণ্ডিয়া (মাৰ্ক্সিষ্ট ) | ঃ | **১.৬৭** মিনিট |
| (৮) নিৰ্দলীয় | ঃ | **১.৬৭** মিনিট |

সমিতিয়ে অহা **২১** মাৰ্চ **২০২৩** তাৰিখে আবেলি সদনত “G-20” বিষয় বস্তুৰ সন্দৰ্ভত বিস্তৃত আলোচনা আৰু ৪ এপ্ৰিল, **২০২৩** তাৰিখে আবেলি ‘অধ্যক্ষৰ উদ্যোগ শিতান’ত “Prevention of Drugs Addiction and Child Trafficking ” বিষয়টিৰ ওপৰত আলোচনা অনুস্থিত কৰাৰ সিদ্ধান্ত লয় ।

আশাকৰো এই প্ৰতিবেদনৰ ওপৰত মাননীয় সদনৰ অনুমোদন আছে ।

এতিয়া দহ মিনিটৰ বাবে সদন স্থগিত ৰখা হ’ল।

**(বিৰতিৰ পিছত সদন পুনৰ মিলিত হয়)**

**মাননীয় অধ্যক্ষঃ** এতিয়া মই সন্মানীয় সদস্য শ্ৰী ৰূপক শৰ্মা ডাঙৰীয়াৰ ধন্যবাদসূচক প্ৰস্তাৱ সম্পৰ্কত মন্তব্য ৰাখিবলৈ অনুৰোধ জনালো ....interruptions.... এইটো শেষত আহিব। এতিয়া ৰাজ্যপালৰ ভাষণত ধন্যবাদসূচক প্ৰস্তাৱৰ ওপৰত আলোচনা হ’ব। তাত আপোনালোকে গোটেই পইণ্ট ৰাখিব। ৰিপ্লাইৰ পিছত আমি যেতিয়া পাছ কৰিবলৈ ল’ম তেতিয়া move কৰিব। ....interruptions.... ন’টিচ দিয়াৰ পিছত amendment ৰ প্ৰস্তাৱ গ্ৰহণ হৈ গ’ল। কিন্তু, আমি যেতিয়া ধন্যবাদসূচক প্ৰস্তাৱৰ ওপৰত হোৱা আলোচনাৰ অন্তত উত্তৰৰ পিছত প্ৰস্তাৱটোৰ ওপৰত যেতিয়া voting কৰিম, সেই voting ৰ সময়ত amendment টো move কৰিব। আপোনালোকৰ কথাখিনি আপোনালোকে এতিয়াই ৰাখিব। ......interruptions......নাই নালাগে, সেইটো হ’লে আলোচনাত বহুত সময় লাগিব।

এতিয়া সন্মানীয় সদস্য শ্ৰী ৰূপক শৰ্মা ।

**শ্ৰী ৰূপক শৰ্মা (নগাঁও)ঃ** মাননীয় অধ্যক্ষ মহোদয়, চলিত বিধান সভাৰ যোৱা ১০ মাৰ্চত অসমৰ মহামান্য ৰাজ্যপাল মহোদয়ে দিয়া ভাষণৰ ওপৰত দিয়া ধন্যবাদ সূচক প্ৰস্তাৱৰ সমৰ্থন কৰি কিছু ক’ব বিচাৰিছো। অধ্যক্ষ মহোদয়, পোন প্ৰথমে মই নৱনিযুক্ত ৰাজ্যপাল মহোদয়ক শুভেচ্ছা জ্ঞাপন

কৰিছো। প্ৰবল ব্যক্তিত্বৰ অধিকাৰী দেশৰ এগৰাকী বিশিষ্ট বুদ্ধিজীৱি, সমাজকৰ্মীক আজি আমাৰ ৰাজ্যপাল হিচাপে পোৱাটো আমাৰ বাবে সৌভাগ্য। অসমৰ ৰাইজৰ মৰম আৰু আশীৰ্বাদ লৈ দেশৰ ভিতৰতে জনপ্ৰিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত আমাৰ অসম চৰকাৰে অভূতপূৰ্ব শান্তি, প্ৰগতি আৰু উন্নয়নৰ এক নতুন যাত্ৰা আৰম্ভ কৰিছে। আজি ৰাজ্যখনত পৰিৱৰ্তনৰ এক নতুন জোৱাৰ আহিছে। উন্নয়ন প্ৰক্ৰিয়াত নতুন গতি দিছে। ফলত ৰাইজৰ নতুন আত্ম-বিশ্বাস, আশা আৰু শান্তিৰ সঞ্চাৰ হৈছে। মাননীয় অধ্যক্ষ মহোদয়, অসম চৰকাৰখনে বিশেষকৈ সাংস্কৃতিক ক্ষেত্ৰখনত বিশেষ মনোযোগ দিয়াত অভূতপূৰ্ব কাম কৰিছে। বিশেষকৈ দেশ-প্ৰেম আৰু সাহসিকতাৰ বাবে অসম তথা আমাৰ অনুপ্ৰেৰণাৰ উৎস কিংবদন্তি সেনা লাচিত বৰফুকনৰ ২০২২ বৰ্ষত ৪০০ তম্ জন্মজয়ন্তী হিচাপে পালন কৰিছিল আৰু যুৱ নায়ক গৰাকীক সন্মান প্ৰদৰ্শন কৰিবলৈ অসম চৰকাৰে দেশৰ ৰাজধানী নতুন দিল্লীত এলানি কাৰ্য্যসূচী গ্ৰহণ কৰিছিল য'ত ভাৰতৰ মাননীয় প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰী আৰু বিত্ত মন্ত্ৰী মহোদয়ে অংশ গ্ৰহণ কৰিছিল আৰু আমাৰ বিধান সভাৰো প্ৰায়বিলাক বিধায়কে তাত অংশগ্ৰহণ কৰিছিলো। ৰাষ্ট্ৰজুৰি আয়োজিত এনে অনুষ্ঠানে আহোম ৰাজ্যক কিংবদন্তিমূলক সেনানায়ক বিষয়াৰ প্ৰতি ব্যাপক সজাগতাৰ সৃষ্টি কৰিছিল। আন্তঃৰাষ্ট্ৰীয় মানচিত্ৰতো আহোমৰ শাসনক স্থান দিয়াৰ বাবে সুযোগ প্ৰদান কৰিছিল। বিশেষকৈ, লাচিত বৰফুকনৰ বিষয়ে ৪২ লাখ ৫৪ হাজাৰ লিখনি লাভ কৰাৰ ফলত অসমে অনলাইন যোগে দাখিল কৰা হাতে লিখা ৰচনাখনে বিশ্ব অভিলেখ স্থাপন কৰিবলৈ সক্ষম হৈছিল। ই আমাৰ বাবে এক গৌৰৱৰ বিষয়। এইয়া অসম চৰকাৰৰ এক বিশেষ কীৰ্তিত্ব আৰু অসম তথা অসমীয়াৰ ই এক উল্লেখযোগ্য স্বীকৃতি। অধ্যক্ষ মহোদয়, বিহু আমাৰ বাপতি সাহোন, ই অসমৰ জীৱন ৰেখা। অসম আৰু অসমীয়াৰ গৌৰৱ আমাৰ বিহুক বিশ্বমণ্ডললৈ লৈ যোৱাৰ লগতে গীনিজ বুক অৱ ৱল্ড ৰেকৰ্ডত অন্তৰ্ভুক্ত হোৱাৰ বাবে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এক সুন্দৰ পৰিকল্পনাৰে সৰুসজাই ক্ৰীড়াংগনত অহা ১৪ এপ্ৰিল তাৰিখে প্ৰায় ১১ হাজাৰতকৈ অধিক নৃত্য শিল্পীয়ে অংশগ্ৰহণ কৰিব পৰাকৈ এক বিশাল বিহু নৃত্য অনুষ্ঠানৰ আয়োজন কৰিছে য'ত ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই অংশগ্ৰহণ কৰিব। এনে পদক্ষেপ গ্ৰহণ কৰাৰ বাবে মই মাননীয় মুখ্যমন্ত্ৰীক ধন্যবাদ জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যৰ নাগৰিকৰ বাবে স্বাস্থ্যৰ দিশত চৰকাৰে কাম কৰাটো অতি প্ৰয়োজনীয়। আমাৰ চৰকাৰে দায়িত্ব লোৱাৰ দিন ধৰি স্বাস্থ্য খণ্ডত বহু পদক্ষেপ লৈছে। শেহতীয়াকৈ ধুবুৰী, কোকৰাঝাৰ আৰু নগাওঁত তিনিখনকৈ নতুন চিকিৎসা মহাবিদ্যালয় আৰম্ভ কৰাৰ বাবে অনুমতি লাভ কৰিছে। নগাওঁ জিলাৰ জন প্ৰতিনিধি হিচাপে নগাওঁত নতুনকৈ চিকিৎসা মহাবিদ্যালয় দিয়াৰ বাবে মাননীয় মুখ্যমন্ত্ৰী আৰু স্বাস্থ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো। অধ্যক্ষ মহোদয়, অসম এখন কৃষি প্ৰধান ঠাই। গতিকে, কৃষি ক্ষেত্ৰত কাম কৰাটো অত্যন্ত আৱশ্যকীয় আৰু সেই হিচাপে, কৃষকৰ আয় দুগুণ বৃদ্ধি কৰি অৰ্থনৈতিক সকাহ দিয়াৰ বাবে বৰ্তমান ন্যূনতম সামগ্ৰীৰ মূল্য যি প্ৰতি কুইণ্টল ধানত ২০৪০ টকালৈ বৃদ্ধি কৰি বৰ্তমানলৈ ৩ লাখ মেট্ৰিক টন ধান ক্ৰয় কৰিবলৈ সক্ষম হৈছে। ২০২৩ চনৰ ৩০ছেপ্টেম্বৰৰ ভিতৰত ১০ লাখ মেট্ৰিক টন ধান ক্ৰয় কৰিবলৈ লক্ষ্য স্থিৰ কৰাটোৱে কৃষকসকলৰ প্ৰতি যি দায়বদ্ধতা, তাকে প্ৰমাণ কৰিছে। অধ্যক্ষ মহোদয়, আজি অসম তুলনামূলকভাৱে দেশৰ ভিতৰতে শান্তি আৰু উন্নয়নশীল ৰাজ্য। এসময়ৰ অশান্ত ৰাজ্য অসম এতিয়া অতীত হ'ল, আন্দোলন বন্ধ হৈছে। বন্ধ সংস্কৃতি, ধৰ্ণা সংস্কৃতি প্ৰায় নাইকিয়া হৈছে। অধ্যক্ষ মহোদয়, ৰাজ্যখনৰ আইন শৃংখলা পৰিস্থিতিৰ ব্যাপক উন্নতি লক্ষ্যণীয়। অপৰাধ আৰু আসামাজিক কাম প্ৰায় হ্ৰাস পাইছে। চৰকাৰখনে অপৰাধ আৰু অসামাজিক কামক কঠোৰ

ভাৱে দমন কৰাত অসমৰ ৰাইজ অত্যন্ত সুখী হৈছে। আমাৰ কেইবাটাও গুৰুত্বপূৰ্ণ আঁচনি অসম চৰকাৰৰ মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত যোৱা সময়ছোৱাত সুন্দৰকৈ পৰিচালিত হৈছে। বিশেষকৈ মিছন বসুন্ধৰা। প্ৰথমতে মিছন বসুন্ধৰা-১ আছিল, এতিয়া মিছন বসুন্ধৰা-২ আহিল। এই মিছন বসুন্ধৰাত আমি দেখিবলৈ পাইছো যে আমাৰ সচৰাচৰ যিখিনি মাটিৰ সমস্যা থাকে যে আগতে পিতৃপুৰুষৰ নামত যি মাটি আছিল, কিবা কাৰণত আমাৰ নামলৈ অহা নাছিল, এই সমস্যাবোৰ মিছন বসুন্ধৰা-১ আৰু ২ ত ঘৰতে বহি সমাধান কৰিবলৈ সক্ষম হৈছো। আনহাতে, অৰুণোদয়-১ সফলভাৱে ৰূপায়িত হোৱাৰ পিছত এতিয়া মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত অৰুণোদয়-২ আৰম্ভ হৈছে। যিগৰাকী মহিলা বিধৱা হওঁক বা বিবাহ বিচ্ছেদিত হওঁক বা বিয়া নোহোৱা হওঁক বা শাৰীৰিক ভাৱে সক্ষম ব্যক্তি সকলে হওঁক, অৰুণোদয়ত অন্তৰ্ভুক্ত কৰি তেওঁলোকক মাহেকত ১২৫০ টকাকৈ দিয়াৰ যি ব্যৱস্থা কৰা হৈছে, তাৰ বাবে এই পৰিয়ালসমূহে সকাহ পাইছে। ইতিমধ্যে মাইক্ৰ ফাইনেন্সৰ পৰা মহিলা সকলক অসম চৰকাখনে সকাহ দিছে। অধ্যক্ষ মহোদয়, পানী হৈছে আমাৰ প্ৰাণ। আমি এটোপাল বিশুদ্ধ খোৱা পানীৰ বাবে অশেষ কষ্ট কৰিবলগীয়া হয়। ভাৰত চৰকাৰৰ বিশেষ পদক্ষেপত জলজীৱন মিছনৰ অধীনত আজি অসমৰ প্ৰতিখন গাঁৱৰ চুকে-কোণে মানুহে খোৱা-পানীৰ ব্যৱস্থা ইতিমধ্যে পাইছে। ই এক বহল আৰু ব্যাপক মিছন। যিদৰে এটোপাল পানী আমাৰ বাবে আৱশ্যক তেনেদৰে থাকিবৰ বাবে ঘৰো আমাৰ বাবে আৱশ্যক। সাধাৰণতে, এজন দুখীয়া মানুহে ঘৰ বনোৱাৰ বাবে সপোন দেখে। আজি প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ অধীনত সুন্দৰকৈ চহৰাঞ্চলতেই হওঁক বা গ্ৰামাঞ্চলতেই হওঁক, ঘৰ দিয়াৰ ব্যৱস্থা কৰিছে। প্ৰায় ৭০ লাখতকৈ বেছি ঘৰৰ অনুমোদন পাই প্ৰায় ৭ লাখতকৈ বেছি ইতি মধ্যে সম্পন্ন হোৱাটো অসম চৰকাৰৰ বাবে কীৰ্তিত্বৰ বিষয়। অধ্যক্ষ মহোদয়, আমি যদি চাওঁ, এই দুটা বছৰত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত অসম এতিয়া আগৰ অসম হৈ থকা নাই, অসম পৰিৱৰ্তন হৈছে। চৰকাৰখনে অসমৰ কাম কাজ যিদৰে কৰিছে, ৰাইজে বৰ্তমান এক আত্ম-সন্তুষ্টি পাইছে। সেইবাবে প্ৰতিটো আঁচনি আমাৰ ৰাইজক যিধৰণে দিছো তাত কোনো দুনীৰ্তি নোহোৱাকৈ যোগ্যজনে পোৱাৰ ব্যৱস্থা চৰকাৰখনে ইতিমধ্যে কৰিছে। মই বেছি দীঘলীয়া বক্তব্য নাৰাখো। মই বিশেষ ভাৱে মাননীয় প্ৰধান মন্ত্ৰী আধুনিক ভাৰতৰ খনিকৰ নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ পদক্ষেপত উত্তৰ-পূবৰ বিকাশৰ ইঞ্জিনক তীব্ৰ গতি দি অসমক নেতৃত্ব দিয়া মাননীয় মুখ্যমন্ত্ৰী মহোদয়, যিগৰাকী ভাৰতবৰ্ষৰ ভিতৰতে এগৰাকী শ্ৰেষ্ঠ মুখ্যমন্ত্ৰী বুলি পৰিগণিত হৈছে, তেখেতৰ যি ত্যাগ, কষ্ট, দিনে নিশাই কাম কৰি অসমক ভাৰতৰ ৫ খন ৰাজ্যৰ ভিতৰত আগশাৰীত স্থাপন কৰাৰ আমাৰ যি সপোন, সেই সপোন এইখন চৰকাৰৰ দিনতেই প্ৰতিষ্ঠিত হ'ব। এইখিনি কথা কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

এতিয়া মাননীয় বিৰোধী দলৰ দলপতি শ্ৰী দেৱব্ৰত শইকীয়া।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ সম্পৰ্কত যি ধন্যবাদ সূচক প্ৰস্তাৱ, তাৰ বিৰোধিতা কৰি আমি ইতিমধ্যে এটা প্ৰস্তাৱ ৰাখিছিলো আৰু তাৰ ওপৰতে মই অকণমান উল্লেখ কৰিম।

মাননীয় মহোদয়, আমাৰ দেশৰ সংবিধান অনুসৰি ৰাজ্যপাল ডাঙৰীয়াই বছৰৰ প্ৰথম অধিবেশন অথবা বিশেষ অধিবেশন, যেতিয়া নিৰ্বাচিত হৈ আহে তেতিয়া তেখেতৰ সম্বোধন আমাৰ সকলোৰে প্ৰতি কৰিব লাগে। এই ক্ষেত্ৰত তেখেতৰ বাধ্যবাধকতা আছে যে চৰকাৰে কেবিনেটত

গ্ৰহণ কৰা যি ভাষণ, সেই ভাষণেই তেওঁ পাঠ কৰিব লাগে। সেই গতিকে এই ভাষণত চৰকাৰৰ যিখিনি ৰাইজক জনাব বিচাৰে সেইখিনিয়েই থাকে আৰু চৰকাৰে কিছুমান কথা যাতে ইয়াত আমাক ক'বলৈ দিয়ে যাতে আমি আলোচনা কৰি আৰু কেতবোৰ চৰকাৰৰ কৰিবলগীয়া বিষয় আমি ক'ব পাৰো। মহোদয়, ৰাজ্যপাল ডাঙৰীয়াই তেখেতৰ ভাষণত যিখিনি বক্তব্য ৰাখিলে, তাৰ কেইটামানত তেখেতে ভূমি নীতিৰ কথা কৈছে কিন্তু এই ভূমি নীতিৰ ক্ষেত্ৰত অসমত সঘনাই হৈ থকা উচ্ছেদৰ ফলত আমি কোনো ধৰণৰ পুনৰ সংস্থাপনৰ নীতি গ্ৰহণ কৰা নাই। এই কথা তেখেতে উল্লেখ কৰা নাই। এই উচ্ছেদসমূহ যিকোনো সময়ত, হঠাৎ হোৱাৰ ফলত আমাৰ যিখিনি মৌলিক অধিকাৰ খৰ্ব হৈছে, তাৰ বিষয়ে ইয়াত উল্লেখ কৰা হোৱা নাই। সেয়েহে, ভৱিষ্যতে উচ্ছেদ হ'লে এই ভূমিহীন পৰিয়ালক চৰকাৰে সংস্থাপন দিয়াৰ ব্যৱস্থা কৰিবলৈ সিদ্ধান্ত লোৱাৰ বাবে আমি চৰকাৰৰ ওচৰত অনুৰোধ জনাইছো।

ঠিক তেনেকৈ শেহতীয়া এক তথ্য অনুসৰি আমাৰ ৰাজ্যত ১৮ লাখ নিৰনুৱা আছে আৰু ভাৰত ৬ নম্বৰ শীৰ্ষত আছে নিৰনুৱা বৃদ্ধিৰ ক্ষেত্ৰত। এইটো সৰ্বভাৰতীয় হাৰ ৭ শতাংশ আৰু অসমৰ ক্ষেত্ৰত সেয়া ১৬ শতাংশ। মুখমন্ত্ৰী মহোদয়ে প্ৰথম বছৰত ১ লাখ চাকৰি দিম বুলি কৈছিল, এতিয়া দ্বিতীয় বছৰত গৈ আছে, তাৰবাবে চৰকাৰক ধন্যবাদ দিলো। চৰকাৰ এটা continuous process. ইয়াৰ পূৰ্বৰ বি জে পি চৰকাৰ খনে প্ৰতিবছৰে যি ৫ লাখ চাকৰি দিম বুলি কৈছিল সেই দিশত যাতে তেখেতসকলে কাম কৰি থাকে তাৰবাবে তেখেতে চেষ্টা কৰিম বুলি যি ৮ নং পৃষ্ঠাত থকা বক্তৃতাত সংযোজিত হয় তাৰবাবে মই অনুৰোধ জনালো।

মহোদয়, পৃষ্ঠা নং ৯ ত বাল্যবিবাহ ৰোধ কৰিবলৈ চৰকাৰৰ বদ্ধ পৰিপক্কতাৰ কথা কৈছে। ই এটা সামাজিক সমস্যা আৰু সেই কথা আমি স্বীকাৰ কৰো আৰু সেইবাবে ভাৰতবৰ্ষত পূৰ্বতে যদিও পৰম্পৰা অনুসৰি বাল্যবিবাহ আছিল এতিয়া সেয়া আইনগতভাৱে নিষিদ্ধ কৰা হৈছে। এই ক্ষেত্ৰত যিখিনি আইন আছে সেইখিনি কঠোৰভাবে বলবৎ হোৱাৰ প্ৰয়োজন। কিন্তু আমি হঠাৎ কেতবোৰ যিবিলাক সামাজিকভাৱে কৰিবলগীয়া আছে সেইখিনি নকৰি আৰক্ষীৰ সহায়ত বল প্ৰয়োগ কৰি আইন বলবৎ কৰিবলৈ যাও তাৰ ফলত হিতে বিপৰীত হ'ব পাৰে। সেইকাৰণে গুৱাহাটী উচ্চ ন্যায়ালয়ে কেইটামান ক্ষেত্ৰত যেতিয়া বেইল প্ৰদান কৰিছে, এই শেহতীয়া ঘটনাৱলীত যোৱা জানুৱাৰী মাহৰ ২৬ তাৰিখৰ পাছত আৰু ফেব্ৰুৱাৰী মাহৰ ভিতৰত, অসম চৰকাৰক তেওঁলোকে সুধিছে যে অসম চৰকাৰে Pocso আইনখন কিয় লগাইছে? ইয়াত এই আইন লগাবলগা নাছিলে।

ঠিক তেনেকৈ ধৰ্ষণৰ বিষয়ে যিটো section হয়, IPC 176 এইটো ইয়াত কিয় লগোৱা হৈছে বুলি উচ্চ ন্যায়ালয়ে চৰকাৰক জবাবদিহী কৰিছে। এইখিনি কথা High Court ত যি reporting হয়, তাত উল্লেখ আছে। সেইকাৰণে চৰকাৰে এনে ধৰণে গাৰ বলেৰে আইন বলবৎ কৰাটো উচিত নহয়। কাৰণ গুৱাহাটী হাই কোৰ্টে উল্লেখ কৰিছে যে এনে ধৰণে কৰাৰ ফলত সমাজত যি সকল বৃদ্ধ বা শিশু আছে বা যিসকল লোক সামাজিক ভাৱে দুৰ্বল তেখেতসকলৰ শান্তি , সামাজিক স্থিতিও ধ্বংস হৈছে। গতিকে আইনখন বলবৎৰ ক্ষেত্ৰত, বাল্যবিবাহৰ ক্ষেত্ৰত যিখিনি কৰিব লাগে তাৰক্ষেত্ৰত সমাজত যি বিৰূপ প্ৰভাৱ পেলাইছে সেইখিনি স্বীকাৰ কৰি মানৱীয়তাৰ দিশত এই ক্ষেত্ৰত সমস্যা সমাধানৰ বাবে চৰকাৰে প্ৰচেষ্টা ল'ব বুলি উল্লেখ থাকিব লাগে।

ঠিক তেনেকৈ page no 17 ত কোৱা হৈছে যে চোৰ, ডকাইত, ধৰ্ষণ বাঢ়ি গৈছে কিন্তু

শেহতীয়া National Crime Records ৰ যি তথ্য এই মাহৰ পূৰ্বে যিটো দাখিল হৈছে তাত কোৱা হৈছে যে মহিলাৰ ওপৰত অত্যাচাৰ নিৰ্য্যাতনৰ ক্ষেত্ৰত যোৱা ৫ বছৰত অসম শীৰ্ষত আছে। ২০১৮ চনত ১৬৬ শতাংশ, ২০১৯ চনত ১৭৭ শতাংশ, ২০২০ চনত ১৫৪ শতাংশ আৰু ২০২১ চনত ১৬৮.৩ শতাংশ হৈছে। যেতিয়া All India average হৈছে ৬৪.৫১ শতাংশ। গতিকে এই ক্ষেত্ৰত আমাৰ যিখিনি কৰণীয় সেইখিনি কৰিবলৈ আৰু অধিক ব্যয় কৰিব লাগে। তাৰবাবে আৰু ৰাইজৰ মাজত অধিক সচেতনতা আৰু যিবিলাক চৰকাৰী কাৰ্য্যালয়ত আইন অনুসৰি যিবিলাক বিষয়া নিযুক্তি দিব লাগে শিশু বা মহিলাৰ সুৰক্ষাৰ বাবে। সুৰক্ষা বিষয়া নথকাৰ বাবে অফিচটো থাকিলেও কোনো কাম নথকা অফিচৰ নিচিনা হৈছে। গতিকে এই ক্ষেত্ৰত চৰকাৰে মনোযোগ দি এই পদ সমূহো পূৰণ কৰিব লাগে।

ঠিক তেনেকৈ, আমি কৰ-কাটল দিব লাগে। মাজতে এগৰাকী মন্ত্ৰীয়ে কৈছিলে যে পঞ্চায়তে কৰ ল'ব, তেতিয়া মুখ্যমন্ত্ৰী মহোদয়ে কৈছিল যে কোনো কৰ লোৱা নহ'ব। কিন্তু কৰ নললে সেৱা আগবঢ়াব পৰা নাযায়। কিন্তু অত্যাধিক কৰ লৈ যদি তেওঁলোকৰ কৰ দিব পৰা ক্ষমতাটো যদি নাইকীয়া কৰি দিয়া যায় তেতিয়াহ'লে এটা অৰাজক অৱস্থা হ'ব। আজি বাতৰি ওলাইছে যে House Tax যিটো মাত্ৰ ১৫০০ টকা আছিল সেইটো ৪৫,০০০ টকা হ'বলৈ গৈ আছে। Per Square Metre যিটো ৫ টকা আছিল সেইটো ১৫,০০০ টকা হ'বলৈ গৈ আছে। Municipality বিলাকতো অত্যাধিক tax লগাব বিচৰা বাবে ৰাইজৰ প্ৰতিবাদ হৈছে। সেইগতিকে কৰ-কাটল বিলাক ৰাইজে বহন কৰিব পৰাকৈ কৰিব লাগে। এই ক্ষেত্ৰত তেখেতৰ ঘোষণাত উল্লেখ নাই। যদিও FRBM ৰ কথা কোৱা হৈছে। কিন্তু ৰাইজক এনেকৈ operation চাৰখাৰ, চাৰখাৰ মানে হৈছে ধ্বংস। চৰকাৰীভাৱে কোৱা হৈছে যে Transport Department যে operation চাৰখাৰ কৰি tax collect কৰি আছে। আজি যদি অসমৰ বিভিন্ন জিলালৈ যোৱা যায়, DTO office বা অন্য Designated office বিলাকত, দেখা যাব যে কিমান মেজিক, অট' বা commercial বাহন আবদ্ধ হৈ আছে tax দিব নোৱাৰা বাবে। অত্যাধিক tax হোৱাৰ বাবে tax দিব নোৱাৰি তেওঁলোকে গাড়ী কিনি এৰি থৈ গৈছে। তাৰফলত একো একোটা পৰিয়াল আজি অৰ্থনৈতিক সংকটত পৰিবলগা হৈছে। গতিকে মানৱীয়তাৰ কথাটো ৰাখি আমি tax ব্যৱস্থাটো কৰিব লাগিব।

ঠিক তেনেকৈ, প্ৰধানমন্ত্ৰী ডাঙৰীয়াই ২০২২ চনত কৃষকৰ উৎপাদিত দামৰ দুগুন দিয়া হ'ব বুলি কৈছিল। এইক্ষেত্ৰত আমি বিশেষ একো দেখা নাই। ফচল বীমা যোজনাৰ ক্ষেত্ৰত ৰাজ্যৰ ২৭ লাখ কৃষকৰ ভিতৰত মাত্ৰ আঢ়ৈ লাখতকৈ কম কৃষকহে ইয়াৰ আয়ত্বত আছে আৰু বাকীসকল নাই। তাৰফলত আমাৰ ৰাজ্যত ভালদৰে জলসিঞ্চন ব্যৱস্থা হোৱা নাই। কৰবাত খৰাং হয় আৰু কৰবাত অত্যধিক পানী হয়। এই প্ৰাকৃতিক দুৰ্যোগৰ ফলত কৃষকসকল ৰূপান্তৰ হ'বলৈ বেছি সময় নালাগে। সেইকাৰণে এই ক্ষেত্ৰতো যি কৃষি বিভাগৰ সফলতাৰ কথা কোৱা হৈছে যে যোৱা সময়ছোৱাত বহুত export কৰিছো বা আন কিবাকিবি সেইক্ষেত্ৰত কিন্তু সকলোৱে Export কৰিব নোৱাৰিলেও বজাৰত যাতে তেখেতসকলে এটা উচিত মূল্য পায়। কিছুদিন আগতে বিলাসীপাৰাৰ যি জলকীয়াৰ বজাৰ তাত কোনোবাই চিণ্ডিকেট কৰি তাৰ দাম ৩০ টকাৰ পৰিৱৰ্তে কিলো ১০ টকা কৰি দিছে বুলি কৈছে। এই ক্ষেত্ৰত কৃষি বিভাগৰ পৰিদৰ্শন ব্যৱস্থা থাকিব লাগে। সেইবিলাকো যাতে হয় সেইটো উল্লেখ থাকিব লাগে। ঠিক তেনেকৈ যোৱা সময়ছোৱাত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ সিদ্ধান্তমৰ্মে আমাৰ প্ৰাকৃতিক সুৰক্ষাৰ বাবে justice BB কটকীৰ এখন কমিটি

হৈছিল , সেই কমিটিয়ো কৈছিল যে সেই সময়ৰ চিফ চেক্ৰেটাৰীয়ে mandate এটা দিছিলে যে যিসকল দোষী বনজ ধ্বংস কৰাৰ বাবে, তেওঁলোকক চিনাক্ত কৰি ভৱিষ্যতে যাতে তেনেকুৱা নহয়, মেকানিজম ল'ব লাগে। সেই দিশত কোন দিশে কাম আগবঢ়া নাই,যাৰফলত উজনি অসমত প্ৰায়ে অবৈধ কয়লা খনিত কাম কৰাৰ বাবে বিভিন্ন অঞ্চলৰ শ্ৰমিক সকলে গৈ মৃত্যু মুখত পৰিবলগা হয় আৰু শেহতীয়া ঘটনা তেনেকৈ যোৱা ফেব্ৰুৱাৰী মাহত ঘটিছে বুলি বিহুৰ আগে আগে ঘটিছে বুলি আমি গম পাইছো। সেইগতিকে এইবিলাক ৰোধ কৰাৰ বিষয়ে যেনেধৰণে আমি আগন্তুক সময়ত চৰকাৰৰ ফালৰ পৰা পাব লাগিছিল, পোৱা নাই। গতিকে এনেকুৱা ধৰণৰ সংশোধনখিনি আশা কৰি মই ৰাজ্যপালৰ ভাষণৰ ধন্যবাদ সূচক প্ৰস্তাৱ বিৰোধিতা কৰিছো আৰু এইবিলাক অন্তৰ্ভুক্ত কৰিবলৈ অনুৰোধ জনাইছো। ধন্যবাদ।

**মাননীয় অধক্ষ ঃ** এতিয়া শ্ৰী চক্ৰধৰ গগৈ।

**শ্ৰী চক্ৰধৰ গগৈ, (মৰাণ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১০ তাৰিখৰ এই সদনৰ মজিয়াত মাননীয় ৰাজ্যপালদেৱে আগবঢ়োৱা তেখেতৰ ভাষণৰ সমৰ্থনত মোক একাষাৰ ক'বৰ কাৰণে সুযোগ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। মহোদয়, আমি প্ৰায় ৩০ পৃষ্ঠা জোৰা এই ভাষণ অধ্যয়ণ কৰাৰ পাছত আচলতে অসমত বাস্তৱভাৱে যিখিনি কাম ঘটি আছে সেই গোটেই কামখিনিৰ এটা সঠিক প্ৰতিফলন ঘটাটো আমাৰ দৃষ্টিগোচৰ হৈছে আৰু এই গোটেই কথাখিনিক ৰাজ্যপাল ডাঙৰীয়াই সুন্দৰভাৱে বৰ্ণনা কৰি শাসক বিৰোধী সকলোকে অৱগত কৰা বাবে মই ৰাজ্যপাল মহোদয়লৈ ধন্যবাদ জ্ঞাপন কৰিছো।

অধ্যক্ষ মহোদয়, বৰ্তমানৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বৰ এই চৰকাৰখনে এটা সুন্দৰ বাতাবৰণ সৃষ্টি কৰি গতানুগতিক স্থবিৰতাৰ বিপৰীতে প্ৰগতিশীল যাত্ৰা ৰাজ্যখনত আৰম্ভ কৰিবলৈ সক্ষম হৈছে। চাৰিওফালে শান্তি সুস্থিৰতা আৰু এক প্ৰগতিৰ যাত্ৰা শ্ৰমিক, কৃষক, পুৰুষ-মহিলা, যুৱক-যুৱতী সকলোকে একেলগে লৈ উন্নয়ণৰ দিশত ৰাজ্যখনক আগুৱাই যাবলৈ সক্ষম হৈছে। কিন্তু এই ভাষণৰ অন্তত আজি যি আলোচনা আছে সদনৰ মজিয়াত এই আলোচনাৰ আৰম্ভণিতে আমি বিৰোধী দলৰ তৰফৰ পৰা কিছু সংশোধনীৰ কথা কোৱা আমাৰ দৃষ্টিগোচৰ হৈছে আৰু এই সংশোধনী প্ৰস্তাৱ আমি পঢ়িবলৈ পাইছো। মই নাজানো পূৰ্বতে এনেধৰণৰ হৈছিল নে নাই, কিন্তু যোৱা ৭ বছৰত ৰাজ্যপালৰ ভাষণৰ ওপৰত কোনো ধৰণৰ ধন্যবাদসূচক প্ৰস্তাৱ দিওঁতে এনেধৰণৰ amendment অনা আমি দেখা নাছিলো। কিন্তু তেখেতলোকে কিছু কিছু কথা কৈছে। শাসকীয় সকলে শাসকীয়ভাৱে কয় আৰু বিৰোধীয়ে বিৰোধীভাগে কয় কিন্তু এনেধৰণৰ amendment অনা আমি দেখা নাছিলো। প্ৰথমবাৰৰ বাবে এনেধৰণৰ amendment আনিছে আৰু ইয়াত তেওঁলোকে কিছুমান খুব অদ্ভুত কথাও উল্লেখ কৰিছে। তাৰ ভিতৰত এটা কথাই মোক খুব বেছিকৈ ছুই গ'ল সেইটো হৈছে যে বাল্যবিবাহৰ বিৰুদ্ধে চলোৱা অভিযানে সমাজত বিৰূপ প্ৰভাৱ পেলাইছে বুলি তেখেতলোকে উল্লেখ কৰিব লাগে বুলি কৈছে।

সাংবিধানিকভাবে স্বিকৃতিপ্ৰাপ্ত যে এগৰাকী ছোৱালী বিয়া হ'বলৈ হ'লে ১৮ বছৰ হ'ব লাগে। আজি বিৰোধীয়ে ক'ব খোজে যে বাল্যবিবাহ অভিযানটোৱে সমাজত বিৰূপ প্ৰভাব পেলাইছে । হয়তো তেখেতসকলৰ মনত বিৰূপ প্ৰভাৱ পেলাব পাৰে কাৰণ এই গোটেইকথাবিলাক তেখেতসকলে সদায় ৰাজনৈতিক দৃষ্টিভংগীৰে চায় বুলি মোৰ অনুমান হয় । গতিকে এই ৰাজনৈতিক দৃষ্টিভঙ্গী আঁতৰাই তেখেতসকলে বাস্তৱ ছবিখন আজি অনুভৱ কৰাটো প্ৰয়োজন হৈ পৰিছে । আজিৰ পৰা ৬ মাহমান আগতে আমাৰ সদনৰ এটি দল আমগুৰি সমষ্টিৰ মাননীয় বিধায়ক প্ৰদীপ

হাজৰিকা ডাঙৰীয়াৰ নেতৃত্বত যেতিয়া গোৱালপাৰা- ধুবুৰী ইত্যাদি জিলাত গৈছিলো তেতিয়া সেই অঞ্চলত এম এম আৰ কিয় বৃদ্ধি পাইছে , জনসংখ্যা কিয় বৃদ্ধি পাইছে- এই কথাবিলাক আমি আলোচনা কৰিছিলো সমাজৰ বিভিন্ন স্তৰৰ লগত ব্যক্তিৰ লগত। তেতিয়া সেই অঞ্চলৰ স্থানীয় বহু লোকে কৈছিল যে, জনসংখ্যা বৃদ্ধিৰ অন্যতম কাৰণ হৈছে 'বাল্যবিবাহ' । এই মই মৰাণৰ বিধায়কে কোৱা কথা নহয়, তাৰ স্থানীয় মানুহে কোৱা কথা । এই কথাবিলাক আলোচনা কৰি থাকোতে তাৰে অৱসৰপ্ৰাপ্ত এজন জিলা চিকিৎসা বিষয়াক আমি লগ পাইছিলো । তেখেতে আমাক কৈছিলে- ''আজি মোৰ চেম্বাৰত এগৰাকী ২৩ বছৰ বয়সীয়া প্ৰসুতি আহিছিলে। মই যেতিয়া সুধিছিলো তেওঁ কৈছিল ৬ নম্বৰ সন্তানটো জন্ম দিবলৈ ওলাইছে ।'' ২৩ বছৰত যদি ৬ নম্বৰ সন্তানটো জন্ম দিবলগীয়া হয় তেন্তে আপুনি ভাবক সেই ছোৱালীজনী কিমান বছৰত বিয়া হৈছে । গতিকে এই বাল্য বিৱাহক সমালোচনা কৰা আৰু প্ৰতিৰোধৰ বাবে কৰা চৰকাৰী প্ৰচেষ্টাক বিৰোধীয়ে সমাজত বেলেগধৰণৰ ক্ৰিয়া - প্ৰতিক্ৰিয়া সৃষ্টি হোৱা বুলি তেখেতসকলে উল্লেখ কৰিব খুজিছে। গতিকে এনেধৰণৰ সমাজ বিৰোধী, জনহিতবিৰোধী কথা কোৱাটো সমীচিন হোৱা নাই গতিকে আমি আশা কৰো যাতে এনেধৰনৰ কথা কৈ সমাজলৈ তেওঁলোকে এটা ভুল বাৰ্তা প্ৰেৰণ নকৰে। ৰাজনীতি আহিব আৰু যাব, আপুনি এদিন বিধায়ক হ'ব, মন্ত্ৰী হ'ব , চি.এমো হ'ব পাৰে কিন্তু সমাজত এনেকুৰাধৰণৰ কথা কৈ এটা উচটনিমুলক কথা কোৱাটো আমি যুক্তিসংগত বুলি বিশ্বাস নকৰো। গতিকে উপাধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপাল ডাঙৰীয়াই তেখেতৰ বক্তব্যত প্ৰকাশ কৰাৰ দৰেই এই চৰকাৰে গাওঁ আৰু বাগিছাত প্ৰত্যেকগৰাকী মানুহৰ কল্যাণৰ বাবে কাম কৰি গৈছে । গাওঁৰ বিশেষকৈ কৃষক, শ্ৰমিকসকল, বাগিছাৰ শ্ৰমিকসকলৰ মঙ্গলৰ বাবে অনেক কাম হাতত লৈছে । মৰান সমষ্টিত মই বিধায়ক হোৱাৰ আগতে , বা অসমত বিজেপি চৰকাৰ হোৱাৰ আগতে মোৰ সমষ্টিত কিন্তু আমি এনেধৰণৰ উন্নয়ণ আমি কাহানিও দেখিবলৈ পোৱা নাছিলো। আজি এইখন চৰকাৰৰ দিনত বাগিছাই বাগিছাই পকী ৰাস্তা বনাবলৈ সক্ষম হ'লো। বাগিছাত মডেল স্কুল- মডেল হাইস্কুল স্থাপন কৰিবলৈ এইখন চৰকাৰৰ দিনত সক্ষম হ'লো । অলপ দিন পাছত আপোনালোকে শুনিবলৈ যে মহাপ্ৰভু জগন্নাথ কমিউনিটি চেন্টাৰ কাম স্কীল ডেভল'পমেন্ট চেন্টাৰ প্ৰতিখন বাগানত কৰিবৰ কাৰণে চৰকাৰে প্ৰচেষ্টা লৈছে। বহু বিৰোধী দলৰ বিধায়কৰ সমষ্টিৰ বাগিছাতো হয়তো এই স্কীল চেন্টাৰ হ'ব । গতিকে এই চৰকাৰে যিমানখিনি আন্তৰিকতাৰে জনহিতকৰ কাম কৰিব লাগে সিমানখিনি আন্তৰিকতাৰে কাম কৰিছে । মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত আমি দেখিবলৈ পাইছো যে আজি অসমৰ মন্ত্ৰীসকল, প্ৰত্যেকগৰাকী বিধায়ক আজি বিশ্ৰাম ল'বলৈ কোনেও সাহস নকৰে কাৰণ এটা নতুন কৰ্মসংস্কৃতি নিৰ্মাণ কৰিবলৈ আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে প্ৰয়াস কৰিছে। এচাম মানুহক ৰাজপথৰ আন্দোলনৰ পৰা কৰ্মৰ পথাৰলৈ ওভতাই নিবলৈ আজি এইখন চৰকাৰ সক্ষম হৈছে । কৰ্ম কৰিলে যে সমাজৰ লগতে দেশৰ উন্নতি হয় সেইটো ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ চৰকাৰে আজি প্ৰতিয়মান কৰি দেখুৱাইছে । সেই কাৰণে আমি ডাটি ক'ব পাৰো যে, আমাৰ চৰকাৰৰ দিনত গাৱে- গাৱে ৰাস্তা-পদুলি হৈছে। মোৰ সমষ্টিতে যোৱা ৭ টা বছৰত প্ৰায় তিনিশ কি.মিতকৈ অধিক ৰাস্তা নিৰ্মাণ হৈছে যিটো স্বাধীনতাৰ পিছত এটা ইতিহাস বুলি মোৰ সমষ্টিৰ ৰাইজে কয় আৰু মোৰো এইটো অনুভৱ হৈছে । তুলনামূলক অধ্যয়ণ কৰিলে গ'ম পাব যে এইখন চৰকাৰৰ দিনত বিধায়কসকলে বহু বেছিকৈ কাম কৰিবলৈ সক্ষম হৈছে । আজি মহিলা সবলীকৰণৰ ক্ষেত্ৰত এইখন চৰকাৰে বিভিন্নধৰণৰ কাৰ্য্যব্যৱস্থা হাতত লৈছে, কৰনা সংক্ৰমণৰ সময়ত পৰিয়ালসমূহৰ ভৰন পোষণৰ বাবে যিটো দুৰৱস্থা হৈছিল মহিলাসকলক জন ধন একাউন্টৰ

যোগেদি পইচা দিয়াৰ ব্যৱস্থা এইখন চৰকাৰে কৰিছিল। তাৰ ওপৰিও আজি যিসকল আই মাতৃয়ে হাজাৰ হাজাৰ টকা ঋণ লৈ ধৰুৱা হৈ আছিল এইখন চৰকাৰে তেওলোকক ঋণমুক্ত কৰিবলৈ সক্ষম হৈছে । ইতিমধ্যে , প্ৰথম আৰু দ্বিতীয় ফেজটো প্ৰদান কৰিছে তৃতীয়া ফেজটো দিলে এই সকল মহিলা ঋণৰ পৰা মুক্ত হৈ পুনৰ স্বাভাবিক জীৱনলৈ ঘুৰি আহিব পাৰিব। গতিকে মহিলা সবলীকৰণৰ ক্ষেত্ৰত এইবিলাক সুন্দৰ কাম হৈছে । গতিকে আমি চৰকাৰখনক ধন্যবাদ জনাইছো । ইয়াৰ ওপৰিও ছাত্ৰ- ছাত্ৰীৰ বিকাশৰ বাবে এইখন চৰকাৰে বিভিন্নধৰণে ব্যৱস্থা লৈছে। আজি বিনামূলীয়া শিক্ষাটো ক্লাছ-ওৱানৰ পৰা ডিগ্ৰীলৈকে বিনামূলীয়াকৈ এডমিশ্যনৰ ব্যৱস্থা কৰিছে। লাখ লাখ ছাত্ৰ- ছাত্ৰী ইয়াৰ পৰা উপকৃত হৈছে। আজি গাওঁৰ এটা পৰিয়ালে যেতিয়া ল'ৰা বা ছোৱালীজনীৰ এডমিশ্যনৰ বাবে ৬- ৭ হাজাৰ টকা দিবলগীয়া হয় তেতিয়া সেই দুখীয়া পৰিয়ালটোয়ে আৰ্থিকভাবে যথেষ্ঠ কষ্ট পায়। এই ধনখিনি যদি চৰকাৰৰ পৰা পায় তেতিয়াহ'লে তেওলোকে বহুত আৰ্থিক সকাহ লাভ কৰে , তেওলোক আনন্দিত হয় । সেই কাৰণে আজি হাজাৰ হাজাৰ ল'ৰা ছোৱালী স্কুল - কলেজলৈ যাবলৈ সক্ষম হৈছে । প্ৰকৃতপক্ষে শিক্ষাৰ অধিকাৰ লাভ কৰিবলৈ সক্ষম হৈছে । সেই কাৰণে আমি চৰকাৰক ধন্যবাদ জনাব লাগিব। আজি আমাৰ দেশত সিচৰিত হৈ থকা লাখ লাখ কণ কণ শিশুসকলৰ বাবে, মঙ্গলৰ বাবে ঠাইয়ে ঠাইয়ে মডেল অঙ্গনবাড়ী চেন্টাৰ স্থাপন কৰিবলৈ এইখন চৰকাৰ সক্ষম হৈছে । ৯৯৯ টা অনুমোদিত অংগণবাড়ীৰ বিপৰিতে ইতিমধ্যে আঠশৰো অধিক চেন্টাৰ নিৰ্মাণ হৈছে। মোৰ সমষ্ঠিত ইতিমধ্যে ১১ টা মডেল অংগনবাড়ী নিৰ্মাণ কৰি আমি শিশুসকলক উপহাৰ দিছো। আমি নিশ্চিতভাবে আশা কৰিম যে, প্ৰগতিৰ এই যাত্ৰাত এই ৰাজ্যখন আৰু আগুৱাই গৈ থাকিব কাৰণ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এটাই সংকল্প যে ভাৰতবৰ্ষৰ ৫ খন উন্নত ৰাজ্যৰ ভিতৰত অসমেও স্থান পাব লাগে। সেই কাৰণে এই লক্ষ্যত উপনীত হ'বলৈ আমি শাসক বিৰোধী সকলোৱে কাম কৰাৰ প্ৰয়োজনীয়তা আৰু প্ৰাসংঙ্গিকতা আহি পৰিছে। কেৱল সমালোচনাৰ নামত সমালোচনা কৰি থকা যায় তেন্তে ৰাজনৈতিক মুনাফা আদায়ৰ প্ৰচেষ্টাত কেৱল জড়িত হৈ থাকিব পাৰিব কিন্তু সমাজৰ যি দায়িত্ব সেই দায়িত্ব আপোনালোকে পালন কৰিব নোৱাৰিব। গতিকে আমি আশা কৰো ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বৰ চৰকাৰখনে যি প্ৰগতিৰ যাত্ৰা আৰম্ভ কৰিছে সেই যাত্ৰাত আমি শাসক বিৰোধী লগ লাগি আগুৱাই যাওঁ কাৰণ আপোনালোকে স্মৰন কৰক ২০১৬ চনত আগতে অসমত বিশেষকৈ বিজেপি চৰকাৰৰ নেতৃত্বত চৰকাৰ নাছিল । তাৰ আগতে কাৰ কাৰ চৰকাৰ আছিলে আপোনালোকৰ হাতত হিচাপ আছে । সেই চৰকাৰৰ দিনত কিমান কাম কৰিব পাৰিলে, কিমান দুৰ্নীতিয়ে গ্ৰাস কৰিছিল এই কথাবিলাক আপোনালোকৰ মনত আছে । গতিকে এইবিলাক সুঁৱৰিয়েই এটি নতুন যাত্ৰাৰে আমি আগুৱাই যাওঁ আহক । ধন্যবাদ ।

মাননীয় উপাধ্যক্ষ ঃ ধন্যবাদ --- এতিয়া আমিনুল ইছলাম (জ্যেষ্ঠ)

**শ্ৰীআমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত যি বিতৰ্ক চলি আছে, অসমৰ ৰাজ্যপালগৰাকী নতুনকৈ আহিছে । তেখেতে ভালকৈ জনাই নাই যে বিগত দিনত এইখন অসমত কি কি কাম হৈছে আৰু কেনেকৈ হৈ আছে । বৰ্ত্তমান অসমৰ আৰ্থসামাজিক স্থিতি, আইণ শৃংখলা পৰিস্থিতি আৰু অন্যান্য কথাবিলাক তেখেতে হয়তো ভালকৈ জনাই নাই । তেখেতে আহি জইন কৰাৰ পিছতে আমাৰ এই বাজেট অধিবেশন আৰম্ভ হ'ল আৰু তেখেতক এটা ভাষণ প্ৰিপিয়েৰ কৰি দিয়া হ'ল আৰু এই ৰেডিমেইড বক্তব্যই তেখেতে ইয়াত দি থৈ গ'ল । কিন্তু প্ৰকৃত সত্যটো তেখেতে কিছুদিনৰ পিচত জানিব পাৰিব অসমত বৰ্ত্তমান কি চলি

আছে, অসমৰ আৰ্থসামাজিক স্থিতি কি , হয়তো অহা বছৰত তেখেতৰ বক্তব্যত এই কথাবিলাক প্ৰতিফলিত হ'ব বুলি আমি আশা কৰিছো। এটা কথা উপাধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপালে যিটো কথা বক্তব্যত উল্লেখ কৰিছে ---

--------সদনত হুলস্থুল--

আপোনালোকে শুনিবলৈ ধৈৰ্য্য ৰাখক । মোক মুখ খুলিব নিদিব। -- ধৈৰ্য্য ৰাখক ।

(হুলস্থুল)

**মাননীয় উপাধ্যক্ষ** ঃ অনুগ্ৰহ কৰি বহক।

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ, ধিং)** ঃ কৃষকৰ পৰা ধান ক্ৰয় কৰা নাই গতিকে কৃষকৰ প্ৰতি চৰকাৰ কিমান দায়বদ্ধ আপোনালোকে ইয়াত বুজি পাব। ৰাজ্যপাল মহোদয়ে তেখেতৰ বক্তব্যত কৈছে যে per capita income 10.61% বাঢ়িব বুলি তেখেত আশাবাদী। ভাল, আমি তেখেতক ধন্যবাদ দিছো। কিন্তু অসমত আমি যদি চাওঁ কৃষক সকলৰ capita কিমান আগুৱাই যাব পাৰিছে আৰু যি সকল ব্যৱসায়ী, ক্ষুদ্ৰ ব্যৱসায়ী, মধ্যবিত্ত পৰিয়াল তেওঁলোকৰ অৱস্থা দিনক দিনে কোন ফালে গৈ আছে বাস্তৱ যিটো চিত্ৰ আৰু তেখেতে বক্তব্যত যিটো আশা কৰিছে আমি নাভাৱো যে তেখেতৰ বক্তব্য বাস্তৱ চিত্ৰৰ লগত সামঞ্জস্য আছে। ৰাজ্যপাল মহোদয়ে তেখেতৰ বক্তব্যত উল্লেখ কৰা নাই যে ৰাজ্যখন বৰ্তমান ধাৰৰ বোজাত কক্‌বকাই আছে। বহি ৰাজ্য বা কেন্দ্ৰৰ পৰা বা বিভিন্ন উৎস পৰা যিমান ধাৰ লৈছে, আজি জন্ম লোৱা শিশুটোৱে ৩৮ হাজাৰ টকাৰ ধাৰৰ বোজা মূৰত লৈ এই অসমত জন্ম ল'ব লগা হৈছে। ৰাজ্যপাল মহোদয়ে তেখেতৰ বক্তব্যত বিত্তীয় সংস্কাৰৰ কথাবোৰ কওঁতে এই কথাবোৰ উল্লেখ নকৰিলে। ৰাজ্যপাল মহোদয়ে তেখেতৰ বক্তব্যত আইন শৃংখলা, পৰিস্থিতি উন্নত হোৱাৰ কথাটো কৈছে। তেখেতে নতুনকৈ আহিছে, কিন্তু এইখন অসমত আইন শৃংখলা পৰিস্থিতিৰ নামত যি আইন শৃংখলা অৱনতি আৰক্ষীৰ দ্বাৰা ঘটি আছে, এই কথাটো উল্লেখ হোৱা নাই। Encounterৰ নামত বিগত দিনত কিমান লোক আৰক্ষীৰ জিন্মাত নিহত হ'ল সেই কথাটো ৰাজ্যপাল মহোদয়ে তেখেতৰ বক্তব্যত উল্লেখ কৰা নাই। এই এনকাউন্টাৰ এবাৰ দুবাৰ হ'ব পাৰে, কোনোবা অপৰাধী আৰক্ষীৰ জিন্মাৰ পৰা পলাই যাব পাৰে আৰু গুলি হৈ যাব পাৰে, কিন্তু এই নতুন চৰকাৰৰ অহাৰ পৰা আৰক্ষী ইমান দূৰ্বল হৈ গ'ল যে এক, দুই, তিনি ডজন আৰক্ষীৰ মাজৰ পৰা এজন নিৰাস্ত্ৰ অপৰাধী যে পলাই যাব পাৰে আৰু বাৰে বাৰে গুলিয়াবলগীয়া হৈ আছে, আৰক্ষীয়ে আগতেতো এনেকুৱা এনকাউন্টাৰ কৰিবলগীয়া হোৱা নাছিল। এনেকৈ পলাবলগীয়া হোৱা নাছিল। অৰ্থাৎ আৰক্ষী বিভাগ ইমান দূৰ্বল কেনেকৈ হৈ গ'ল যে, তেওঁলোকৰ ২০, ৩০, ৪০ জনৰ মাজৰ পৰা হঠাৎ এজন অপৰাধী কেনেকৈ পলাই যাব পাৰে? গতিকে এই কথাটো এটা বহুত গুৰুত্বপূৰ্ণ কথা। আৰক্ষী বিভাগ সংস্কাৰৰ পথে এই চৰকাৰে কৈ আছে আৰু কিমান অত্যাধুনিক কৰিছে, কিমান সংস্কাৰ কৰিছে, এই বিষয়টো আমি বুজিব পৰা নাই। এতিয়া বাৰে বাৰে আৰক্ষীৰ জিন্মাৰ পৰা অপৰাধী পলায়ন কৰি আছে আৰু গুলিয়াবলগীয়া হৈ আছে। গতিকে এই কথাটো কিন্তু গৃহ বিভাগৰ মন্ত্ৰীয়ে গুৰুত্ব দিব লাগে যে আৰক্ষী বিভাগ ইমান দুৰ্বল কেনেকৈ হ'ল? আগতটো এনেকুৱা হোৱা নাছিল। এই কথাবোৰ ৰাজ্যপাল মহোদয়ৰ বক্তব্যত উল্লেখ হোৱা নাই। য'ত কেনাৰাম বসুমতাৰী নামৰ এজন ডকাইত ক এনকাউন্টৰৰ কথা কৈ আৰক্ষীয়ে তাত tweet কৰি দিলে প্ৰচাৰ কৰি দিলে, তাৰ পিছত দেখা গ'ল সেই কেনাৰাম বসুমতাৰী ডকাইত নহয় এজন মুছাহাৰী নামৰ কৃষক। তেওঁলোকে ঢাক-ঢোল বজাই আছিল আৰু সচাঁকৈ যে তেওঁ ডকাইত হ'ল হয় তেনেহলে পলায়নকাৰী হয় গুলীয়ালে হয়ঙ্গ কিন্তু

তেওঁলোকে ভাৰিছে কৃষক এজনক ধৰি ভাৰিছে কেনাৰাম বসুমতাৰী, ভাৰি গুলীয়াই দিলে। নিহত হোৱাৰ পিছত ধাক-ঢোল বজাই দিলে যে আমি এজন দুধৰ্ষ ডকাইতক হত্যা কৰিলোঁ। তাৰ পিছত দেখা গ'ল সেই মানুহজন এজন কৃষকহেঙ্গ কিন্তু এই ডকাইত জন নহয়। গতিকে এনকাউন্টাৰ বিলাক কিমান সত্য আৰু কিমান ভূৱা এই কথাতে প্ৰমাণ হয়। কৃতিকমল ভূঞা নামৰ যিজন ছাত্ৰই মাকৰ কাৰণে medicine আনিব গৈছিল, তেওঁক যেতিয়া গুলিয়াই দিলে তাৰ পিছত দেখা গ'ল তেওঁতো কোনো drugs ৰ কাৰণে যোৱা নাছিল। গতিকে এই কথাবিলাকে প্ৰমাণ কৰে এনকাউন্টাৰ বোৰ অপৰাধীক কৰা হ'ল, কিমান শিতল মস্তিকৰে কেনেকৈ কৰা হৈছে এই কথা বোৰ কিন্তু গৃহ বিভাগে নিশ্চয় চাব লাগে আৰু ৰাজ্যপাল মহোদয়ে জ্ঞাত হ'ব লাগে যে অসমত আইন শৃংখলা পৰিস্থিতিৰ নামত কি হৈ আছে। আজি এই অসমত বিগত দুই মাহত গুৱাহাটীত কিমান dead body হ'ল। double murder, single murder কিমান হ'ল, য'ত এতিয়া মহিলাও মাৰ্ডাৰ কৰিব লগীয়া পৰিস্থিতি হ'ল। আজি কিমান বিবাহ বিচ্ছেদ হৈ আছে, বাতৰিত চাওঁক, সামাজিক অস্থিৰতা সৃষ্টি হৈছে য'ত বৈবাহিক ৰভাৰ স্থলিৰ পৰা উভতি, যিবিলাক নাভূত নাচ্যুত ঘটনা আগত হোৱা নাছিল, আজি এই চৰকাৰৰ দিনত সামাজিক অস্থিৰতা হৈ আছে। এই চৰকাৰে কৈছিল যে ২০২২ চনৰ ৩১ মাৰ্চৰ ভিতৰত ১ লাখ লোকক চাকৰি দিয়া হ'ব। কিন্তু ২০২২ চনৰ ৩১ মাৰ্চ পাৰ হৈ গ'ল, এতিয়া ২০২৩ চনৰ ৩১ মাৰ্চ আহি আছে, এতিয়ালৈকে কিন্তু আধাও দিব পৰা নাই চৰকাৰে। গতিকে এইয়ে প্ৰতিশ্ৰুতিবোৰ নিৰ্বাচনৰ সময়ত দিয়া হৈছিল, সেই প্ৰতিশ্ৰুতিবোৰ কিন্তু ৰক্ষা কৰাত এই চৰকাৰ ব্যৰ্থ হৈছে, এই কথাবোৰ ৰাজ্যপালৰ ভাষণত উল্লেখ হোৱা নাই। তাৰ পিছত বাল্যবিবাহ কৰাৰ নামত অভিযান আৰম্ভ কৰি হয়তো অন্য কথাৰ পৰা দৃষ্টি আঁতৰাই ৰাখিবলৈ ৭ বছৰ, ৮ বছৰ আগত যিসকলে বিবাহ কৰিছিল তেওঁলোকক গেপ্তাৰ কৰি এটা অসমত সাংঘাটিক হুলস্থূলৰ সৃষ্টি কৰিছে। সেইটো সময়ত জি ২ ৰ সন্মিলন চলি আছিল। সেই সময়ত আচৰিত কথা, এনেকুৱা কিছুমানক গ্ৰেপ্তাৰ কৰা হ'ল য'ত সেই মহিলা গৰাকীয়ে আহি সংবাদ মাধ্যমত আহি ক'বলগীয়া হ'ল যে মোৰ বিয়াৰ সময়ত মোৰ বয়স আছিল ১৮ বছৰ ৪ মাহ, কিছুমানে কৈছে মোৰ বয়স আছিল ১৮ বছৰ ৭ মাহ। তেওঁলোকে সংবাদ মাধ্যমত তথ্য দেখুৱাইছে। কিন্তু কি তথ্যৰ আধাৰত আৰক্ষীয়ে তেওঁলোকৰ স্বামীক গেপ্তাৰ কৰি আইনৰ অধীনত তেওঁলোকক আজীৱন কাৰাগাৰত বন্দি কৰি এই পৰিয়ালটোক ধ্বংস কৰাৰ কাৰণে, তেওঁলোকৰ ল'ৰা-ছোৱালীক ধ্বংস কৰাৰ কাৰণে ষড়যন্ত্ৰ কৰিছিল, য'ত বাল্য বিবাহ হোৱাই নাই, প্ৰাপ্তবয়স্ক ছোৱালীক তেওঁলোকে বিয়া কৰাইছিল। এনেকুৱা বহুত ঘটনা হৈছিল। গতিকে ইয়াত আইন শৃংখলা পৰিস্থিতিৰ নামত এই চৰকাৰে কি কৰিছে এই কথাবোৰ ৰাজ্যপালৰ ভাষনত কিয় উল্লেখ হোৱা নাই এই কথাটো কিন্তু আচৰিত হৈছোঁ। আজি শিক্ষা ব্যৱস্থাত এই অসমত যি পয়ালগা অৱস্থা হৈছে, আজি লোকসভাত এগৰাকী সাংসদৰ প্ৰশ্নৰ উত্তৰত তাত কেন্দ্ৰীয় মন্ত্ৰীয়ে উল্লেখ কৰিছে যে ভাৰতৰ ভিতৰত আটাইতকৈ বেছি আন্তঃগাঠনি দুৰ্বল কেচাঁ স্কুল ঘৰ কলেজ অসমত আছে। তাৰ লগতে এমালগেমেচনৰ নামত ২, ৩ কি.মিটাৰ দূৰৰ স্কুলত একত্ৰিত কৰিছে আৰু বহুত ঠাইত এনেকুৱা হৈছে দুই তিনিখন স্কুল আনি বলপূৰ্বক জাপি দিছে য'ত আগৰ পৰাই ৫০০, ৬০০ ছাত্ৰ-ছাত্ৰী আছিল, আৰু ৩০০ ছাত্ৰ-ছাত্ৰী আনিছে, এতিয়া তাত বহিবলৈ ঠাই নাই, সিহঁতৰ পাঠদান কৰিবলৈ কোনো সুবিধা নাই, এনেকৈ ছাত্ৰ-ছাত্ৰীৰ career ধ্বংস কৰাৰ কাৰণে এটা পৰ্য্যায় আৰম্ভ হৈছে। এই শিক্ষা ব্যৱস্থাত যিটো পয়লগা অৱস্থা এই কথাবোৰ ৰাজ্যপালৰ ভাষনত উল্লেখ হোৱা নাই। মেট্ৰিক পৰীক্ষা লৈ আজি সদনত বিতৰ্ক হৈছে। মেট্ৰিক পৰীক্ষাৰ প্ৰত্যেক দিনে প্ৰশ্নকাকত ফাদিল

হৈছে আগত দুটা পৰীক্ষা গ'ল আৰু আজি আকৌ পৰীক্ষা বাতিল কৰিবলগীয়া হ'ল। এই যে শিক্ষা ব্যৱস্থাৰ পয়লগা অৱস্থা এই কথাটো শিক্ষকৰ কিমান সমস্যা আজি tutor বনাইছে কিমান qualified শিক্ষকক, তেওঁলোকক নামমাত্ৰ এটা limitation দিছে আৰু ছাত্ৰ-ছাত্ৰীৰ যিমান সমস্যা আজি উচ্ছেদ কৰি চৰ চাপৰিত বিভিন্ন ঠাইত কিমান স্কুল ভাঙি দিয়া হৈছে হাজাৰ হাজাৰ ল'ৰা-ছোৱালীক Right to Education Act, 2009 violate হৈছে, তেওঁলোকে শিক্ষাৰ অধিকাৰৰ পৰা বঞ্চিত হৈছে। এই চৰকাৰে উচ্ছেদ কৰোতে Right to Education Act, 2009 violate কৰোতে কিন্তু এবাৰো ভাৱি চোৱা নাই যে আমি শিশুৰ মৌলিক অধিকাৰ বঞ্চিত কৰি আছোঁ। এই চৰকাৰৰ এই কথাবোৰ ৰাজ্যপালৰ ভাষনত উল্লেখ হ'ব লাগিছিল, কিন্তু উপাধ্যক্ষ মহোদয়, এই কথাবোৰ উল্লেখ নোহোৱাটো আমি আচৰিত হৈছো। তাৰ পিছত ৰাজ্যপাল ডাঙৰীয়াই এটা কথা কৈছে যে খিলঞ্জীয়া লোকৰ সংৰক্ষণৰ কাৰণে চৰকাৰ দায়বদ্ধ। আমি দেখিছো বৰঝাৰ এয়াৰ পোৰ্টৰ ওচৰত খিলঞ্জীয়া লোকে বসবাস কৰা গাঁৱক এতিয়া আদানীক বোলে লাগে। সেই বিকল্পত তাৰ পৰা জাননী দিছে গাওঁ খালী কৰিব লাগে, আদানীক দিব লাগে। তাৰ মানে এই চৰকাৰৰ দৃষ্টিত যিসকল ভূমিপুত্ৰ তেওঁলোক খিলঞ্জীয়া নহয়, আদানী, ৰামদেৱ তেওঁলোক খিলঞ্জীয়া। তেওঁলোকক ভূমি দিয়ে এই চৰকাৰে, গতিকে এই কথাবোৰ ৰাজ্যপালৰ ভাষণত উল্লেখ হোৱা নাই। তাৰ লগতে আৰু এটা কথা ৰাজ্যপাল মহোদয়ে কৈছে যে মানবীয় প্ৰয়োজনখিনি পূৰণৰ কাৰণে মোৰ চৰকাৰে কাম কৰি যাব। কিন্তু আমি দেখিছো মৌলিক মানৱীয় প্ৰয়োজন দূৰৰ কথা, তেওঁলোকক মানৱীয় সা-সুবিধাৰ পৰা বঞ্চিত কৰি এই চৰকাৰে তেওঁলোকক আজি উচ্ছেদ কৰিছে বা বিভিন্ন ধৰণৰ মানৱীয় সা-সুবিধাৰ পৰা বঞ্চিত কৰি মুকলি আকাশৰ তলত থকাৰ কাৰণে তেওঁলোকক আজি এই চৰকাৰে বাধ্য কৰিছে। মানৱীয় অধিকাৰ সৰ্ব কৰিছে, এখন কল্যাণকামী চৰকাৰৰ প্ৰথম কাম হ'ল, যি সকলৰ মূৰৰ ওপৰত চাল নাই তেওঁলোকক আশ্ৰয় দিয়া, যি সকল ক্ষুধা তেওঁলোকক অন্ন দিয়া, বস্ত্ৰহীনসকলক বস্ত্ৰ দিয়া, কিন্তু এই চৰকাৰে অন্ন কাঢ়ি ল'ব পাৰে, বস্ত্ৰ কাঢ়ি ল'ব পাৰে, আশ্ৰয় কাঢ়ি ল'ব পাৰে, কিন্তু নিৰাশ্ৰয় লোকক আশ্ৰয় দিব নোৱাৰে এই কথাটো কিন্তু উল্লেখ হোৱা নাই।

মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াত এটা কথা কৈছে যে, Drugs ৰ বিৰুদ্ধে অভিযান কৰিবলৈ আমাৰ চৰকাৰ বদ্ধপৰিকৰ। প্ৰথম কিছুদিন চমক দিছিল বৰ্তমান কিন্তু Drugs ৰ বিৰুদ্ধে অভিযান স্থবিৰ হৈ গৈছে। এতিয়া Drugs ৰ সৰবৰাহ য'ত হৈ আছে, থানাৰ জ্ঞাতসাৰে কৰি আছে। চৰকাৰ কিন্তু এতিয়া বহুত ঠাণ্ডা হৈ গ'ল। তাৰ পিছত উচ্ছেদ নীতি লৈ বুঢ়াচাপৰি অভাৰায়ণ্যৰ চৰচাপৰিত যি উচ্ছেদ হ'ল, তাত শোণিতপুৰ জিলা প্ৰশাসনে বিদেশী ৰাষ্ট্ৰৰ শত্ৰুপক্ষক আক্ৰমণ কৰিছে। তাত অভাৰায়ণ্যৰ বাহিৰত যিবিলাক চৰ আছে, সেই বিলাকতো উচ্ছেদ কৰিছে। দুদিন আগতে তেওঁলোকে আহি পেলাই নগাওঁ আৰু শোণিতপুৰ জিলাত সীমা এটা নিৰ্ধাৰণ কৰি গ'ল। তাৰ পিছত বহু লোকে চৰৰ পৰা আহি সীমাৰ বাহিৰত নগাওঁ জিলাত তেওঁলোকে শিবিৰ পাতি তাত আশ্ৰয় লৈছে। সেইদিনা উচ্ছেদ কৰিব আহিছে, তেওঁলোকে চৰচাপৰিৰ ঘৰ বিলাক উচ্ছেদ কৰি নগাওঁ জিলাৰ সীমাৰ ভিতৰত সোমাই আশ্ৰয় শিবিৰৰ ভিতৰত মহিলা, বৃদ্ধৰ ওপৰত বুলডোজাৰ চলাই টিনৰ চালি গাত পেলাই দিছে। ৪ পৰা ৫ জনমানুহ আহত হৈছে। এতিয়াও মহিলাকেইগৰাকী হস্পিতালত আছে। এনেধৰণৰ তেখেত সকলে বৰবৰ কাম কৰিছে। নগাওঁ জিলাৰ ভিতৰত সোমাই পট্টা থকা প্ৰায় ৮ ঘৰ মাটিৰ মানুহক উচ্ছেদ কৰিছে। এনেবোৰ কাম কৰি কল্যাণকামী চৰকাৰ হ'ব নোৱাৰে, ৰাজ্যপালৰ ভাষণত এই কথাটো উল্লেখ হ'ব লাগিছিল। তাৰ

ছাত্র-ছাত্রীসকলৰ ভৱিষ্যত নাইকিয়া কৰি দিয়া হৈছে। তেওঁলোক ৫০ পৰা ৭০ বছৰ ধৰি আছিল তেওঁলোক কিন্তু শোণিতপুৰ জিলা প্ৰশাসনে কৈছে, আমি নগাওঁ, মৰিগাওঁ জিলাৰ মানুহ আমাৰ চৰত থাকিবলৈ দিওঁ। এই চৰ বিলাক আগতে নগাওঁত আছিল কোন সময়ত শোণিতপুৰে বে-দখল কৰিলে আমি নাজানো। নগাওঁৰ উপায়ুক্তই সংস্থাপন দিয়াৰ বাবে মাটি বিচাৰিছে। কিন্তু চৰ চাপৰি নগাওঁ জিলাত নাই গোটেই কেইটা শোণিতপুৰত আছে। এটা মাত্ৰ চৰ নগাওঁৰ নামত আছে। মই নগাওঁৰ উপায়ুক্তক ক'লো চৰতে সংস্থাপন দিব তেখেত সকলৰ কিছুমান চৰতে আছিল, একেই শ্ৰেণীৰ মাটি তেখেত সকল যদি ইয়াত থকা কাৰণে বৈধ, শোণিতপুৰৰ পৰা কিয় উচ্ছেদ কৰিলে। শোণিতপুৰটো অসমৰ বাহিৰৰ নহয়, অসমৰ মানুহ, অসমৰ শোণিতপুৰ অসমৰ এখন জিলাই অন্য এখন জিলাৰ মানুহে দখলত থকা চৰ বুলি কয়, তেওঁলোক শত্ৰু ৰাষ্ট্ৰৰ নিচিনা আচৰণ কৰি উচ্ছেদ কৰাটো কোনোপধ্যেই যুক্তিসংগত নহয়। এই কথাটো ৰাজ্যপালৰ ভাষণত উল্লেখ নহ'ল। সামাজিক ন্যায়, সমতা ৰক্ষা কৰিবলৈ মোৰ চৰকাৰ বদ্ধপৰিকৰ। আমি দেখিছো এই চৰকাৰে সামাজিক ন্যায় কোনোপধ্যেই মানি লোৱা নাই। আমি দেখিছো বাচি বাচি কিছুমান জনগোষ্ঠীক টাৰ্গেট কৰিছে। ৰাজ্যপালৰ ভাষণত কিন্তু বিপৰীত ছবিহে আহিছে। উপাধ্যক্ষ মহোদয় নিবনুৱা সমস্যাৰ সমাধানৰ বাবে অসমত ব্যাপক উদ্যোগীকৰণৰ প্ৰয়োজনীয়তা আছে। উদ্যোগ বিলাক বন্ধ হৈ গ'ল। এই চৰকাৰে এখন উদ্যোগ পুনৰুজ্জীৱিত কৰিব পৰা নাই। নতুন উদ্যোগ স্থাপন কৰিব পৰা নাই। আমাৰ যিটো প্ৰকল্প লোৱা আছিল পূৰ্ব চৰকাৰৰ দিনত তাত এটা মৰাপাটৰ উদ্যোগ স্থাপন কৰাৰ কথা আছিল, কিন্তু দেখা গ'ল নতুন চৰকাৰ আহি সেইটোও বন্ধ কৰি দিলে। জাগীৰোড পেপাৰ মিল, কাছাৰৰ পাঁচগ্ৰাম পেপাৰ মিল তেওঁলোকে নিলাম কৰিবলৈ লাগি গৈছে। গৰাখহনীয়া ৰোধ কবি পৰা নাই। সকলো ফালৰ পৰা আন্তঃগাঠনি উন্নয়ন কৰিব পৰা নাই। ৰাজ্যপালৰ ভাষণত কিন্তু স্পষ্টকৈ উল্লেখ নহ'ল। ৰাজ্যপালৰ ভাষণৰ ওপৰত যিটো ধন্যবাদসূচক প্ৰস্তাৱ দিছে, সেই প্ৰস্তাৱৰ বিৰোধীতা কৰি ইয়াত যিটো সংশোধনী প্ৰস্তাৱ দিছো সেইটো ৰাজ্যপালৰ ভাষণত অন্তৰ্ভূক্ত কৰিব লাগে বুলি আমি দাবী জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** মাননীয় সদস্য শ্ৰী গণেশ কুমাৰ লিম্বু।

**শ্ৰী গণেশ কুমাৰ লিম্বু (বৰছলা)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মহামহিম ৰাজ্যপালৰ যি ভাষণ এই ভাষণৰ সমৰ্থন জনাই দুষাৰ ক'বলৈ আপুনি সুযোগ দিয়াৰ বাবে ধন্যবাদ জনাইছো। আমাৰ ৰাজ্যপাল মহোদয়ৰ ভাষণ যদি ভালকৈ চাবলৈ যাওঁ, তেতিয়া হ'লে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত আমি নিৰ্বাচনৰ প্ৰাক মুহূৰ্তত ৰাইজক যি প্ৰতিশ্ৰুতি দিছিলো, এই প্ৰতিশ্ৰুতি এটা এটাকৈ ৰূপায়নৰ বাবে আৰু সৰ্বাগীন বিকাশৰ বাবে সুৰক্ষিত অসম আৰু সমৃদ্ধিশালী অসম নিৰ্মাণৰ বাবে এইখন চৰকাৰে যে, দিনে-ৰাতি কাম কৰি আছে, এই বাজেটখনত স্পষ্টকৈ উল্লেখ আছে। আমি ৰাজ্যপালৰ বক্তব্যত স্পষ্ট হৈছে। আমি যদি কিছু বছৰ আগলৈ চাওঁ, আমাৰ ৰাজ্যখনৰ প্ৰতিচ্ছবি ভাহি আহে । তেতিয়া এক প্ৰকাৰে আমাৰ ৰাজ্যখন ধৰ্ণা বিভিন্ন ধৰণৰ উগ্ৰপন্থী সকলৰ বাসস্থানৰ ৰাজ্য আছিল। আইন শৃংখলা অত্যন্ত বেয়া আছিল। আমাৰ Tourism Sector ত আমাৰ অভাৱনীয়ভাৱে বিদেশী আৰু ঘৰুৱা Tourism বৃদ্ধি হৈছে। আমি যদি বিদেশী Tourism চাওঁ ৭৬৩ শতাংশ বৃদ্ধি হৈছে আৰু ঘৰুৱা Tourism চাওঁ তেতিয়া হ'লে ৫১১ শতাংশ বৃদ্ধি হৈছে। এইটো যে সূচাইছে যে আমাৰ ৰাজ্যখনত Tourism উদ্যোগৰো সংশোধন আছে। যদিহে আমি ৰাজ্যখনৰ আইন শৃংখলা ভালকৈ লৈ যাব পাৰো। আমাৰ চৰকাৰে ৰাজ্যখনৰ বিকাশৰ বাবে বিশেষকৈ অৰ্থনৈতিক সংস্কাৰ, ৰাইজক সেৱা কৰিবৰ বাবে ৰাইজে যাতে সুন্দৰকৈ সেৱা বিলাক

পায় তাৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। মই ক'ব বিচাৰিছো যে, আমাৰ সচিবালয়তো মিশ্যন সদ্‌ভাৱনাৰ জৰিয়তে যিমান ৰাইজৰ আবেদন আছিল, আবেদন সমূহ নিষ্পত্তি কৰা হৈছে। প্ৰায় ২৫০২ খন আবেদন আছিল, এই আবেদন বিলাক নিষ্পত্তি কৰা হৈছে। ইয়াৰ আগতে কি আছিল আমাৰ সাধাৰণ শ্ৰেণীৰ মানুহে নিজৰ আৰ্জিত ধন খৰচ কৰাৰ পিছতো, দিনে-ৰাতি সময় নষ্ট কৰাৰ পিছতো নিজৰ যি বিলাক কাম কৰিব পৰা নাছিল, চৰকাৰ আৰু ৰাইজৰ মাজত এক বৃহৎ ব্যৱধান সৃষ্টি হৈছিল আৰু আমাৰ চৰকাৰখনে এই বিষয়ে উপলব্ধি কৰি এনে ধৰণৰ সেৱা প্ৰৱৰ্তন কৰিছে। এতিয়া আমাৰ বিভিন্ন জাতিৰ প্ৰমান-পত্ৰ আদিকে ধৰি অনলাইনৰ জৰিয়তে কৰাৰ ব্যৱস্থা এইখন চৰকাৰৰ দিনতে হৈছে। ডিজেটেল কনচেপ্ট এটা মানুহৰ মাজত আৰম্ভ হৈছে। যদি আমি চাওঁ ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰতো সংশোধনীৰ লগতে স্বচ্ছতা আৰম্ভ হৈছে। আমাৰ GST and Non-GST ৰ ক্ষেত্ৰত যথেষ্ট ৰাজহ বৃদ্ধি পাইছে। ২০২১-২২ বিত্তীয় বৰ্ষত আপুনি দেখিব ১২৭৪৭.৫৩ কোটি টকা সংগ্ৰহ হৈছে। এই সংগ্ৰহ হাৰ যদি আমি ২০১১ বিত্তীয় বৰ্ষৰ লগত তুলনা কৰো আগতকৈ ২৫.৭০ শতাংশ বৃদ্ধি হৈছে। আমাৰ যি ঘৰুৱা উৎপাদন সেয়া যথেষ্ট পৰিমাণে বৃদ্ধি হৈছে। ২০২২-২৩ বিত্তীয় বৰ্ষত চলিত মুঠ ঘৰুৱা উৎপাদন ৩০৫২৭০.৫৮ কোটি টকা। আমাৰ মুঠ ঘৰুৱা উৎপাদন এই বছৰ বাজেটৰ শেষত ৫ লাখ কোটি টকা লৈকে বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে। ঠিক তেনেকৈ যদি আমি চাওঁ, আমাৰ জনমুৰি আয়ৰ ক্ষেত্ৰতো আমি যথেষ্টখিনি বৃদ্ধি হোৱা দেখিবলৈ পাইছো। আমাৰ বৃদ্ধিৰ হাৰটো হ'ল ১০.৬৩ শতাংশ আৰু যদি আমি চাওঁ যে আমাৰ জনমুৰি আয় ২০২২ আৰু ২০২৩ চনৰ ১ লাখ ১১ হাজাৰ ১৬২ টকা। এনেকৈ ইয়াৰ বৃদ্ধিৰ হাৰ ১০.৬১ শতাংশ। আৰু আমি যদি আমাৰ চৰকাৰখনৰ performance চাওঁ, আগতে২০১৫-১৬ ত তেতিয়াৰ চৰকাৰে বাজেট ব্যয় কিমান কৰিছিল? বাজেটত ৪৪ হাজাৰ কোটি টকা তেওঁলোকে maximum খৰচ কৰিছিল। কিন্তু এইখন চৰকাৰ অহাৰ পাছত এতিয়া প্ৰায় ১লাখ কোটি টকা, ইয়াতকৈ অধিক টকা খৰচ কৰা হৈছে আৰু আমি অনুমান কৰিছো, এই বাজেটত আপোনালোকে দেখিব যে বাজেটত অহাৰ আগে আগে আমাৰ এটা অনুমান আছে যে এক লাখ বিশ হাজাৰ কোটি টকালৈকে আমাৰ বাজেটৰ খৰছ চুবগৈ। ইয়ে প্ৰমাণ কৰে যে এই ৰাজ্যখনৰ চৰকাৰখনে উন্নয়নৰ ক্ষেত্ৰত কি ধৰণেৰে কাম কৰি আছে? ই এটা চমু উদাহৰণ। ইয়াত বাল্য বিবাহৰ কথা কৈছে, উচ্ছেদৰ কথা কৈছে, উপাধ্যক্ষ মহোদয় মই ভাবো, যে এচাম মানুহে এনেকুৱা কাম কৰি থাকিব আৰু এচাম মানুহে তাৰ ভুলৰ পৰিণাম পাই থাকিব। এইটো কেতিয়াও কাম্য হ'ব নোৱাৰে। বাল্য বিবাহ প্ৰতিৰোধ Act আছে আৰু বাল্য বিবাহৰ যৌন নিৰ্য্যাতনৰ পৰা সুৰক্ষা আইন ২০১২ আমাৰ আইন বলবৎ হৈ আছে আৰু ইয়াক base কৰি আমাৰ চৰকাৰে ২০২৩ চনৰ ৩ ফেব্ৰুৱাৰীৰ পৰা বাল্য বিবাহৰ ওপৰত যি ব্যৱস্থা গ্ৰহণ কৰিছে, মই অনুভৱ কৰো যে অসমৰ এচাম যিসকল সচেতন বুদ্ধিজীৱি মানুহ আছে, তেওঁলোকৰ মনত সদায় এটা কৌতুহল আছিল, এই ৰাজ্যখনত ইমান মাতৃ আৰু শিশুৰ মৃত্যু হাৰ বৃদ্ধি হোৱাৰ পাছতো ,অস্বাভাৱিক জনসংখ্যা বৃদ্ধি হোৱাৰ পাছতো, এই বাল্যবিৱাহৰ ওপৰত এইখন চৰকাৰৰ আইন থকাৰ পাছতো কোনো কাম নকৰাৰ কাৰণ কি হ'ব পাৰে? এই বিষয়ে মই ভাৱো চৰকাৰে যি বলিষ্ঠ পদক্ষেপ হাতত লৈছে, এইটো অন্ততঃ এক সাহসী পদক্ষেপ বুলি মই ভাৱো। আমাৰ যি চৰ অঞ্চলৰ উচ্ছেদৰ কথা কোৱা হৈছে, মই সন্মানীয় বিধায়ক সকলক ক'ব বিচাৰো যে তাত আপোনালোকে স্কুলৰ কথা জানি ল'ব লগতে তাত সেই স্কুল বিলাকত অঙ্গনবাড়ী চেন্টাৰসমূহ কেনেধৰণে চলি আছে। মই জনাত তাত নামতহে অঙ্গনবাড়ী আছে। কিয়নো ব্ৰহ্মপুত্ৰ আহে আৰু ব্ৰহ্মপুত্ৰই তাৰ ছবি

অহাবছৰ নাইকিয়া কৰি দিয়ে। তাৰে শিশুবিলাক বেলেগ ঠাইত গুছি যায় আৰু অঙ্গনবাড়ী নামতহে চলি থাকে,তাত কোনো শিশু নাথাকে, ছাত্ৰ-ছাত্ৰীও নাথাকে, এনেধৰণে চলি থাকে। সেইকাৰণে আমি আবেগেৰে কিছুমান কথা কৈ দিলে নহ'ব। আমি যুক্তিৰে যাব লাগিব। আমি সেই সমাজখনকো সমাজৰ অন্য মানুহৰ দৰে , সমাজৰ অন্য শ্ৰেণীৰ দৰে আগত লৈ যাব যদি লাগে, তেতিয়াহ'লে আমি তেওঁলোকক এনে ব্যৱস্থা কৰিব লাগিব যাতে সকলোৰে লগত সমানে খোজ দিব পাৰে। যদি সেই অঞ্চলতে বহিব লাগে বুলি আপোনালোকে ক'ব বিছাৰে ,তেতিয়াহ'লে মই ভাৱো তেওঁলোকৰ পক্ষত, তেওঁলোকৰ ভৱিষ্যতৰ স্বাৰ্থত আপোনালোক নহয়, এটা ৰাজনৈতিক ষড়যন্ত্ৰতহে তেওঁলোকক ঠেলি দিব বিচৰা হৈছে বুলি মই ভাৱো। সেয়েহে উপাধ্যক্ষ মহোদয়, আমি যদি এনেকৈ চাওঁ যে আমাৰ চৰকাৰে নিৰ্বাচনৰ আগত যেনেকৈ এক লাখ মানুহক চাকৰি দিয়াৰ কথা কৈছিল, প্ৰায় এতিয়া এক লাখ আমাৰ চৰকাৰৰ কাৰ্যকালতেই চুবগৈ। মোৰ তথ্য দিবলৈ সময় নহ'ল। আপোনালোকক কবলৈ বিচাৰিছো এইখন চৰকাৰৰ দিনত আমাৰ যি চৰাইদেউ মৈদাম,এই চৰাইদেউ মৈদামে ইউনেস্কত স্বীকৃতি পাবলৈ সক্ষম হ'বলৈ গৈ আছে। আমাৰ কাৰণে অতি আনন্দৰ কথা। আৰু আমাৰ যি গৌৰৱ, বিশেষকৈ বিহুকো আমি ১৪ এপ্ৰিলত আমাৰ ষ্টেডিয়ামত যিটো আমি বৃহৎ আয়োজন কৰিছো, গ্ৰীনিজ বুক ৰেকৰ্ডত যাতে অন্তৰ্ভুক্ত হয়। এনেধৰণে এইখন চৰকাৰে আমাৰ ৰাজ্যখনৰ সকলো দিশৰ প্ৰতিচ্ছৱি যাতে অকল ভাৰতবৰ্ষতেই নহয়,গোটেই বিশ্বত এক উন্নত আৰু এক প্ৰগতিশীল ৰাজ্য হিচাপে নিজকে প্ৰতিষ্ঠা কৰিব পাৰে তাৰ বাবে এইখন চৰকাৰে কাম কৰিছে। মই ভাৱো আগন্তুক দিনত এক সুৰক্ষিত , সমৃদ্ধিশালী আৰু প্ৰগতিশীল অসম নতুন প্ৰজন্মক আমাৰ চৰকাৰেহে দিব পাৰিব। ইয়াকে কৈ মই আমাৰ চৰকাৰক, আমাৰ ৰাজ্যপাল মহোদয়ৰ ভাষণক সমৰ্থন জনাই মোৰ কথা ইয়াতেই সমাপ্ত কৰিছো।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ, এতিয়া মাননীয় সদস্য শ্ৰী প্ৰদীপ হাজৰিকা।

**শ্ৰী প্ৰদীপ হাজৰিকা, (আমগুৰি)** ঃ মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, মাননীয় ৰাজ্যপালৰ ভাষণৰ ওপৰত আমাৰ প্ৰস্তাৱৰ সমৰ্থনত মই দুটামান কথা ক'ব বিচাৰিছো। উপাধ্যক্ষ ডাঙৰীয়া, সেনাপতিৰ ওপৰত কথা। সেনাপতি যদি ভাল হয়, সেনাপতি যদি ঠিক থাকে তেতিয়াহ'লে যুদ্ধ ভাল হ'ব,দেশৰ কাৰণে উপকাৰ হ'ব। এতিয়া আমাৰ ৰাজ্যখনত যি গৰাকী সেনাপতি আছে, অতি শক্তিশালী সেনাপতি। যুক্তিবাদী সেনাপতি ,কৰ্মঠ সেনাপতি, কামকৰা সেনাপতি আৰু ৰাষ্ট্ৰখনৰ যিগৰাকী সেনাপতি আছে, এই সেনাপতি গৰাকীৰ বিষয়ে মই ক'ব নালাগে। আজি গোটেই ৰাষ্ট্ৰখনে আৰু গোটেই আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত তেখেতে কেনেকুৱা ধৰণে নেতৃত্ব দিছে আৰু তাৰ কাৰণে ভাৰতবৰ্ষ কেনেকৈ আগবাঢ়িছে, এই কম সময়ৰ ভিতৰত এই কথাটো সকলোৱে নিশ্চয় উপলব্ধি কৰিছে। এতিয়া উপাধ্যক্ষ ডাঙৰীয়া, অসমৰ ওপৰত বহুত ধুমুহা পাৰ হৈছে। ১৮২৬ ৰ আগতেই মান বিলাকে, ব্ৰাহ্মিজ বিলাকে ইয়াতে অসম আক্ৰমণ কৰি ইয়াত প্ৰায় ৭ বছৰ তেওঁলোকে শাসন কৰিলে। সেই সময়ত অসমৰ সমাজখন গোটেই চেদেলি ভেদেলি হৈ গৈছিল। কোন মানুহ কলৈ গৈছে, এতিয়াও সেই মানুহখিনিক ইয়াত বিচাৰি অনা নাই। এতিয়া ম্যানমাৰটো অসমীয়া মানুহ আছে, নাগালেণ্ডটো অসমীয়া মানুহ গুছি গৈছে। উৰিষ্যাটো অসমীয়া মানুহ গুছি গৈছে। আজি বাংলাদেশখন হৈছে, তেতিয়া পাকিস্তান আছিল, তাতো অসমীয়া মানুহ গুছি গৈছে, বেংগলটো অসমীয়া মানুহ গুছি গৈছে, তেনেকুৱা ধৰণে মানুহ গোটেইখন চেদেলি ভেদেলি হৈ গৈছে। সামাজিক গোটেই ব্যৱস্থাটোৱে নষ্ট হৈ গৈছিল তেতিয়া সাংঘাতিক ধৰণে। মিৰজুমলাৰ অসম আক্ৰমণ হৈছে, মিৰজুমলাৰ সময়ত ইয়াত অপকাৰ হৈছে। মোগলে আক্ৰমণ কৰিছে, সেইটো সময়টো ইয়াত

লোকচান হৈছে। তাৰ পাছতো স্বাধীনতাৰ সময়ত আৰু তাৰ আগে আগে অসমলৈ অবৈধভাবে বৃহৎ প্ৰবজন হৈছে। এইটো কোনেও নুই কৰিব নোৱাৰে, আৰু সেইটোৱে ইয়াত আৰ্থ-সামাজিক, সাংস্কৃতিক দিশত যথেষ্ট চাপ পেলাইছে। মই এইখিনিতে দুটামান ঘটনা কৈ যাব খুজিছো, ১৯৫০ চনৰ বৃহস্পতিবাৰৰ সন্ধিয়া ৭-৩০ বজাত যিটো ভূমিকম্প ইয়াত আহিছিল, সেই ভূমিকম্পটোৰ যিটো শব্দ, সেই শব্দ শুনিয়েই বহুতো মানুহ কিবা হৈ গৈছিল, আৰু প্ৰায় ন হাজাৰ, দহ হাজাৰ মানুহ ইয়াত মৃত্যু হৈছিল। আৰু ব্ৰহ্মপুত্ৰই ইয়াৰ গতিপথ সলনি কৰিছিল। সেইটো অৱস্থাই অসমখনক এটা সাংঘাটিক ধৰণৰ সমস্যালৈ আনিলে। তাৰ পাছত আৰু এটা ঘটনাৰ কথা মই ক'ব বিচাৰিছো যে ১৯৪০ চনত আজিৰ কনৰা, চচৰা, বাঘবৰ, গোবিন্দপুৰ এইবোৰ ঠাইত তেতিয়া শ শ গৰুৰ খুটি আছিল আৰু শ শ ম'হৰ খুটি আছিল। এই গৰু-মহৰ খুটি বিলাক আজি তাত নাই। তাৰ গাখীৰেদি বৰপেটা উভৈনদী হৈ আছিল। এতিয়া ১৯৪৭ চনৰ ২০ মাৰ্চত সেই সময়ৰ পূব পাকিস্তানৰ নোৱাশালিত যি ডাঙৰ সংঘৰ্ষ হৈছিল তাত নেতৃত্ব দিয়া এজন নেতা মৌলানা খালেক চৌধুৰী আৰু কুদ্দুচ বুলি এগৰাকী নেতা তেওঁলোক দুজনৰ নেতৃত্বত ২০-৩০ হাজাৰ মানুহে তাত পুলিচ চকী আক্ৰমণ কৰি তাৰ পৰা অস্ত্ৰ-শস্ত্ৰ কাঢ়ি নি দখল কৰাৰ বাবে আহিছিল। সেই সংঘৰ্ষৰ কথা এতিয়াও নিশ্চয় বৰপেটা বা বিভিন্ন অঞ্চলৰ মানুহে পাহৰা নাই। এই যিবিলাক ঘটনা ঘটিলে এই ঘটনা বিলাকৰ পৰা অবৈধ প্ৰবজনকাৰীয়ে অসমৰ অৰ্থ সামাজিক, সাংস্কৃতিক দিশত হেঁচা দিলে তেতিয়া সেইসময়ত আমাৰ অস্তিত্ব বিপন্ন হ'ল। অসমত কেনেকুৱা ধৰণৰ আন্দোলন হৈছিল সেইটো নিশ্চয় কোনেও ক'ব নালাগে। যদিও আজি আমাৰ মাননীয় ৰাজ্যপাল মহোদয়ৰ বক্তৃতাত এই কথাখিনি উল্লেখ কৰা হোৱা নাই। মই এই কথাখিনি এইকাৰণেই উল্লেখ কৰিবলগীয়া হৈছে যে কি ধৰণে অসমখন ক্ৰমান্বয়ে কি ধৰণৰ অৱস্থালৈ আমি আহি আছো । তাৰপিছত ইয়াত কি ধৰণৰ অশান্তিৰ পৰিবেশৰ সৃষ্টি হৈছিল সেইটো আপোনালোকে গম পায়। ইয়াত অশান্ত অঞ্চল আইন বলবৎ কৰিব লগীয়া হৈছিল। মানুহে উন্নয়ণৰ কথা ভবাটো বেলেগ কথা মানুহে ভালদৰে জীয়াই থকাৰ কাৰণেও সমস্যা হৈছিল। আইন-শংখলা আজিও যে ভাল হৈছে এই কথাটো আমি ক'ব নোৱৰো। আমাৰ এগৰাকী সন্মানীয় সদস্যই ঠিকেই কৈছে যে আইন-শংখলা ভাল হোৱা নাই। আজি আমাৰ অসমত এনেকুৱা কিছুমান গাঁও আছে য'ত মানুহে শান্তিত শুব নোৱাৰে। এই কথাবিলাক বাতৰি কাকতত ওলোৱা নাই বা এই কথাবিলাক আমাৰ ইয়াত ভালদৰে আলোচনা হোৱা নাই। আজি ইয়াৰ মানুহে ভালধৰণে শান্তিৰে জীয়াই থাকিব নোৱাৰাৰ কিছুমান অঞ্চলো আমাৰ অসমৰ কিছু কিছু ঠাইত আছে। এইবিলাক আমি গম পাইছো বা দেখিছো। আজি কিন্তু এটা শান্তিৰ বাতাবৰণ আহিছে। যিটো বাতাবৰণ অহাৰ কাৰণে আজি ৰাজ্যখনে উন্নয়ণৰ কথা চিন্তা কৰিবলৈ সুবিধা পাইছে। আজি চৰকাৰে বিভিন্ন ধৰণৰ উন্নয়ণ মূলক কামত আগবাঢ়ি যোৱাৰ কাৰণে সুবিধা পাইছে আৰু এই কাম বিলাকত আমি সকলোৱে সহযোগ কৰা ভাল। আজি উচ্ছেদৰ কথা যিটো কৈ আছে, যি উচ্ছেদ অসমত হৈ আছে আমি সকলোৱে জানো যে Ecological balance যদি imbalance হয় তেতিয়াহ'লে স্বাভাৱিকতে আমাৰ সমাজখনৰ বিপদ হ'ব। আমাৰ চাৰিওফালৰ পৰিবেশ যদি আমি ঠিক কৰিব নোৱাৰো তেতিয়াহ'লে আমাৰ সমস্যা হ'ব। কিন্তু মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ ইয়াত এনেকুৱা কিছুমান ঘটনা হৈ আছে যিবিলাকৰ কাৰণে মানুহৰ জীৱন সাংঘাটিক ধৰণে বিপদত পৰিছে। মই কেইটামান কথা আপোনালোকৰ আগত দাঙি ধৰিব বিচাৰিছো। আপোনালোকে যদি চাই দেখিব যে আমাৰ বিল, নৈ, পি.জি আৰ, ভি.জি.আৰ বিলাক বেদখল হৈছে। আমাৰ বিভিন্ন অঞ্চলৰ কিছুমানৰ স্কুলৰ মাটি, বিভিন্ন ধৰণৰ

অনুষ্ঠান-প্ৰতিষ্ঠানৰ মাটি বেদখল হৈছে। এই বেদখলটো আমি ঠিক কৰিব লাগিব নে এই বেদখল হোৱাটো আমি এৰি দিব লাগিব যে আপোনালোকে বেদখল কৰি থাকক। এই বেদখলটো আমি উচ্ছেদ কৰিব লাগিব। উচ্ছেদ নকৰিলে নহ'ব। কাৰণ আজি যদি নৈ খন বেদখল হয় তেনেহ'লে নৈ ৰে পানী নাযাব। বিলত বেদখল হ'লে বিলখন নষ্ট হৈ যাব আৰু তাত আমাৰ ইক'লজিটো বেয়া হ'ব। এতিয়া খাপলা বিল, কুঁজি বিল, দেওৱা বিল, ৰৌমাৰী বিল, বৰপেটা বিল, সুন্দৰীদিয়া সত্ৰৰ ওচৰৰ বিল, ভেলেঙী নদী , চাউল খোৱা, লখণ্ডা, বলয়া বিল, হাৰিজান, বালিসত্ৰ, লেতেৰী সুতি, সোনাই নৈ, শান্তি জান আদি এই গোটেই গ্ৰেজিং বিলাক বেদখল হৈছে। এই বেদখলবোৰৰ বাবে আমি আমাৰ সদনত যিমান বিলাক প্ৰতিনিধি আছো এই গোটেই অসমৰ বেদখল হোৱা বিলবোৰৰ কথা আমি চিন্তা কৰিব নালাগিব নেকি, ইয়াৰ প্ৰয়োজন নাই নেকি? য'ত ৩০-৩৫ হাজাৰ বিঘা গ্ৰেজিং মাটি আছিল। মই আগতেই কৈছো যে কলঙা, চচলা, বাঘবৰ আৰু গোবিন্দপুৰৰ গোটেই ফৰেষ্ট অঞ্চলত ৩৫ হাজাৰ বিঘা মাটি আছিল। য'ত গৰু-মহৰ খুটি আছিল এইবোৰ নাইকিয়া হৈ গ'ল। তাৰ পৰা আমাৰ ভাল হৈছে নে বেয়া হৈছে? এই কথাবোৰ আমি ভালদৰে পৰ্য্যালোচনা কৰাতো অতি প্ৰয়োজন। যিহেতু আজি এখন চৰকাৰ আহিছে যিখন চৰকাৰে উন্নয়ণৰ কামৰ ক্ষেত্ৰত ১ মিনিট নৰখাকৈ উন্নয়ণ কৰি আছে। সেয়েহে মই ভাবো এই ক্ষেত্ৰত সকলোৰে চৰকাৰখনক সহযোগ কৰিব লাগে। এই কামবোৰ এতিয়াই ঠিক-ঠাক কৰি লোৱাটো ভাল। নহ'লে পিছৰ প্ৰজন্মৰ কাৰণে আমি কি এৰি থৈ যাম? আমি যদি এইবোৰ ঠিক-ঠাক কৰি নাযাও তেতিয়া এই সমস্যাবোৰ ভৱিষ্যতলৈ এজনৰ বাবে হৈ নাথাকিব। এই সমস্যাটো গোটেই অসমৰ বা অসম বাসীৰ বাবে হৈ পৰিব। সেইকাৰণে আমি জনাব বিচাৰিছো যে আমাৰ অনুষ্ঠানবোৰ আমি নিজে ধ্বংস কৰিবলৈ যিদৰে কৈছো এইবোৰ কথা আমি চিন্তা কৰা উচিত। ইয়াত থকা প্ৰতিজন প্ৰতিনিধিয়ে চিন্তা কৰিব লাগিব কিয়নো এইবোৰ সাধাৰণ মানুহবোৰে ঢুকি নাপায়। আজি কোনোবা এটা জান বেদখল কৰিলে আমি লগে লগে ক'ব লাগে যে ইয়াত তই বেদখল নকৰিবি কাৰণ সেইটো কৰিলে অপকাৰ কৰা হ'ব আৰু পানীখিনি বৈ যাব নোৱাৰিব। মই ভাবো এইখন চৰকাৰে শক্তিশালী ভাৱে আৰু অতি ক্ষীপ্ৰতাৰে আমাৰ বিভিন্ন অঞ্চলৰ উন্নয়ণৰ কামবোৰ আগুৱাই লৈ গৈছে। যেতিয়া ইয়াত কৰ'ণা ভাইৰাচ চলি আছিল তেতিয়া এই ভাইৰাচটোক অতি শক্তিশালী গতিৰে স্বাস্থ্য বিভাগে প্ৰতিৰোধ কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰিছিলি। সেইটো আমি ক'বই লাগিব কিয়নো আমাৰ নিজ নিজ অঞ্চলতে সেইটো পৰিলক্ষিত হৈছে। কৃষি বিভাগে অতি ক্ষীপ্ৰতাৰে নতুন নতুন বজাৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছে। এতিয়া আমি আমাৰ কৃষি উৎপাদিত সামগ্ৰীবোৰ বিদেশলৈ পঠাবলৈ সক্ষম হৈছো আৰু ইয়াৰ বাবে গোটেইখিনি সা-সুবিধাও কৰি দিয়া হৈছে। এতিয়া ধান বিক্ৰীৰ ক্ষেত্ৰত খেতিয়কে প্ৰতি কুইণ্টলত ২০০০ টকা পাবলৈ সক্ষম হৈছে। ফলত কৃষক সকলে খেতি কৰিবলৈ উৎসাহিত হৈছে। হয়তো আমি এফ.চি.আই ৰ পৰা চাউল নোলোৱাকৈয়ে চলিব পাৰিম। আমি নিজে স্ব-নিৰ্ভৰশীল হোৱাতো ভাল। যোৱা বছৰ প্ৰতি কুইণ্টলত ১৯৪০ টকা আছিল। এইবাৰ ২০০০ টকাৰ ওপৰত পাবলৈ সক্ষম হৈছে। যিহেতু এনেকুৱা ধৰণৰ আঁচনি এই চৰকাৰখনে লৈছে আৰু লগতে মিলিং কৰাৰ বাবে সুবিধা কৰি দিছে, গুদামৰ ব্যৱস্থা কৰি দিছে ফলত ধান বিক্ৰী কৰিবলৈ আঁতৰলৈ যাবলৈ নলগা হৈছে। ইয়াৰ ধানৰ পৰা পোৱা চাউলেই আমাৰ মানুহক দিব পাৰিম। তেতিয়াহ'লে আমি অসমৰ বাহিৰৰ পৰা চাউল আনিব নালাগে আৰু আমাৰ পইচাটো বাচি যাব। ইয়াৰ উপৰিও যিটো ৰাজহ সংগ্ৰহ হৈছে তাৰ জৰিয়তে আমি আমাৰ কৰ্মচাৰী সকলক দৰমহা দি থাকিব পৰা হৈছো। সেই কাৰণে মই ভাৱো যে যিবোৰ আঁচনিৰ জৰিয়তে প্ৰত্যেকজন

মানুহ আগবাঢ়ি আহিবৰ কাৰণে সুবিধা হৈ গৈছে, সকলোৰে নিজৰ নিজৰ গাঁৱে গাঁৱে দেখিছে, কোনো এজন মানুহ, কোনো এটা অঞ্চল বাকী থকা নাই। এতিয়া ২৪ ঘন্টা লাইট পাই আছে। যিখিনি পাইছে, সেইখিনিটো ক'ব লাগিব। এতিয়া পানী ঘৰে ঘৰে পোৱাৰ ব্যৱস্থা কৰিছে। এই কথাবিলাক ক'ব লাগিব। কিন্তু উচ্ছেদৰ কথাটো অনাৰ কাৰণে আমি বেয়া পোৱা নাই। উচ্ছেদটো কিহৰ কাৰণে কৰিবলগীয়া হৈছে। এই কথাখিনি আমি চাব লাগিব যে কি কাৰণ উচ্ছেদ কৰিবলগীয়া হৈছে। মই ভাবিছো যে আগতে অসমলৈ যিয়ে যায়, সিয়ে বেৰা হয় বুলি কয়। এতিয়া এনেকুৱা হৈ গৈছে যে ইয়ালৈ মানুহ মাটিৰ কাৰণে অবিৰত ভাৱে আহি থকা এটা ব্যৱস্থা হ'ল। সেই কথাটো চৰকাৰে চাব লাগিব, এইটো কেতিয়াও হ'বলৈ দিব নোৱাৰি। আজি অসমত criminal activities টো বাঢ়িছে, কিহৰ কাৰণে বাঢ়িছে। who has started all these. গতিকে সেই গোটেই কথাবিলাক আমি চোৱাৰ প্ৰয়োজন আছে। সেই কাৰণে মাননীয় উপাধ্যক্ষ মহোদয়, মই ভাৱো যে মহামান্য ৰাজ্যপালৰ ভাষণত যিখিনি কথা আনিছে তাতকৈ আৰু বহু কথা ইয়াতে অৰ্ন্তভূক্ত কৰিব লাগিছিল। এই কথাবিলাক আচলতে অৰ্ন্তভূক্ত হোৱাতো বিচাৰো যে আমাৰ গোটেই সত্ৰ সভা আদি কৰি যিবোৰ বেদখল হৈ আছে, সেইখিনিৰ ওপৰত বিহিত ব্যৱস্থা ল'ব লাগে, এই কথাখিনি জনাই মোৰ বক্তব্য সামৰণি মাৰিছোঁ।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়া।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওবৈছা)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত যিটো ধন্যবাদ সূচক প্ৰস্তাৱ মাননীয় সদস্য শ্ৰী ৰূপক শৰ্মা ডাঙৰীয়াই আনিছে, তাৰ বিৰোধীতা কৰিছোঁ।

ৰাজ্যপালৰ ভাষণত অসমৰ যিবিলাক মৌলিক সমস্যা, সেইবিলাক বিষয়ত ইয়াতে উল্লেখ কৰা হোৱা নাই বা বৰ্ণনা কৰা হোৱা নাই। বিশেষকৈ অসমত ডাঙৰ সমস্যাটো হৈছে নিবনুৱা সমস্যা। অসমত ২২ লাখৰ পৰা ২৫ লাখ নিবনুৱা সমস্যা আছে। ৰাজ্যপালৰ ভাষণত এইটো উল্লেখ আছে যে চৰকাৰে ১ লাখ নিযুক্তি দিম বুলি প্ৰতিশ্ৰুতি দিছিল, তাৰে ৪১ হাজাৰ পাঁচ নে ছয় জনক আজিৰ তাৰিখত নিযুক্তি দিছে আৰু বাকী আছে। বিজেপি চৰকাৰে অকল এক লাখৰ কথা কোৱা নাছিল, তেখেতসকলৰ যিটো সংকল্প পত্ৰ আছিল (আগ নং ৮), তাত কৈছিল যে ২০২২ চনৰ ৩১ মাৰ্চৰ ভিতৰত এক লাখ চাকৰি দিয়া হ'ব আৰু ২০২৩ চনৰ ৩১ মাৰ্চৰ ভিতৰত আৰু এক লাখ চাকৰি দিয়া হ'ব। এতিয়া মাত্ৰ ৪১ হাজাৰক দিয়া হৈছে। ২০২১ চনৰ অসমীয়া প্ৰতিদিন বাতৰি কাকত আপোনালোকে সংকল্প পত্ৰ বিজ্ঞাপন দিছিলে। মাননীয় উপাধ্যক্ষ মহোদয়, অকল এই দুই লাখে নহয় ইয়াত আৰু লিখিছিলে যে আৰু বিভিন্ন খণ্ডত স্বনিয়োজন আঁচনিত ৮ লাখ নিবনুৱা লোক সকলক নিযুক্তি দিয়া হ'ব। এই বিষয়ে ইয়াতে একো লিখা নাই। মাত্ৰ এটা কথা লিখা আছে যে চৰকাৰে এনেকুৱা প্ৰচেষ্টা হাতত লৈছে যাতে নিবনুৱাই চাকৰি নিবিচাৰি চাকৰি দিব পৰা হ'ব। মাননীয় উপাধ্যক্ষ মহোদয়, এতিয়া দুই বছৰ হৈ গ'ল। দুই বছৰত ৪১ হাজাৰ চাকৰি দিছে আৰু তিনি বছৰ বাকী আছে। এইটো এটা নিৰ্বাচনি স্তৰৰ ওপৰত ভিত্তি কৰি প্ৰতিটো ৰাজনৈতিক দলে নিৰ্বাচন খেলে আৰু তাৰ ওপৰত ভিত্তি কৰি মানুহে ভোট দিয়ে আৰু চৰকাৰ গঠন কৰিবলৈ মেজৰিটি বিধায়ক দিছে যে আপোনালোকে দুই লাখ প্লাছ ৮ লাখ মুঠ দহ লাখ লোকক সংস্থাপন কৰিব। কিন্তু আজিলৈকে আপোনালোকে সেইটো কৰিব পৰা নাই। এটা কথা ঠিক যে এইটো আমি বিৰোধী পক্ষ হৈও স্বীকাৰ কৰো অকল চৰকাৰী চাকৰি দি নিবনুৱা সমস্যা সমাধান কৰিব নোৱাৰে। তাৰ কাৰণে চৰকাৰে কি কৰিব লাগিব, চৰকাৰী প্ৰচেষ্টাত ব্যক্তিগত পৰ্য্যায়ত উদ্দ্যোগ প্ৰতিস্থান স্থাপন কৰিব লাগে। কিন্তু যোৱা দুই বছৰ ধৰি আপোনালোকে এনেকুৱা কোনো প্ৰচেষ্টা হাতত লোৱা নাই। যাৰ পৰা

আপোনালোকে অসমলৈ ব্যক্তিগত পৰ্য্যায়ৰ উদ্দ্যোগ প্ৰতিষ্ঠা কৰিবলৈ বাহিৰৰ পৰা মানুহ আহিছে, কোনো মানুহ অহা নাই, কোনো উদ্দ্যোগ প্ৰতিষ্ঠা কৰিব পৰা নাই। তাৰ সলনি এটা এটাকৈ উদ্দ্যোগবিলাক বন্ধ হৈ গৈ আছে। যোৱা দুই বছৰ আপোনালোকে নিজে দেখিছে জাগীৰোড আৰু কাছাৰ পেপাৰ মিল।

সেই কাৰণে কৈছো বিজেপি চৰকাৰে নিবনুৱা সমস্যা সমাধান কৰিবলৈ ব্যৰ্থ হৈছে। আপোনালোকে জানে ভাৰতবৰ্ষত যোৱা মাৰ্চ মাহৰ যিটো হিচাপ, all India unemployment rate এইটো 7.6% আৰু অসমত 8.6%, তাৰমানে সৰ্বভাৰতীয় হাৰতকৈ বেছি। এইটো Centre for Monitoring India Economic (CMIE) বুলি কোৱা হয়। এইটো মাৰ্চ মাহত census কৰে, য'ত all India 7.6% আৰু অসমৰ 8.6% । এতিয়া এই যিটো সংকল্প প্ৰস্তাৱত লিখিছিলে যে দেশৰ ভিতৰত চাকৰি সৃষ্টিত অসম দ্ৰুতম ৰাজ্য হ'ব। কিন্তু য'ত আমাৰ 8.6% আৰু All India 7.6 % । কিন্তু আমাৰ অসমৰ নিচিনা কিছুমান ৰাজ্যত unemployment rate বহুত কম। Chattisgarh 0.8%, Madhya Pradhesh 2.0%, Odissa 2.1%, Puducherry 2.2 %, Uttarakhand 2.3% এই ৰাজ্য বিলাকে যেতিয়া পাৰিছে, ইয়াৰে প্ৰায় বিলাক বিজেপি ৰাজ্যই হয়, Chattisgarh & Odissa বাদ দি। দুই বছৰ গ'ল আৰু তিনি বছৰ বাকী আছে, আপোনালোকে যিটো কৈছে ৮ লাখক বিভিন্ন খণ্ডত নিযুক্তি দিয়া, সেইটো আপোনালোকৰ নহ'বগৈ স্বানিয়োজন আঁচনিত। তাৰ কাৰণে ইয়াতে কোনো ধৰণৰ specific mention কৰা নাই।

তাৰ পিছত এই চৰকাৰে বাৰে বাৰে এটা কথা কৈ থাকে যে অসমক ভাৰতবৰ্ষৰ শ্ৰেষ্ঠ পাঁচখন ৰাজ্যৰ ভিতৰত এখন ৰাজ্য কৰিবৰ কাৰণে চেষ্টা চলাই আছো আৰু আমি আঁচনি লৈ আছো। এতিয়া চৰকাৰে বহুত আঁচনি লৈছে, ৰাজ্যপালৰ ভাষণত লিখা আছে যে GSDP বাঢ়িব ৫ লাখ কোটি লৈকে। আপোনালোকৰ বাজেট expenditure হ'ব ১.২২ লাখ। external aided project আপোনালোকে ১৫ টা লৈছে, ৩১ হাজাৰ কোটি টকাৰ। বিভিন্ন আঁচনি লৈছে, কিন্তু এই আঁচনিবিলাক লোৱাৰ পিছত আমাৰ অসমৰ যি দৰিদ্ৰ সীমা ৰেখাৰ তলত বসবাস মানুহ বিলাকৰ সংখ্যা যোৱা দুই বছৰত কমিছে নে বাঢ়িছে, সেইটো হয় measurement যে এইখন চৰকাৰে কি কাম কৰিব পাৰিছে। আপোনালোকে যে কয় অসমক ভাৰতবৰ্ষৰ শ্ৰেষ্ঠ পাঁচখন ৰাজ্য ভিতৰত এখন ৰাজ্য কৰিম। কিন্তু এই কথা পাহৰি নাযাব যে নীতি আয়োগৰ ৰাষ্ট্ৰীয় বহু মাতৃক দাৰিদ্ৰৰ ওচৰত তালিকা যেতিয়া প্ৰকাশ কৰিছিলে ২৬ নৱেম্বৰত তাত অসমখন পাঁচখন দাৰিদ্ৰ ৰাজ্যৰ ভিতৰত পাঁচ নম্বৰত আছিলে। আমাৰ এইটো হিচাপ হয় বিপিএলৰ শতাংশ লৈ। যিটো হ'ল ৩২.৬৭ শতাংশ। এই ৩২.৬৭ শতাংশটো যদি আপোনালোকে কমাব নোৱাৰে, তেতিয়া হলে শ্ৰেষ্ঠ পাঁচখন ৰাজলৈ লৈ যাব নোৱাৰে। ভাৰতবৰ্ষত পশ্চিম বংগ এই তালিকাত দহ নম্বৰত আছিল। এতিয়া তেওঁলোকে এই তালিকাৰ পৰা ওলাই গ'ল। সেই কাৰণে এতিয়া আপোনালোকে যিটো ৩২.৬৭ শতাংশ, য'ত আমাৰ দৰিদ্ৰ ৰাজ্যৰ ভিতৰত পাচঁ নম্বৰত আছো আৰু যদি শ্ৰেষ্ঠ পাচঁখন ৰাজলৈ আমি যাব বিচাৰো, য'ত আপুনি জানে কেৰেলা আছে, তাত 0.71% BPL, গোৱা 3.76% BPL, চিকিমত 3 চিকিমত 3.82%, তামিলনাডুত 4.89 % আৰু পাঞ্জাবত 5.59% আমিতো অসমত 32.67% ত আছো। আমি BPL টো কমাই পাঁচখন ধনী ৰাজ্যৰ ভিতৰত কেতিয়া সোমাম ? আৰু তিনি বছৰ আছে, দুবছৰ গ'ল। এতিয়া ৰাজ্যপালৰ ভাষণত এইটো কথা উল্লেখ কৰিব লাগিছিল যে আমি চৰকাৰ গঠন কৰোতে ৩২.৬৭ শতাংশ BPL percentage, আছিল আমি এইটো কমাব

পাৰিলো। ১ শতাংশ পাৰিলো, ২ শতাংশ পাৰিলো। এই বিষয়টো স্পষ্ট একো নাই ইয়াতে। বিজেপি চৰকাৰৰ ৭ বছৰ হৈ গ'ল। সেইটো নহ'ল, সেইকাৰণে BPL percentage টো আপোনালোকে কমাব পৰা নাই আৰু per capita income ইয়াত বাঢ়িছে, ৰাজ্যপালৰ ভাষণত উল্লেখ কৰিছে যে, যোৱাবাৰ ১১ হাজাৰ আছিল, এইবাৰ ১ লাখ ২২ হাজাৰ হ'ব বুলি কোৱা হৈছে আপোনালোকে। ১ লাখ ২২ হাজাৰ হ'লেও আমি ভাৰতবৰ্ষৰ এই 37 State and union territory ৰ মাজত এতিয়াও অসমৰ পজিশ্যন ২০ নম্বৰত আছে। ১ লাখ ২২ হাজাৰ আমাৰ per capita income. সেইটো আমাৰ কাৰণে বহুত কম। কাৰণ আমি ২০ নম্বৰত আছো। আমি আৰু আগলৈ আগুৱাব লাগিব আৰু ১৫ টাৰ আগলৈ আমি যাব লাগিব। তাৰ কাৰণে ইয়াত কোনো per capita income কৰাবৰ কাৰণে specific আঁচনিৰ কথা লিখা নাই বা আপোনালোকে শ্ৰেষ্ঠ পাচখন ৰাজ্যৰ এখন কৰিবৰ কাৰণে যিখিনি লাগে, সেইখিনি ইয়াত লিখা নাই। এতিয়া কেৰল এইটোৱেই নহয়, আমাৰ চৰকাৰে এইটো জনা উচিত হ'ব, চৰকাৰে বোধহয় জানে আমাৰ অসম MMR বুলি যিটো কয়, অথনি সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে এটা প্ৰশ্নৰ উত্তৰ দিওঁতে এইটো কথা উলিয়াইছিল যে MMR টো যে Maternal Mortality Rate যে ভাৰতবৰ্ষৰ ভিতৰত আমি অসম প্ৰথম। আগতে infant mortality rate টো প্ৰথম আছিল। এতিয়া infant mortality rate ৰ পৰা অসম ওলাই গৈছে, এইটোতো success হৈছে। কাৰণ all India average টোত 97. আৰু অসমৰ maternity rate টো 195. 97 ৰ পৰা 195 আমাৰ 97 পাবলৈ আমাক কিমান লাগিব। মাননীয় মুখ্যমন্ত্ৰীয়ে সদায় কথাই কথাই কয়, আমি কেৰেলাক মানি চলিম ৰুলৰ ক্ষেত্ৰত। কিন্তু আপোনালোকে জানে যে, maternity mortality rate কেৰেলাৰ rate মাত্ৰ 19. চাৰ, ভাৰত চৰকাৰে যিটো উলিয়াইছে, National Family Health Survey Bulletin No.5 তাত লিখিছে হয়, যে অসমত merternity mortality rate বঢ়াৰ কাৰণ কেৱল এটাই কাৰণ নহয়, বাল্য বিবাহ নহয়, তিনিটা কাৰণ দেখুৱাইছে। কাৰণ বাল্য বিবাহ দেখুৱাইছে All India rate 25%, অসমত 32% বাল্যবিবাহ এটা কাৰণ হ'ব পাৰে বুলি ইয়াত কৈছে ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য চাৰ্ভে কিন্তু চাৰ, লগে লগে কৈছে কেৱল এইটো কাৰণে নহয়, যে অসমত গৰ্ভৱতী মহিলাৰ মাজৰ ৰক্তহীনতা অসমত 60% ৰক্তহীনতা এটা কাৰণ। তাৰ কাৰণে নিউট্ৰেশ্যনৰ ব্যৱস্থা কৰিব লাগে আপোনালোকে আৰু এটা কাৰণ হ'ল তামিলনাডু আৰু কেৰেলাত হস্পিটালত জন্ম দিয়া মহিলাৰ শতাংশ ১০০ ৰ ভিতৰত ১০০ আৰু All India rate টো 86%. কিন্তু অসমৰ এতিয়া ভাল 84%. এতিয়ালৈকে আমি ১০০ শতাংশ যাব পৰা নাই। হস্পিতালৰ বাহিৰত এতিয়াও ১৬ শতাংশ মহিলাই সন্তান জন্ম দিছে। সেইটোৰ কাৰণে maternity mortality rate টো অসমত বেছি হৈছে। এইটো আপোনালোকৰ negative point. আমি negative point ত প্ৰথম position ত আমি আছো। চাৰ, মাজতে কেন্দ্ৰীয় শিক্ষা মন্ত্ৰণালয়ে যোৱা ৩ নৱেম্বৰ, ২০২২ ত কিছুমান পাৰদৰ্শিতাৰ ভিত্তিত grading সূচক প্ৰতিবেদন publish কৰিছে। Performance grading index গোটেই ভাৰতবৰ্ষৰ এই performance grading index টোত level 1, level 2, level 3, level 4, level 5, level 6 এনেকৈ পাৰদৰ্শিতাটো চাবৰ কাৰণে। অসমৰ position টো আমি level 1 ত অৱশ্যে কোনো স্থান নাই ভাৰতবৰ্ষত। Level 2 ত আছে, level 3 ত আছে। আমাৰ অসমৰ education position টো Level 4 আছে। কাৰ লগত আছো আমি ঝাৰখণ্ড, ত্ৰিপুৰা, লাডাখ, চট্টিশগড়, জম্মু-কাশ্মীৰ আৰু অসম। আমি level 4. কিন্তু চাৰ, আমি সকলোৰে জনা

উচিত হ'ব অসম চৰকাৰৰ ২০২২-২৩ ৰ আমাৰ যিটো বাজেট, total budget expenditure ৰ শিক্ষা বিভাগত আমি কিমান দিছো আটাইতকৈ বেছি। সকলো বিভাগতকৈ শিক্ষা বিভাগত দিয়া হৈছে 20.1%. Budget ৰ expenditure আমি শিক্ষা বিভাগক দিছো। কিন্তু ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যত তেওঁলোকৰ শিক্ষা বিভাগৰ expenditure budget ৰ provision টো মাত্ৰ 15.2%. অসমত 20.1%. কিন্তু তাৰ পিছত আমি level 4.চাৰ, কেৰল level 4 নহয় আৰু কিছুমান বিষয়ত আমাৰ position 37 State and integrity ভিতৰত অসমৰ position 29. ৩৮ খনৰ ভিতৰত আমি ২৯ নম্বৰত কিহৰ বিষয়ত স্কুলৰ আন্তঃগাঁথনি, শিক্ষন সামগ্ৰী, বিদ্যালয় গৃহ, শিক্ষকৰ অনুপাত, ছাত্ৰ-ছাত্ৰীৰ বাবে সা-সুবিধা আৰু গুণগত শিক্ষা, এই বিষয় বিলাকত আমি 29 out of 37 state union territory. চাৰ, কেৰল এইটোতে নহয়, বিদ্যালয় আধাতে এৰা drop out ছাত্ৰ-ছাত্ৰী। Drop out ত সৰ্বভাৰতীয় হাৰ 0.75% আৰু অসমত 3.3. এইটো lower L.P school ত । Upper L.P School ত All India ত হাৰটো হৈছে 1.9 আৰু 40.6%. Drop out ৰ ক্ষেত্ৰত। সেই কাৰণে drop out ৰ ক্ষেত্ৰত যিটো 37 state integrity আছে, বিদ্যালয় আধাতে এৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা তালিকা অসমৰ স্থান 19. শিক্ষা বিভাগ একেবাৰে আগবঢ়া নাই। আমি মেট্ৰিক পৰীক্ষাৰ কথা লৈ আমি এইটো প্ৰশ্ন কৰিছোৰেই যে প্ৰতিবাৰেই প্ৰশ্নকাকত লিক হৈ থাকে। ছেবাটো চৰকাৰে চলাইছে। তাৰ কাৰণে ছেবা দায়বদ্ধ, নহয়, চৰকাৰ দায়বদ্ধ হ'ব। এবাৰ নহয়, দুবাৰ নহয়। মেট্ৰিক পৰীক্ষাত এনেকৈ ৰাতি ১২ টা বজাত ঘোষণা কৰিবলগীয়া হৈছে যৈ কাইলৈ সোমবাৰ ১৩ তাৰিখে মেট্ৰিক পৰীক্ষা নহয়, স্থগিত ৰাখক। এনেকুৰা হৈছে আৰু এটা ক্ষেত্ৰত আমি অসম প্ৰথম হৈ আছো, ৰাজ্যপালৰ ভাষণত ক'ব লাগিব আমাৰ বিৰোধী দলপতি শ্ৰীদেৱব্ৰত শইকীয়া ডাঙৰীয়াই মাজতে কথাটো উলিয়াইছিল যে আমাৰ অসমে দুটা ক্ষেত্ৰত আগতে position আছিল infant mortality and maternal mortality rate. আৰু আগতে আমি দুটাত প্ৰথম আছিলো। সেইটো হৈছে নাৰী নিৰ্যাতন, মহিলাৰ বিৰুদ্ধে অপৰাধ আৰু গাহস্থ্য হিংসা মানে পাৰিবাৰিক হিংসা। চাৰ, ইয়াত মাননীয় ৰাজ্যপাল ডাঙৰীয়াই কৈছে, অসমত উগ্ৰপন্থীৰ কাৰ্য্যকলাপ প্ৰায় বন্ধ হৈ গৈছে, এইটো সঁচা কথা বন্ধ হৈ গৈছে। অসমত কোনো আন্দোলন হোৱা নাই, পিকেটিং হোৱা নাই, ধৰ্ণা হোৱা নাই, শান্তিৰ পৰিবেশ আহিছে। সেইটো সঁচা কথা। এইবিলাক আহিছে। উগ্ৰপন্থীৰ কাৰ্য্যকলাপ নাই, আন্দোলন নাই, হিংসা নাই শান্তিপূৰ্ণ পৰিবেশ আহিছে বুলি কৈছে। কিন্তু আপোনালোকে মন কৰিছে নাই নাজানো। কিন্তু এই গোটেই বিলাক বন্ধ কৰাৰ পাছত নতুন বস্তু কিছুমান develop হৈছে। যেনে আপোনাৰ daily চুৰ, ডকাইত, হত্যা ধৰ্ষণ, নিৰ্য্যাতন বাঢ়িছে অসমত। এইটো চাৰ মোৰ কথা নহয়। নাৰী নিৰ্য্যাতনৰ ভাৰতৰ ভিতৰত অসম প্ৰথম। এইটো মোৰ কথা নহয়। এইটো আপোনাৰ যিটো লিডাৰে কৈছে, National Crime Record Bureau তথ্য। NCRB ৰ report এইটো, এই বছৰৰ report. ২০২১ ত অসমত ১ লাখ মহিলাৰ ভিতৰত ১৬৭ গৰাকী মহিলা নিৰ্যাতিত হয় অসমত। কিন্তু সৰ্বভাৰতীয় ১ লাখ মহিলাৰ ভিতৰত মাত্ৰ ৬৬ গৰাকী মহিলা নিৰ্যাতিত হয় আৰু চাৰ শুনি আচৰিত কথা হ'ব ২০২১ চনত নহয়। continous পাঁচ বছৰ। অসমে নাৰী নিৰ্যাতনত প্ৰথম হৈ আহিছে। একেৰাহে পাঁচ বছৰ। মাননীয় অধ্যক্ষ মহোদয়, ২০১৭ চনৰ পৰা পাঁচ বছৰ অসম continously নাৰী নিৰ্য্যাতনত প্ৰথম হৈ আছে। ২০১৭ চনত এক লাখ মহিলাৰ ভিতৰত ১৪৩ গৰাকী, ২০১৮ চনত ১৬৬ গৰাকী, ২০১৯ চনত ১৭৮ গৰাকী আৰু ২০২০ চনত ১৫৪ গৰাকী মহিলা নিৰ্য্যাতিত হৈছে। আমাৰ শুনিলে লাজ লাগে যে নাৰী নিৰ্য্যাতনত

অসম প্ৰথম স্থানত আছে। তাৰ মানে অসমত মহিলা সুৰক্ষিত নহয়। গুৱাহাটীত আটাইতকৈ বেছি নাৰী নিৰ্য্যাতন হয়। গুৱাহাটীত আইন-শৃংখলা ৰক্ষা কৰিবলৈ পৃথকভাৱে গুৱাহাটীত পুলিচ আয়ুক্তৰ অফিচ খোলা হ'ল আৰু ইয়াত বিশখন থানা আৰু পোন্ধৰখন আৰক্ষী চকী আছে। তাৰ পিছতো গুৱাহাটীত আটাইতকৈ বেছি চোৰ-ডকাইত, হত্যা, অপহৰণ আদি হয়। অসমত এতিয়া আগতকৈ উগ্ৰপন্থীৰ কাৰ্য্যকলাপ বন্ধ হৈছে। কিন্তু নতুন নতুন কিছুমান ঘটনা ডেভেলপ হৈছে। আগতে অসমত হত্যা ধৰ্ষণ আদি দুই-এটা বিক্ষিপ্ত ঘটনা হৈছিল। কিন্তু এতিয়া যদি যোৱা ২০ ফেব্ৰুৱাৰীৰ পৰা ২২ ফেব্ৰুৱাৰীলৈ বাতৰি কাকত চোৱা হয়, মই এই বিষয়ত বহুত অধ্যয়ন কৰিছিলো আৰু যোৱা দুদিনত অসমত এনেকুৱা কিছুমান ঘটনা দেখিবলৈ পোৱা গৈছে, যেনে-মাজুলীৰ দক্ষিণ পাট পঞ্চায়তৰ চেক্ৰেটাৰীক তিনিজনে আক্ৰমণ কৰি গাৰ মাংস কামুৰি পেলাইছে। দ্বিতীয় দিনা ডিব্ৰুগড়ত এগৰাকী মহিলা চিকিৎসকৰ ঘৰত তিনিজন দুৰ্বৃত্তই সোমাই গৈ আক্ৰমণ কৰে আৰু তেখেতৰ কানখন কামুৰি পেলায়। নুনমাটিত ক্ষতবিক্ষত দেহ এটা চোতালতে দুৰ্বৃত্তই পেলাই থৈ গৈছে। টিয়কত এজন বন্ধুৱে আন এজন বন্ধুক হত্যা কৰি তেওঁৰ মূৰটো কাটি মোনাত ভৰাই নিজেই থানাত উপস্থিত হ'ল। এতিয়া এচাম মানুহে বনৰীয়া জন্তুৰ নিচিনাকৈ এজনে আনজনক আক্ৰমণ কৰিবলৈ আৰম্ভ কৰিছে। আপোনালোকৰ চৰকাৰৰ দিনত এতিয়া এনেকুৱা ধৰণৰ পৰিৱেশৰ সৃষ্টি হৈছে। ৰাজ্যপাল মহোদয়ৰ ভাষণত যিটো কথা চৰকাৰে উল্লেখ কৰিব লাগিছিল বা যেনেকৈ উল্লেখ কৰিব লাগিছিল তেনেধৰণে উল্লেখ কৰা নাই। লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জন্ম জয়ন্তী আপোনালোকে তিনিদিনীয়াকৈ দিল্লীত পালন কৰিছে, সেইটো ভাল কথা। চৰাইদেউ মৈদামৰ কাৰণে আপোনালোকে চেষ্টা কৰিছে, সেইটোও ভাল কথা। কিন্তু অসমৰ চাহ উদ্যোগে এই বছৰত ২০০ বছৰত ভৰি দিছে। অসমৰ চাহ উদ্যোগৰ লগত অৰ্থনীতি আৰু বিশ লাখ মানুহৰ কৰ্ম সংস্থাপনৰ কথা জড়িত হৈ আছে। এই চাহ উদ্যোগটো জাক-জমক কৰিবলৈ ৰাষ্ট্ৰীয় বা আন্তঃৰাষ্ট্ৰীয় চেমিনাৰৰ কোনো ব্যৱস্থা কৰা নাই। এইটো চৰকাৰে কৰিব লাগিছিল। আজি চৰাইদেউ আৰু লাচিত বৰফুকনৰ কথাটো সংস্কৃতিত পৰে। কিন্তু চাহ উদ্যোগটো অৰ্থনীতিত পৰে। অসমখন চলিবলৈ হ'লে অৰ্থনীতিৰ প্ৰয়োজন হ'ব। এই ক্ষেত্ৰত চাহ উদ্যোগৰ এটা বিশেষ অৰিহণা আছে। ৰাজ্যপালৰ ভাষণত এই বিষয়ে চমুকৈ উল্লেখ কৰা হৈছে, কিন্তু ইয়াৰ ওপৰত চৰকাৰে ল'বলগীয়া আঁচনিৰ কথা একো উল্লেখ নাই। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া মাননীয় সদস্য গোবিন্দ বসুমতাৰী ডাঙৰীয়াই কওঁক।

**শ্ৰীগোবিন্দ বসুমতাৰী, (ওদালগুৰি)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ১০ তাৰিখে অসমৰ মাননীয় ৰাজ্যপাল মহোদয়ে যি ভাষণ ৰাখিলে, তাৰ সপক্ষে মই কেইআষাৰমান ক'বলৈ ওলাইছো। তেখেতৰ ভাষণত অসমৰ যোৱা বছৰৰ যিখিনি সাফল্য তাৰ লগতে অসম চৰকাৰে ভৱিষ্যতে কি কাৰ্য্যসূচী ল'ব তাৰ ওপৰত আলোকপাত কৰিছে। সেইখিনিৰে কেইটামান মাত্ৰ বিষয় উল্লেখ কৰিব বিচাৰিছো। তেখেতৰ ভাষণত দফা তিনিত বিশেষকৈ লাচিত বৰফুকনৰ কথা উল্লেখ কৰিছে যে অসম চৰকাৰে লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জন্ম বাৰ্ষিকী দিল্লীত উদ্‌যাপন কৰিছে। তেওঁৰ নাম প্ৰচাৰ কৰাৰ লগতে গোটেই বিশ্বতে তেওৰঁ নাম আৰু বীৰত্ব প্ৰচাৰ কৰাৰ প্ৰয়াস কৰিছে আৰু সফলতাও লাভ কৰিছে। লাচিত বৰফুকনৰ ওপৰত ২৪.৯৪ লাখ Write up, এনেদৰে লিখনিত প্ৰকাশ কৰি আমি লাচিত বৰফুকনক গীনিজ বুকত লিপিবদ্ধ কৰিবলৈ সক্ষম হৈছো। মাননীয় ৰাজ্যপাল মহোদয়ৰ বক্তব্যত আৰু এটা কথা উল্লেখ আছে যে ৬০০ বছৰীয়া অসম ৰাজত্বৰ স্মৃতি হিচাপে অসমত যি আহোম ৰজাসকলৰ মৈদাম আছে, সেইখিনি যুগমীয়া কৰি ৰাখিবৰ বাবে এটা

প্ৰচেষ্টা চলাইছে আৰু এই প্ৰচেষ্টা মতে ইউনেস্কোৰ অধীনত The World Heritage হিচাপে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। বৰ্তমানৰ চৰকাৰৰ প্ৰচেষ্টাত এইখিনি হোৱা মাননীয় ৰাজ্যপাল মহোদয়ৰ ভাষণত উল্লেখ কৰা হৈছে। এই কথাখিনি আমাৰ অসমৰ বাবে গৌৰৱৰ কথা। তেখেতৰ কথাত আৰু এটা কথা উল্লেখ কৰিছে যে অসমৰ বাপতি সাহোন যি ৰঙালী বিহু তাক বিশ্বৰ বিভিন্ন ঠাইত সুদূৰ-প্ৰসাৰী কৰিবলৈ অসম চৰকাৰে যি প্ৰচেষ্টা হাতত লৈছে, বিশেষকৈ অহা ১৪ এপ্ৰিলত প্ৰায় ১০ হাজাৰ নাচনীয়ে একেলগে অংশ গ্ৰহণ কৰিব। ইয়াৰ জৰিয়তে বিহুক বহল ভাৱে প্ৰচাৰ কৰা হৈছে আৰু গীনিজ বুক অব ৱৰ্ল্ড ৰেকৰ্ডত ৰেকৰ্ড কৰাৰ যি এক প্ৰচেষ্টা হাতত লোৱা হৈছে, এই কথাখিনি উল্লেখ কৰা হৈছে। আমি আশা কৰো সফলতাৰে এইখিনি কৰিব আৰু অসমৰ বাপতি সাহোন ৰঙালী বিহুক গোটেই বিশ্বৰ মানুহে জানিবলৈ সক্ষম হ'ব। বিহু যে অসমীয়াৰ জাতীয় পৰিচয় সেই কথাটোও আমি প্ৰচাৰ কৰিব পাৰিম। তেখেতৰ বক্তব্যত অসমৰ বিভিন্ন উন্নয়নৰ দিশ উন্মোচন কৰা হৈছে, বিশেষকৈ শিক্ষাৰ ক্ষেত্ৰত অসমে যোৱা কেইবা বছৰে কিমানখিনি আগবাঢ়িব পাৰিছে। অসমত প্ৰতিখন জিলাতে মেডিকেল কলেজ গঠন কৰাৰ যি প্ৰচেষ্টা লোৱা হৈছে সেই কথাখিনি উল্লেখ কৰা হৈছে। কেইবাখনো নতুনকৈ বিশ্ববিদ্যালয় স্থাপন কৰাৰ কথা ইয়াত উল্লেখ কৰা হৈছে। শিক্ষানুষ্ঠানসমূহত পৰিৱৰ্তন অনাৰ কথাই অসম আগুৱাই যোৱাৰ কথা প্ৰচাৰ কৰিছে। এই অসমত শিক্ষা ব্যৱস্থা আজিৰ পৰা দহ বছৰ আগতে যেনেকুৱা আছিল, তাতকৈ বহুখিনি পৰিৱৰ্তন হৈছে। মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত বৰ্তমানৰ চৰকাৰে অসমৰ শিক্ষা ব্যৱস্থাত পৰিৱৰ্তন আনিবৰ বাবে কাম কৰি আছে। অসমৰ আন্তঃগাঁথনিৰ সমস্যাসমূহ সমাধান কৰাৰ বাবে নতুন নতুন আঁচনি তেখেতে প্ৰচাৰ কৰিছে আৰু ইয়াৰ জৰিয়তে শিক্ষাৰ ক্ষেত্ৰত নতুন দিশ আনিবৰ কাৰণে প্ৰচেষ্টা কৰা দেখা গৈছে। অসমৰ এশ বছৰতকৈ অধিক হোৱা শিক্ষানুষ্ঠানসমূহক Heritage Institution হিচাপে গঠন কৰাৰ এটা প্ৰচেষ্টা এই চৰকাৰে আৰম্ভণিতে প্ৰচাৰ কৰিছে আৰু পৰৱৰ্তী বিত্তীয় বৰ্ষৰ পৰা যিমানখিনি হাইস্কুল আৰু হাইয়াৰ চেকেণ্ডাৰী স্কুল আছে, তাৰ আন্তঃগাঁথনিসমূহ নতুনকৈ বনোৱাৰ কথা প্ৰচাৰ কৰিছে। আমি আশা কৰো যে আমাৰ চৰকাৰৰ উদ্যোগতাত আমি গোটেই আঁচনিসমূহ সফলভাৱে ৰূপায়ণ কৰিব পাৰিম। ইয়াৰ জৰিয়তে অসমৰ শিক্ষানুষ্ঠান সমূহৰ অন্ততঃ নতুন ৰূপায়ণ ঘটিব। অসমৰ পাহাৰীয়া জিলা কাৰ্বি আংলং আৰু নৰ্থ কাছাৰ হিলচ শিক্ষানুষ্ঠানৰ ক্ষেত্ৰত যথেষ্ট পিচপৰা আছিল। কিন্তু তাত কাৰিকৰী দিশটো আগুৱাই নিবৰ বাবে কাৰ্বি আংলঙত আমাৰ মেডিকেল কলেজৰ লগতে ৰিৰ্চাচ চেণ্টাৰ এটা গঠন কৰাৰ সিদ্ধান্ত এই বক্তব্যত উল্লেখ পাইছো। ইয়ে আমাৰ কাৰ্বি আংলঙত থকা ৰাইজক যথেষ্ট সকাহ দিব। তেওঁলোকে কাৰিকৰী আৰু চিকিৎসা বিজ্ঞানত শিক্ষা ল'বলৈ সুযোগ পাব। .অসমৰ বৰ্তমান চৰকাৰ স্থাপন হোৱাৰ পিছতেই প্ৰতিটো সমষ্টিতে নতুনকৈ road connectivity development কৰাৰ এটা প্ৰস্তাৱ দিছিল। সেইমতে, যোৱা বছৰ আমি প্ৰতিটো সমষ্টিতে ৪৫ কিঃমিঃকৈ ৰাস্তা পকীকৰণৰ ব্যৱস্থাখিনি পাইছিলো। তাৰ পৰা অন্যান্য দিশত উন্নয়নৰ প্ৰস্তাৱ পাইছিলো। বিশেষকৈ আমাৰ বি.টি.এ.ডি অঞ্চলত মাননীয় মুখ্যমন্ত্ৰীৰ অনুগ্ৰহ বুলিয়েই কওঁক বা আশীৰ্বাদেই কওঁক, আমি 'Good Will Mission' নামৰ এটা আঁচনিৰ জৰিয়তে প্ৰায় ৩০০ কিঃমিঃ ৰাস্তা আমি গঠন কৰিবলৈ সক্ষম হৈছো। এতিয়াও বহুখিনি কাম বি.টি.এ.ডি অঞ্চলত কৰিবলৈ আছে। নদ-নদী থকাৰ বাবে দলং নিৰ্মাণ কৰাৰ সমস্যাটো আছে। অহা দিনবোৰত এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিবলৈ মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। অসমত চাহ খেতি ২০০ বছৰ আগতেই আৰম্ভ হৈছিল। এই কথাখিনি আমি ৰাজ্যপাল মহোদয়ৰ বক্তব্যত পাইছো।

২০০ বছৰ অতীত হৈ যোৱাৰ পিছতো চাহ বাগিচা অঞ্চল এতিয়াও পিছ পৰি আছেই। এই পিছপৰা অঞ্চলখিনি উন্নত কৰিবলৈ মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত যোৱা বছৰ চাহ -বাগিচা সমূহত ১০০খন মডেল স্কুল নিৰ্মাণৰ প্ৰস্তাৱ আমি পাইছিলো আৰু ইতিমধ্যে ই আৰম্ভও হ'ল। এই বছৰ হয়তো নতুনকৈ মডেল স্কুল আৰম্ভ হ'ব। মই সুখী যে মোৰ সমষ্টিত ৩ খন চাহ-বাগিচাত মডেল স্কুল পাইছো তাৰ বাবে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক মই ধন্যবাদ দিছো। নতুনকৈ আৰু এখন মডেল স্কুল দিয়াৰ প্ৰস্তাৱ আহিছে, তাৰ বাবেও মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো। ইয়াৰোপৰি , বাগানসমূহত PWD ৰ তৰফৰ পৰা নতুনকৈ ৰাস্তা বনোৱাৰ কথা আমাক ইতিমধ্যে জনাইছে। আমি সুখী হৈছো যে বাগান সমূহত ৰাস্তাৰ যথেষ্ট সমস্যা আছে আৰু এতিয়া এই সমস্যাবোৰ সমাধান কৰিবলৈ অন্ততঃ প্ৰতিটো সমষ্টিত ১০ কিঃমিঃকৈ ৰাস্তা দিয়াৰ প্ৰস্তাৱ আমি মাননীয় মুখ্যমন্ত্ৰীৰ পৰা পাইছো। অহা বছৰ অন্ততঃ ১০ কিঃমিঃ ৰাস্তা ৰাস্তা বনাব পাৰিলে ভাল হ'ব। মোৰ সমষ্টিত ৬খন বাগান আছে। তাত আমি অলপ হ'লেও পথ নিৰ্মাণ কৰি ৰাইজক সকাহ দিব পাৰিম। ইয়াৰোপৰি, এইবাৰ মোৰ সমষ্টিৰ বাগানসমূহৰ উন্নয়নৰ বাবে মাননীয় Tea Welfare Minister ৰ তৰফৰ পৰা ৪ টা Community Hall cum Skill Development Centre হিচাপে আগবঢ়াইছে, তাৰ বাবে মই মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। এনেকুৱা কাৰ্য্যৰ জৰিয়তে আমাৰ চাহ-বাগিচা অঞ্চলত বসবাস কৰা পিছপৰা জনগোষ্ঠীক আমি আগবঢ়াই নিব পাৰিম। অসমৰ সামগ্ৰিক উন্নতি হ'ব লাগিলে, অসমত বসবাস কৰা প্ৰত্যেক জাতি-জনগোষ্ঠীৰ উন্নতি হ'ব লাগিব। আৰ্থ-সামাজিক ভাৱে তেওঁলোকে সবল হ'ব লাগিব। এই কথা দুটা সোঁৱৰণ কৰি আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই গোটেই দিশটো আগুৱাই নিয়াৰ বাবে এইখিনি কাম কৰিছে। যোৱা বছৰ মুখ্যমন্ত্ৰী মহোদয়ে Tea Tourism development ৰ কথা ঘোষণা কৰিছিল। আমি আশা কৰিছো, Tea Tourism development ৰ জৰিয়তে চাহ-বাগিচাত বসবাস কৰা ৰাইজ তথা চৰকাৰো উপকৃত হ'ব। ইয়াৰ লগত সম্পৰ্ক ৰাখি আমাৰ বি.টি.এ.ডি অঞ্চলৰ মাজবাট সমষ্টি, পানেৰী সমষ্টি, ওদালগুৰি সমষ্টিত যথেষ্ট চাহ-বাগিচা আছে। এই গোটেই বাগিচাবোৰত Tea Tourism development কৰাৰ এটা সুবিধা আছে আৰু সেই সুবিধাখিনি সদ্ ব্যৱহাৰ কৰি আমাৰ চৰকাৰ যাতে এই তিনিটা সমষ্টিৰ বিভিন্ন বাগানবোৰত Tourism Centre, Tourism House বা Guest House স্থাপন কৰে, তেন্তে আমাৰ স্থানীয় ৰাইজ উপকৃত হোৱাৰ লগতে চৰকাৰো যথেষ্ট উপকৃত হ'ব আৰু Tourist আকৰ্ষণ কৰাৰ স্থল এটা আমি দেখিবলৈ পাইছো আৰু ইয়াৰ যাতে সদ্ব্যৱহাৰ হয় তাৰ বাবে অনুৰোধ কৰিছো। অসম চৰকাৰক ধন্যবাদ দিছো যে অসমৰ লগতে ভাৰতীয় নাগৰিক যিবোৰ অসমত বসবাস কৰে, আটাইবোৰে এডোখৰ ঘৰ বনাই থাকিবৰ বাবে ভূমিৰ ব্যৱস্থা পোৱা যায় এই কথা চিন্তা কৰি মিছন বসুন্ধৰা এই চৰকাৰে আৰম্ভণ কৰিছিল আৰু ইয়াৰ জৰিয়তে খিলঞ্জীয়া জনগোষ্ঠীক আৰু ভাৰতীয় নাগৰিকসকলক ভূমি দিয়াৰ ব্যৱস্থা কৰিছে। যোৱা বছৰটোত বহুতেই ভূমিৰ অধিকাৰ পাবলৈ সক্ষম হ'ল। বিশেষকৈ অসমৰ জনগোষ্ঠীৰ প্ৰায় ৯০% মানুহেই খেতিয়ক আৰু খেতিয়কসকলৰ কাৰণে ভূমিৰ অধিকাৰ পোৱা অতি প্ৰয়োজন। এই ক্ষেত্ৰত মোৰ মাত্ৰ এটাই অনুৰোধ যে মিছন বসুন্ধৰা ৰূপায়ণ কৰোতে 6th Schedule ৰ ভূমি আইন আৰু অসমৰ Chapter X, Assam Land & Revenue Regulation Act, *1885* (1886) ৰ Amendment *1847* (1947), এই কথাটো লক্ষ্য ৰাখি ভূমি বিতৰণ কৰাৰ ক্ষেত্ৰত ব্যৱহাৰ কৰে। তাৰ বাবে মই অনুৰোধ কৰিছো। ট্ৰাইবেল সকলৰ ভূমি অধিকাৰ যাতে খৰ্ব নহয়, 6th Sched-

ule land ৰ অধিকাৰ যাতে খৰ্ব নহয়, সেই কথাখিনি যাতে লক্ষ্য ৰাখে। মাননীয় ৰাজ্যপাল মহোদয়ৰ বক্তব্যত আৰু এটা কথা স্পষ্টকৈ লিখা আছে, সেইটো হ'ল- সামাজিকভাৱে যিবোৰ দুৰ্বল, তেওঁলোকক চৰকাৰীভাৱে সাহাৰ্য্য কৰাৰ যি ব্যৱস্থা আছিল, তাৰ ভিতৰত অসম চৰকাৰে সমস্যাবোৰ দূৰ কৰাৰ বাবে যিখিনি ব্যৱস্থা লৈছিল যেনে অৰুণোদয় আঁচনিৰ জৰিয়তে অসমৰ যিসকল বিধৱা মহিলা বা বিবাহৰ বয়স পাৰ হৈ যোৱা মহিলা সকলক সকাহ দিয়া হৈছে। এই কাৰ্য্যখিনি এতিয়াও চলি আছে, সমাপ্ত হোৱা নাই। মোৰ সমষ্টিত প্ৰায় ১৫০০০ লোক অৰুণোদয় আঁচনিপ্ৰাপ্ত হ'ব লাগিছিল, কিন্তু, যোৱা বছৰ কিছু খেলি-মেলিৰ কাৰণে হোৱা নাছিল। মই আশা কৰো এইবাৰ সম্পন্ন হ'ব আৰু ৰাজ্যপাল মহোদয়ৰ বক্তব্যত যিখিনি উল্লেখ কৰিছে, এই গোটেইখিনিৰ সমৰ্থনত মই মোৰ বক্তব্য দাঙি ধৰিছো আৰু আমাৰ যিখিনি সমস্যা আছে, তাৰে যিখিনি ৰাজ্যপাল মহোদয়ৰ বক্তব্যত উল্লেখ হোৱা নাই, সেইখিনিও আমাৰ অসম চৰকাৰে যাতে কৰে তাৰ বাবে অনুৰোধ ৰাখি মই মোৰ বক্তব্য সামৰিছো।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। মাননীয় সদস্য নুৰুল হুদা।

(শ্ৰী নুৰুল হুদা সদন কক্ষত অনুপস্থিত)

মাননীয় সদস্য শ্ৰী পৃথিৰাজ ৰাভা।

**শ্ৰী পৃথিৰাজ ৰাভা, (তেজপুৰ)ঃ** যোৱা ১০ তাৰিখে এই সদনত অসমৰ মহামহিম ৰাজ্যপাল মহোদয়ে বাজেট অধিবেশনৰ প্ৰাক্ক্ষণত যি বক্তব্য দাঙি ধৰিলে সেই বক্তব্যৰ সমৰ্থনত মোক দু-আষাৰ ক'ব দিয়াৰ বাবে মই উপাধ্যক্ষ মহোদয়ক ধন্যবাদ জনাই মোৰ বক্তব্যৰ আৰম্ভ কৰিব বিচাৰিছো। মহামহিম ৰাজ্যপালৰ বক্তব্যৰ যিখন পুথি আমাৰ হাতত দিছে, এই পুথিখনেই হৈছে এইখন চৰকাৰৰ আইনা। এইখন চৰকাৰে যি যি উন্নয়নমূলক কাম কৰিছে, দেশ, ৰাজ্য, সমাজৰ বাবে যি যি কাম কৰিবলৈ আগবাঢ়ি আহিছে বা কাম কৰিছে এইখনেই হ'ল তাৰ সাক্ষী। এইখিনি কথাকে আলোচনা কৰিবলৈ আমি উপস্থিত হৈছো। অসমৰ বিষয়ে ক'বলৈ গ'লে মাননীয় ৰাজ্যপাল ডাঙৰীয়াই তেখেতৰ বক্তব্যৰ শেষৰ ফালে পঢ়িছে যে - স্বাধীনতাৰ পৰৱৰ্তী ছয় দশকজোৰা কালত অসমে যি সমস্যা ভূগিছিল সেই সমস্যাৰ কথা আমি যদি আলোচনা কৰিব যাওঁ তেনেহ'লে আমাৰ ভাষা, আমাৰ সাহিত্য, আমাৰ ভূমি, আমাৰ অধিকাৰ অসমৰ মানুহে যেতিয়াই বিচাৰিছিল তেতিয়াই অসমীয়া মানুহে সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছিল, মাৰ- কিল খাবলগীয়া হৈছিল। বছৰ বছৰ জোৰা আমাৰ ভাষা হেৰাই যাব খুজিছিল। আকৌ আমি আমাৰ ভাষাক ঘূৰাই আনি সেই ভাষাক প্ৰতিষ্ঠিত কৰিছো অসমীয়া ভাষা হিচাপে। আমাক ৰিফাইনেৰী লাগে তাৰবাবে আন্দোলন কৰিবলগীয়া হৈছিল, দলং লাগে,তাৰ বাবে আন্দোলন কৰিবলগীয়া হৈছিল, যিকোনো উন্নয়ণমূলক কাম-কাজ কৰিবৰ বাবে আন্দোলন কৰিবলগীয়া হৈছিল। আন্দোলন নকৰাকৈ আমাৰ অসমত কোনো ধৰণৰ উন্নয়ণ প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হোৱা নাছিলো। তাকেই বক্তব্যত দাঙি ধৰা হৈছে আৰু এইখন চৰকাৰ যি আমি মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত তদানিন্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ নেতৃত্বত যিখন চৰকাৰ চলাই আছো আৰু বৰ্তমান ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত যিখন চৰকাৰ চলাই আছো তাত যি উন্নয়ণৰ কথা কোৱা হৈছে সেইখিনিয়ে ইয়াত প্ৰতিফলিত হৈছে।

বিভিন্ন ক্ষেত্ৰত আমি যদি পিছৰ ফালৰ পৰা চাব যাঁও, শক্তিখণ্ডৰ ক্ষেত্ৰত কোৱা হৈছে যে এতিয়া আমাৰ বিজুলী ব্যৱস্থাটো আগতকৈ বহুত আগবঢ়া। ইয়াত কৈছে যে গ্ৰাম্য এলেকাত ২২ ঘন্টালৈ আৰু নগৰীয়া এলেকাত ২৩ ঘন্টালৈ বৃদ্ধি পাইছে। ইয়াৰ আগতে আমি এই

বিজুলী পাবলৈ সক্ষম হোৱা নাছিলো। এতিয়া বহুত উন্নত হৈছে। আমাৰ দীন দয়াল উপাধ্যায় গ্ৰাম জ্যোতি যোজনাৰ কথা কোৱা হৈছে আৰু সৌভাগ্য আচঁনিৰ কথা কোৱা হৈছে, যাৰ জৰিয়তে গ্ৰাম্যাঞ্চলত আমি বিজুলী দিবলৈ সক্ষম হৈছো। ঠিক সেইদৰে সৌৰ শক্তি উৎপাদনৰ ক্ষেত্ৰতো আমি ৩০০০ মেগাৱাট সৌৰ শক্তি উৎপাদন কৰিবলৈ সক্ষম হ'ব গৈ আছো। যাৰকাৰণে ইতিমধ্যে বিভিন্ন ঠাইত সৌৰশক্তি প্ৰকল্প হাতত লোৱা হৈছে। এই প্ৰকল্পৰ দ্বাৰা আমি অদূৰ ভৱিষতে সৌৰশক্তিৰ পৰা আমি বিজুলী সংগ্ৰহ কৰিবলৈ সক্ষম হ'ম।

ইয়াত যুৱ সৱলীকৰণৰ কথা কোৱা হৈছে। এই যুৱ সৱলীকৰণৰ কথা ক'বলৈ যাওঁতে ITI, আমাৰ উদ্যমিতা, উদ্যোগ আৰু দক্ষতাৰ কথা কোৱা হৈছে যে আমাৰ ল'ৰা-ছোৱালীসকলক কেনেধৰণে আমি উন্নত কৰিব পাৰো। মাননীয় মন্ত্ৰী মহোদয় আছে, জয়ন্ত মল্ল বৰুৱা ডাঙৰীয়াৰ নেতৃত্বত ইতিমধ্যে ASDM ৰ জৰিয়তে অসমৰ বিভিন্ন ঠাইত আমাৰ ল'ৰা-ছোৱালীক কেনেকৈ দক্ষ কৰিব পাৰি বিভিন্ন বিষয়ত আৰু দক্ষ কৰি কেনেকৈ তেখেতসকলক বিভিন্ন কাম-কাজত লগাব পাৰি। ইয়াত এইটো কথাও কোৱা হৈছে যে ইয়াত অকল হিন্দুয়ে শিক্ষা ল'ব বা অকল মুছলমানে শিক্ষা ল'ব বা অকল খৃষ্টানে শিক্ষা ল'ব এই কথাখিনি কোৱা হোৱা নাই। তাত অসমৰ প্ৰতিটো জাতি, প্ৰতিটো ধৰ্মাৱলম্বী লোকে এই শিক্ষা গ্ৰহণ কৰিব পাৰিব। অসমৰ ব্লক লেবেললৈকে এই শিক্ষা প্ৰসাৰিত কৰা হ'ব।

ঠিক সেইদৰে যুৱ কল্যাণৰ ক্ষেত্ৰত কোৱা হৈছে, খেলাৰ ক্ষেত্ৰত Stadium ৰ কথা কোৱা হৈছে। আমি Stadium বনাই গৈ আছো, আমাৰ ল'ৰা-ছোৱালী খেলাৰ ক্ষেত্ৰত আগবাঢ়ি গৈ আছে। অসমৰ বিভিন্ন খেলত যোগদান কৰা আমাৰ ল'ৰা-ছোৱালীয়ে ভাৰতবৰ্ষৰ বিভিন্ন প্ৰতিযোগীতাত গৈ অংশগ্ৰহণ কৰি পুৰস্কাৰ বুটলিবলৈ সক্ষম হৈছে। আৰু এইখিনি কথাও কোৱা হৈছে যে যিসকল ল'ৰা-ছোৱালীয়ে বা যিসকল খেলুৱৈয়ে ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ খেলত মেডেল লাভ কৰিব তেখেত সকলক চাকৰি দিয়াৰ ব্যৱস্থাৰ বিষয়েও কোৱা হৈছে। আনকি যিসকল চাকৰিয়ালে এনেধৰণৰ খেলত যোগদান কৰি মেডেল লাভ কৰিব তেখেতসকলক পদোন্নতিৰ কথাও কোৱা হৈছে। মহিলাৰ সৱলীকৰণৰ ক্ষেত্ৰতো কোৱা হৈছে। শিশুৰ বিকাশৰ ক্ষেত্ৰতো কৈছে যে ইয়াত অংশ হিচাপে সংহত শিশু উন্নয়ণ সেৱা আঁচনিৰ পৰিপূৰক পৰিপুষ্টি কাৰ্য্যসূচী SNP ৰ অধীনত ২০২২-২৩ বিত্তীয় বৰ্ষত ৩৭,৪০,৫৭২ হিতাধিকাৰী সাঙুৰি লোৱা হৈছে। পোষন অভিযান কৰা হৈছে। আনকি এইটো কথাও কোৱা হৈছে যে যিসকল আমাৰ বিধায়ক আছে তেওঁলোকেও প্ৰতিটো দুখীয়া, পুষ্টিহীনতাত ভোগা শিশুসকলক adopt কৰিবলৈ কোৱা হৈছে আৰু ইতিমধ্যে আমি সেই ব্যৱস্থা গ্ৰহণ কৰিছো। হয়তো আমাৰ বহুতো বিধায়কে এই ব্যৱস্থাত অংশগ্ৰহণ কৰিছে। অঙ্গনবাড়ী কেন্দ্ৰৰ কথা কোৱা হৈছে। ইতিমধ্যে আমি অসমৰ বিভিন্ন ঠাইত অঙ্গনবাড়ী কেন্দ্ৰ স্থাপন কৰিছো। ৮০০ টাৰ নিৰ্মাণ ইতিমধ্যে সম্পূৰ্ণ হৈছে, ৯৯৯ টা মঞ্জুৰীকৃত আদৰ্শ অঙ্গনবাড়ী কেন্দ্ৰৰ ভিতৰত। দ্বিতীয় পৰ্য্যায়ত আমি আকৌ অঙ্গনবাড়ী কেন্দ্ৰ নিৰ্মাণ কৰিবলৈ আমি আগবাঢ়ি গৈ আছো।

ঠিক তেনেকৈ, আমি যদি চাঁও স্বাস্থ্যৰ ক্ষেত্ৰত অসমৰ বিভিন্ন গ্ৰাম্যাঞ্চলত বা চহৰ অঞ্চলত hospital, উপ-স্বাস্থ্য কেন্দ্ৰ আনকি মেডিকেল কলেজ নিৰ্মাণ কৰিবলৈ অসম চৰকাৰে পিছ পৰি থকা নাই। নগাঁও, কোকৰাঝাৰ প্ৰমুখ্যে শেহতীয়াভাৱে তিনিখনকৈ আমাৰ মেডিকেল কলেজ নিৰ্মাণ কৰিবলৈ গৈ আছে, য'ত আমাৰ আসন বৃদ্ধি হ'ব ১৫০০। এই আসন বৃদ্ধি হোৱাৰ লগে-লগে আমাৰ অতিৰিক্ত ১৫০০ ডাক্তৰ সৃষ্টি হোৱাৰ লগে-লগে অসমৰ স্বাস্থ্য

খণ্ডত গ্ৰাম্যাঞ্চলত বা চহৰ অঞ্চলত থকা ৰাইজে সুবিধা লাভ কৰিবলৈ সক্ষম হ'ব। ঠিক তেনেকৈ আমি যদি শিক্ষাখণ্ড চাঁও, এই ক্ষেত্ৰত আমি লক্ষ্য কৰিছো যে শিক্ষাৰ ক্ষেত্ৰত ত্ৰুটি হয় বা বিজুতি ঘটে কিন্তু তাক আমি অতিক্ৰম কৰিবলৈ চেষ্টা কৰিছো। যাৰকাৰণে আমি শিক্ষাখণ্ডত বিশেষকৈ প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত প্ৰতিটো সমষ্টিত আমি দুটাকৈ কোঠালি নিৰ্মাণ কৰিবলৈ গৈ আছো। মই দেখিছো যে আমাৰ গ্ৰামাঞ্চলত যিবিলাক শিক্ষানুষ্ঠান আছে বিশেষকৈ প্ৰাইমেৰী- হাইস্কুল লেবেলত দেখা যায় যে স্কুললৈ যেতিয়া সোমবাৰ, মঙ্গলবাৰ, বুধবাৰ, বৃহস্পতিবাৰ এই চাৰিটা দিনত কিছুমান স্কুলত এনেকুৱা এটা অৱস্থা হৈছে য'ত যিসমূহ ল'ৰা-ছোৱালীয়ে আগতে স্কুলকৈ গৈ পায়, তেওঁলোকে শ্ৰেণীত বহিবলৈ পায় আৰু পিছত যোৱা লৰা-ছোৱালীখিনিয়ে বহিবলৈ বেঞ্চ নাপায়। তেওঁলোকে ঠিয় হৈ থাকিব লগা হয় ৪৫ মিনিট সময়। তাক বৃদ্ধি কৰিবলৈ চেষ্টা কৰি থকা হৈছে, ডেক্স-বেঞ্চ দিবলৈ চেষ্টা কৰি থকা হৈছে। আনকি ক্ৰীড়াৰ ক্ষেত্ৰতো আমাৰ যিকেইখন স্বায়ত্ব শাসিত পৰিষদ আছে বিশেষকৈ কাৰ্বি আংলং আৰু ডিমা হাচাও, তেওঁলোক আজি ইমানদিনে ইমান তলত আছিলে যে আমি ভাৱিব নোৱাৰো। তেওঁলোকৰ ৰাস্তা-ঘাট, শিক্ষা আদি একোৱেই নাছিল। কাৰ্বি আংলঙৰ বিশেষকৈ পশ্চিম কাৰ্বি আংলং, বৈঠা লাংচু, হামৰেঙৰ পৰা আৰম্ভ কৰি ঠাই সমূহ অতি দুৰ্গম আছিল। এই কাৰ্বি আংলঙ, ডিমা হাচাওক উন্নত কৰিবলৈ আজি চৰকাৰে যি ব্যৱস্থা গ্ৰহণ কৰিছে, যাতায়তৰ যি ব্যৱস্থা গ্ৰহণ কৰিছে ইয়াৰ আগতে সেয়া হোৱা নাছিল। গতিকে মই বেছি দীঘলীয়া কৰিব খোজা নাই আৰু সৰু সৰু কিছুমান কথা আছে যে চৰাইদেউ হেৰিটেজ হ'ব , লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জন্ম জয়ন্তী পাতিলো , তাত ৰচনা প্ৰতিযোগীতাত অংশগ্ৰহণ কৰি ৰেকৰ্ড ব্ৰেক কৰিছে। এইবিলাক কথা ক'লে বহুত দীঘলীয়া হ'ব। গতিকে এই কম সময়ত এইখিনি কথা ক'বলৈ দিয়াৰ কাৰণে মই মাননীয় এই সদনৰ অধ্যক্ষ মহোদয় আৰু উপাধ্যক্ষ মহোদয়ক অভিনন্দন জ্ঞাপন কৰিছো। অভিনন্দন জ্ঞাপন কৰিছো মোৰ সকলো সতীৰ্থ বিধায়কক আৰু মহামহিম ৰাজ্যপালে যি ভাষণ প্ৰদান কৰিলে সেই ভাষণৰ সপক্ষে মোৰ বক্তৃতাৰ ইমানতে সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী মনোৰঞ্জন তালুকদাৰ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি ৰাজ্যপালৰ ভাষণৰ সমৰ্থনত যিখন প্ৰস্তাৱ উত্থাপন কৰিছে মই তাৰ বিৰোধীতা কৰিছো। এই প্ৰতিবেদনত বা তেওঁৰ ভাষণত আমাৰ ৰাজ্যখনৰ সামগ্ৰিক চিত্ৰ পৰিস্ফুট হৈছে বুলি মই ভৱা নাই। কাৰণ এটা বিশেষ বিষয়লৈ মই আঙুলিয়াব বিচাৰিছো যে যিটো দ্ৰব্য মূল্য বৃদ্ধিৰ সমস্যা বা price rise এই বিষয়টো ৰ কোনো উল্লেখ তেওঁৰ ভাষণত নাই। Price rise ৰ ক্ষেত্ৰত আমাৰ মনত পৰে যে ২০১৪ চনৰ আগতে স্মৃতি ইৰাণীৰ পৰা আমাৰ প্ৰশান্ত ফুকনলৈকে খালি চিলিণ্ডাৰ দেখুৱাই দেখুৱাই বহু হুলস্থুৰ কৰা হ'ল আৰু ক্ষমতালৈ আহিলে মুল্যবৃদ্ধি ৰোধ কৰা হ'ব ছল্লিশ শতাংশলৈ বুলি বহু প্ৰতিশ্ৰিুতি দিয়া হ'ল কিন্তু আজি ৪১০ টকাৰ চিলিণ্ডাৰৰ দাম ১২০০ টকা অতিক্ৰম কৰিছে । আজি প্ৰতিটো প্ৰয়োজনীয় সামগ্ৰীৰ দাম বৃদ্ধি পাইছে । ঔষধৰ দাম ভাবিব নোৱাৰাকৈ বৃদ্ধি হৈছে । যাৰ ফলত মানুহৰ জীৱন নিৰ্ব্বাহ কঠিন হৈছে । এই ক্ষেত্ৰত চৰকাৰৰ কি কৰণীয় আছে এইটো তেখেতৰ বক্তব্যত অস্পষ্ট কিন্তু আমাৰ বক্তব্য খুৱেই স্পষ্ট উপাধ্যক্ষ মহোদয়। যদি ৰাজহুৱা বিতৰণ ব্যৱস্থাটো যদি সাৰ্ব্বজনীন কৰিলেহেঁতেন বা নিত্য প্ৰয়োজনীয় ১৬ বিধমান সামগ্ৰী যদি ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ জৰিয়তে যোগান ধৰাৰ সুস্থিৰ ব্যৱস্থা ৰাজ্যখনত গঢ়ি তুলিব পাৰিলেহেঁতেন তেন্তে ৰাজ্যখনৰ মানুহে সকাহ পালেহেতেঁন আৰু ৰাজ্যখনেও প্ৰগতিৰ দিশত আগবাড়ি যাবলৈ

সুযোগ পালেহেঁতেন । এতিয়া কেৰেলা মডেলৰ কথা কৈছে , কেৰেলা মডেলটো যদি গ্রহণ কৰে তেন্তে অসমৰ ৰাজহুৱা বিতৰণ ব্যৱস্থাটো বহুদিশত উপকৃত হ'লহেতেঁন কিন্তু এই ক্ষেত্রত ৰাজ্যপালৰ বক্তব্য উল্লেখ নাই । এতিয়া এভিকশ্যনৰ বিষয়টো আহিছে এই ক্ষেত্ৰতো সপক্ষে বিপক্ষে বহু কথাই কোৱা হৈছে কিন্তু আমাৰ দৃষ্টিভঙ্গীত এই এভিকশ্যনটোও এটা অমানবীয় কাৰ্য্য । কাৰণ যিসকল মানুহ চৰকাৰৰ মাটিত এনেভাবে থাকে বা বনাঞ্চল বা গো ৰিজাৰ্ভত থাকে তেওলোক যদি ভূমিহীন হয়, যিহেতু চৰকাৰে কৈছে যে, ভূমিহীনসকলক আমি ভূমি দিম । চৰকাৰৰ এটা বিশাল বিভাগ আছে একেবাৰে ৰাজহ মন্ত্রীৰ পৰা ডি.চি , মণ্ডললৈকে এই বিশাল বিভাগটোৱে সেই মাটিত বহি থকাসকলৰ পৰা ভূমিহীনসকলক চিনাক্তকৰণ কৰি তেওলোকক যদি পুনৰ সংস্থাপন দিয়াৰ পিচত যদি এভেকশ্যন কৰিলেহেতেঁন তেন্তে আমিও নিশ্চয় সমৰ্থন কৰিলোহেতেঁন কিন্তু মুখ্যমন্ত্রী ডাঙৰীয়াই এভিকশ্যন কৰাৰ পিচত কয় যে ভূমিহীনসকলৰ ব্যৱস্থা নকৰে । ইয়াত অলপ আগতে ৰাজহ মন্ত্রীয়ে এটা তথ্য দিছে যে যিসকলক উচ্ছেদ কৰিলে সেই সকলৰ মাটি আছে । গতিকে মই চৰকাৰৰ দৃষ্টিগোচৰ কৰাব বিচাৰিছো যে যিসকলে চৰকাৰী মাটিত আছে সেইসকলৰ নথি পত্রও আছে । কিন্তু আপোনালোকৰ তথ্যই দেখুৱাই দিছে যে লাখ লাখ বিঘা মাটি ইতিমধ্যে ব্রহ্মপুত্র আৰু ইয়াৰ উপনৈয়ে গ্রাহ কৰিছে কিন্তু নথিখনতো গ্রাহ কৰা নাই । সেইখনতো আছে, কিন্তু মাটি নাই । গতিকে এই ভূমিহীন কৃষকক সংস্থাপন কৰাৰ দায়িত্বটো চৰকাৰে বহন কৰিব লাগিছিল কিন্তু তেওলোকে নকৰিলে। গতিকে মই চৰকাৰৰ বক্তব্যৰ লগত একমত নহয়। মই এই বক্তব্যৰ বিৰোধিতা কৰিছো। বাল্য বিবাহৰ কথা কোৱা হৈছে , এই বাল্যবিবাহ আইনখন ২০০৬ চনতে হোৱা আইনখন ইমানদিনে প্রয়োগ কৰাৰ বাবে সচেতনতাৰ সৃষ্টি কৰা নাই , তাৰ ব্যৰ্থতাটোও এই চৰকাৰৰ । এই বিজেপি চৰকাৰেতো ৬ বছৰ পাৰ কৰিলে। কিন্তু তেওলোকে ইয়াৰ কোনো ব্যৱস্থা নকৰিলে । আমিও বাল্য বিৱাহৰ তীব্র বিৰোধিতা কৰো । কিন্তু এই বাল্যবিৱাহ প্রতিৰোধ আকস্মিকভাবে চমক সৃষ্টিৰ কৰাৰ কাৰণেহে তিনি হাজাৰ মানুহক জেলত ভৰাই থ'লে। বাল্যবিবাহৰ নিচিনা অভিশাপৰ পৰা ভাৰতবৰ্ষ আজিও মুক্ত নহয় কাৰণ আমি জানো পশ্চিম বঙ্গৰ নিচিনা ৰাজ্যত ৫৪ শতাংশ বাল্য বিবাহ হৈ আছে । ইউ . পিৰ নিচিনা ৰাজ্যত পাঁচ জনী ছোৱালীৰ মাজত এগৰাকীৰ বাল্য বিবাহ হৈ আছে । কিন্তু বাল্য বিবাহৰ ক্ষেত্রত শিক্ষিত কৰিবলৈ যিখিনি বেচিক কাম সেইখিনি নকৰিলে কিন্তু বাল্য বিৱাহ প্রতিৰোধ কৰিব নোৱাৰিব। সেই ক্ষেত্ৰতো কেৰেলাক মডেল হিচাপে লোৱা ভাল । আমাৰ মুখ্যমন্ত্রী ডাঙৰীয়াই কেৰেলা মডেলৰ কথা কৈ থাকে । আজিকালি গুজৰাট মডেলৰ কথা নকয় । কিন্তু কেৰেলা মডেলটোয়ে গ্রহণ কৰক। কেৰেলাত কি ধৰনে বাল্য বিৱাহটো ৰোধ কৰা হৈছে । একেবাৰে .০০১ লৈকে নমাই আনিছে । ৰাজ্যখনৰ উন্নয়ণ হৈছে বুলি দাবী কৰিছে । এই প্রস্তাৱ উত্থাপন কৰি তেওঁলোকে সাফল্যৰ জখলা বগাই আছে কিন্তু ৰাজ্যখনৰ উন্নয়ণ স্যাৰম্ভ হ'ব লাগিলে আমাৰ বিদ্যুতৰ ক্ষেত্রত কি সাফল্য পাইছো সেইটোৰ ওপৰত নিৰ্ভৰ কৰিব। এই ক্ষেত্রত আমি অলপ ফহিয়াই চোৱাটো দৰকাৰ । যোৱাটো বছৰত আমি বিদ্যুতৰ ওপৰত বিতংভাবে আলোচনা - বিলোচনা কৰিছিলো । এই ক্ষেত্রত বৰ্ত্তমানে পৰিস্থিতি কি হৈ আছে কওঁক চৰকাৰে । আমাৰ চাহিদা যোৱা ২০২০-২১ চনৰ মতে ২০৭৩ মেগাৱাট আছে । কিন্তু আমি উৎপাদন কৰিছো মাত্র ৩৭১ মেগাৱাট । গতিকে এই ধৰনৰ ব্যৰ্থতাৰ পিচত যদি কোনোৱাই ৰাজ্যখনৰ সফলতাৰ জয়গান গাই থাকে তেন্তে মইতো আশ্বৰ্য্য প্রকাশ কৰো । যদি ২০৭৩ চাহিদাৰ পৰিৱৰ্ত্তে মাত্র ৩৭১ মেগাৱাট বিদ্যুৎ তৈয়াৰ কৰিছে তেন্তে ইয়াত সাফল্যৰ কি কথা আছে ? বিদ্যুৎ ব্যৱহাৰৰ ক্ষেত্রত আমাৰ অসমৰ জনমুৰি হিচাপে চাবলৈ গ'লে দেখিব যে

মাত্র ৩৩৯ কিলোৱাট ব্যৱহাৰ হয় । কিন্তু ভাৰতবৰ্ষৰ যদি গড় চাবলৈ যায় সেইটো হৈছে ১১২২ কিলোৱাট । কিমান তলত আমি আছো । আমি অন্ধকাৰলৈ গৈ আছো । এই কথাবিলাক স্বাভাবিকতে আমি ভাবিব লাগিব। মহিলা নিৰ্য্যাতনৰ ক্ষেত্ৰত ভাৰতবৰ্ষৰ ভিতৰত ১ নম্বৰতে অসম আছে । এই যিবিলাক বেচিক কোৰেশ্বন প্ৰাইচ ৰাইচৰ দৰে । লগতে নিবনুৱাৰ ক্ষেত্ৰত, নিবনুৱাৰ হাৰ ৮.৬ শতাংশ। ৰাজ্যখন যদি নিবনুৱাৰ হাৰ যদি ৮.৬ হয় তেন্তে ১৫ ৰ পৰা ২৪ বছৰৰ ভিতৰত নিবনুৱাৰ হাৰ ৩৪ শতাংশ হ'ব আমাৰ ৰাজ্যত । কিন্তু এই বিজেপি চৰকাৰে ২০১৬ চনৰ ভিজন ডকুমেন্টত প্ৰতিশ্ৰুতি দিছিল যে তেওলোকে বছৰি চাৰি লাখ ষাঠি হাজাৰকৈ ২৩ লাখ নিবনুৱাক কৰ্মসংস্থাপন দিব। কিন্তু এতিয়া ১ লাখৰ কথা কৈ ২ বছৰত উজুটি খাই আছে । তেওলোকৰ হিচাপ মতে এতিয়া মাত্ৰ ৬৭,৯৭০ জন হ'ব যদিহে এই ২৬ হাজাৰক দিব পাৰে । তাকো ১ বছৰ কটালে এই ২৬ হাজাৰৰ ইন্টাৰভিউ লৈ । এতিয়াও এপইন্টমেন্ট দিব পৰা নাই । তেন্তে ১ লাখৰ নিযুক্তি কেতিয়া হ'ব ? এই কথাটো বিচাৰ কৰিলে ৰাজ্যখন যে আগুৱাই যোৱা নাই পিছুৱাই গৈ আছে সেইটোয়ে স্যাব্যস্থ হয় গতিকে মই সেই কাৰণে ৰাজ্যপালৰ ভাষণ তীব্ৰ বিৰোধিতা কৰিছো আৰু চৰকাৰৰ ব্যৰ্থতা উদঙাই দি মই মোৰ বক্তব্য সামৰিছো ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া নুৰুল হুদা ।

**শ্ৰীনুৰুল হুদা, (ৰূপহীহাট) ঃ** উপাধ্যক্ষ মহোদয়, ৰাজ্যপাল গৰাকী হৈছে ৰাজ্যখনৰ এক নম্বৰ নাগৰিক। তেওঁ ৰাজ্যবাসীৰ আশা আৰু ভৰসাৰ স্থল । ৰাজ্য এখনৰ শাসনব্যৱস্থা আৰু সাময়িক পৰিবেশ তথা পৰিস্থিতিৰ এজন নিৰপেক্ষ পৰ্য্যবেক্ষক ৰাজ্যপালগৰাকী। সেই ৰাজ্যপাল গৰাকী হৈছে ৰাজ্যৰ ন্যায় প্ৰতিষ্ঠাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকাত অধিষ্ঠিত এজন ব্যক্তি। গতিকে সেই গৰাকী ৰাজ্যপালৰ প্ৰশংসা ৰাজ্যবাসীয়ে কৰিব লাগে। তেনেকৈ ৰাজ্যখনৰ জন প্ৰতিনিধি সকলে ৰাজ্যবাসীৰ হৈ প্ৰশংসা কৰিব লাগে। তেখেতে যদি নিজৰ মৰ্য্যদা পাহৰি গৈ চৰকাৰৰ গুণ -গৰিমা শ্ৰূতিলিপি পাঠ কৰে, তেওঁক কেনেকৈ ধন্যবাদ দিয়া হ'ব, উপাধ্যক্ষ মহোদয় । ৰাজ্যপাল ডাঙৰীয়াই ভাষণত কৃষকৰ উপাৰ্জনৰ কথা কৈছে । ২০১১ চনৰ লোক পিয়লমতে অসমত ৭০ লাখ পৰিয়াল আছিল । এই ৭০ লাখ পৰিয়ালৰ ভিতৰত ৬৮ শতাংশ অৰ্থ্যাৎ ৪৭ লাখ পৰিয়াল পোন পটিয়াকৈ কৃষক। কিন্তু ধান ক্ৰয় কৰিছে ৪৩,৯৭৮ জনৰ পৰা , তাৰ মানে ০.৯ শতাংশ । এইটো সফলতানে বিফলতা আপোনালোকে ক'ব। অসমত ১৪ খন জিলাত ২০,২৫১ খন চৰ গাওঁ আছে । প্ৰায় ৪০ লাখ বিভিন্ন জনগোষ্ঠীৰ লোক তাত বাস কৰে। অসমৰ কৃষি অৰ্থনীতি গঢ়ি তুলিছে এই চৰ অঞ্চলৰ কৃষকসকলে। সভাপতি ডাঙৰীয়া অত্যন্ত দুখৰ কথা যে আজি সেই চৰ অঞ্চলত বসবাস কৰা কৃষকক বঞ্চিত কৰা হৈছে । তেওঁলোকক সেই কৃষি ক্ষেত্ৰৰ পৰা উচ্ছেদ কৰা হৈছে। অমানবীয়ভাবে তেওলোকক উচ্ছেদ কৰা হৈছে । মোৰ সমষ্টিত কেইটামান চৰ পশ্চিম লাটিমাৰী, পূব লাটিমাৰী, উত্তৰ পশ্চিম শিয়ালেৰ চাপৰি, চৰ, চিতলমাৰী পাথাৰ, গুলিপাৰ চৰ, আৰিমাৰীৰ চৰ, শিয়ালে টাপ্পু, বাঘা টাপ্পু এই বিলাকত ১১৭৫ টা পৰিয়ালে বসবাস কৰি আছে প্ৰায় ১৯৬০ চনৰ পৰাই। বৰ্ত্তমান যিটো ফৰেষ্ট ৰিজাৰ্ভ হিচাপে ২০১৭ চনত ঘোষণা কৰিছিল তাৰ বহু বছৰ আগৰে পৰাই তেওঁলোকে তাত বসবাস কৰি আছে তেতিয়া কিন্তু বুড়া চাপৰিটো ফৰেষ্ট ৰিজাৰ্ভ নাছিল। সেই সময়ত তাতে তেওঁলোকে খেতিকৰি আছিল। এই খেতি কৰা অৱস্থাতে ২০১৭ চনত বুঢ়াচাপৰি ৱাইল্ড লাইফ চেংচ্যুৰেৰীটো এক্সটেনছন কৰি তেওঁলোকক উচ্ছেদ কৰা হৈছে । সেই পৰিয়ালসমূহে এতিয়া কষ্টেৰে জীৱন যাপন কৰি আছে। মোৰ সমষ্টিত ১৫৭২ টা পৰিয়াল, বৰছলাৰ ৪০ টা পৰিয়াল, চামগুৰিৰ ৭ টা, ধিং সমষ্টিৰ ৭৫৭ টা , লাহৰিঘাটৰ ২৭৭ টা পৰিয়াল মুঠ ২৬৫৩ টা

পৰিয়াল উচ্ছেদ কৰিছে । এই পৰিয়ালসমূহৰ মাজত মই যেতিয়া চাৰ্ভে কৰিছিলো মই দেখা পালো মাত্ৰ ১৭৯ টা পৰিয়ালৰ মাটিহে বেলেগত আছে আৰু বাকী তেওঁলোকৰ কোনো মাটি নাই। বহুতৰে মাটি নাই। গৰাখহনীয়াই তেওঁলোকৰ মাটিবাৰী খহাই লৈ গৈছে, ভূমিহীন হৈছে আৰু সেই চৰ অঞ্চলৰ মাজত গৈ ঘৰ সজাই বসবাস কৰা আৰম্ভ কৰিছে, খেতিবাতি কৰা আৰম্ভ কৰিছে। আজি এই যিখিনি মানুহক উচ্ছেদ কৰা হৈছে, এই গোটেই বিলাক মানুহ ভাৰতীয় নাগৰিক। নাগৰিক হিচাপে নাগৰিকৰ যিটো অধিকাৰ, চৰকাৰৰ দায়িত্ব আৰু কৰ্তব্য নাগৰিকৰ অধিকাৰ সুৰক্ষিত কৰা, সম্পত্তিৰ অধিকাৰ সুৰক্ষিত কৰা, জীৱনত বাচি থকাৰ যি অধিকাৰ সেইটো সুনিশ্চিত কৰা, কিন্তু এই গোটেইখিনি খৰ্ব কৰা হৈছে। কেৱল উচ্ছেদ কৰিছে। এই চৰকাৰে যোৱা বছৰ বাজেটত ২০২২-২৩ বাজেটৰ ক্ৰমিক নং ১২৫ ত কৈছিল যে 664 non cadastral village জৰীপৰ কাম সম্পূৰ্ণ হৈছে আৰু বাসিন্দা সকলক সম্পত্তিৰ অধিকাৰ দিয়াৰ কথা ঘোষণা কৰা হৈছে। মোৰ সমষ্টিতো চেনিমাৰী NC, চিতলমাৰী এন চি, চিতলমাৰী পথৰাত চাৰ্ভে হৈ গৈছিল। চৰকাৰে কৈছিল যে বসুন্ধৰা ২০ ৰ যোগেদি যি সকল দখলদাৰী ব্যক্তি আছে সেই ব্যাক্তি সকলক মাটিৰ মালিকি স্বত্তৰ অধিকাৰ দিয়া হ'ব। এই তিনিটা এন চি Village ৰ বসুন্ধৰাৰ কামখিনি সম্পূৰ্ণ কৰি থকা অৱস্থাত হঠাৎ কোনো জাননী নিদিয়াকৈ এই মানুহখিনিক উচ্ছেদ কৰা হৈছে। সম্পূৰ্ণ অন্যায়ভাৱে মানুহ খিনিক উচ্ছেদ কৰা হ'ল। আমাৰ প্ৰধান সচিবে মিটিং এখন পাতিছিল আমি আহিছিলোঁ, সেই মিটিংখনতো কিন্তু এই তিনিটা এন চি গাঁৱৰ কথাটো নাছিল। কিন্তু সেইখিনি সম্পূৰ্ণ আন্ধাৰত ৰাখি হঠাৎ ৰাতিপুৱা ৬ বজাত এই তিনিখন গাঁৱৰ ৩৯৭টা পৰিয়াল উচ্ছেদ কৰিছে। চৰকাৰে কৈছে উচ্ছেদিত পৰিয়ালসকলক ভূমি দিব, বিচাৰি আছে। কিন্তু যিখিনিত আছিল সেইখিনি চৰকাৰৰে মাটি আছিল। গতিকে চৰ অঞ্চলৰ পৰা উচ্ছেদ কৰি আকৌ ভূমি ক'ৰ পৰা দিব, সেইটো চৰকাৰৰ দায়িত্ব, চৰকাৰে ক'ৰ পৰা দিব। কিন্তু এটা ডাঙৰ সমস্যা হৈ আছে, নগাওঁ আৰু শোণিতপুৰৰ মাজত। নগাওঁ আৰু শোণিতপুৰৰ সীমাত আছিল ব্ৰহ্মপুত্ৰ নদী। এই ব্ৰহ্মপুত্ৰ প্ৰথম য'ত আছিল তাৰ পৰা খহাই খহাই আহিছিল, আকৌ গতি সলনি কৰি সেই ঠাইখিনি খহাই গৈ নিজৰ ঠাইত গৈ ব্ৰহ্মপুত্ৰ নদীখন বহিছে। যিটো সময়ত শ্বিলঙত যেতিয়া ৰাজধানী আছিল সেই সময়ত ব্ৰহ্মপুত্ৰ নদী য'ত আছিল বৰ্তমান ব্ৰহ্মপুত্ৰ নদী তাত আছে। এতিয়া ব্ৰহ্মপুত্ৰ নদীয়ে যিখিনি চৰ সৃষ্টি কৰিছে এই চৰ খিনি কিন্তু নগাওঁত পৰে। কিন্তু শোণিতপুৰে দখল কৰিছে। গতিকে মই চৰকাৰক অনুৰোধ জনাব বিচাৰিছোঁ যে, ব্ৰহ্মপুত্ৰৰ নগাওঁ আৰু শোণিতপুৰৰ যিটো সীমা এই সীমাটো ঠিক কৰি ব্ৰহ্মপুত্ৰ নদী উত্তৰপূব যিখিনি চৰ আছে, এই চৰখিনিত এই মানুহখিনিক সংস্থাপন দিয়াৰ কাৰণে অনুৰোধ জনাইছোঁ।

**শ্ৰীবিদ্যা সিং ইংলেং, (সভাপতি) ঃ** সময় শেষ হৈছে, আপুনি সমাপ্ত কৰক।

**শ্ৰীনুৰুল হুদা (ৰূপহীহাট) ঃ** সভাপতি ডাঙৰীয়া, এনেকুৱা এটা সমস্যাৰ সৃষ্টি হৈছে, স্কুলবোৰ যেতিয়া ভাঙে স্কুলৰ সভাপতি আৰু সদস্যই যেতিয়া দেখে, দুয়োজনে ঢলি পৰি গ'ল। লগে লগে হস্পিতালত লৈ গ'ল, এজন সদস্য লগে লগে মৃত্যু বৰণ কৰিলে। হাৰ্ট এটেক্ট কৰি লগে লগে এজন সদস্যই মৃত্যুবৰণ কৰিলে। সভাপতিজনে তিনিদিন হস্পিতালত থকাৰ পিছত তেওঁ সুস্থ হয়। তেনেকুৱা ঘটনা হৈছে। অসমৰ গাওঁ প্ৰধান সকলে সেইদিনা ৰাজপথত নামি আহিছে। গাওঁ প্ৰধান সকল গাঁৱৰ মুৰব্বী, গাওঁখন ৰক্ষা কৰে। চৰকাৰে যোৱা বাজেটত কৈছিল যে গাঁও প্ৰধান সকলক দৰমহা দিব। দৰমহা বৃদ্ধি কৰিব, তেওঁলোকক ৰাজ্যিক কৰ্মচাৰীৰ মৰ্য্যদা দিব, কিন্তু সেইখিনি দিয়া হোৱা নাই। গতিকে গাওঁ প্ৰধান সকলক ৰাজ্যিক কৰ্মচাৰীৰ মৰ্য্যদা দিব লাগে। সেই সকলৰ

অৱসৰ হোৱা সকলকো পেঞ্চন দিয়াৰ ব্যৱস্থা কৰিব লাগে। আজি আশা কৰ্মী সকলৰ যি অৱদান, সেইটো কোনেও অস্বীকাৰ কৰিব নোৱাৰে। আশা কৰ্মী সকলে কভিডৰ সময়ত দিনে নিশাই বহুত কষ্ট কৰিলে। সেই আশা কৰ্মী সকলক চৰকাৰে কৰ্মচাৰী হিচাপে দৰমহা দিব লাগে। এইখিনি কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিছোঁ।

**শ্ৰীবিদ্যা সিং ইংলেং, (সভাপতি) ঃ** ধন্যবাদ। এতিয়া ৰূপজ্যোতি কুৰ্মী।

**শ্ৰীৰূপজ্যোতি কুৰ্মী, (মৰিয়নি) ঃ** माननीय সভাপতি ডাঙৰীয়া, মই আমাৰ সন্মানীয় বিধায়ক ৰূপক শৰ্মা ডাঙৰীয়াই মাননীয় ৰাজ্যপাল মহোদয়ৰ যি বক্তব্যৰ সমৰ্থন জনাই প্ৰস্তাৱ আগবঢ়াইছিল, ইয়াৰ সমৰ্থনত মই বক্তব্য দাঙি ধৰিব বিচাৰিছোঁ। মই ২০০৬ চনৰ পৰা বিধায়ক হৈ আহিছোঁ। অসমৰ ৰাজনীতি প্ৰত্যক্ষ ভাৱে ওচৰৰ পৰা চোৱাৰ সৌভাগ্য হৈছিল। বিধান সভাতো থকাৰ সৌভাগ্য হৈছিল। এটা সময়ত serial bomb blast অসমত ঘটা, সেই সময়ত serial bomb blastৰ সমান্তৰাল ভাৱে বিটিএডিত যদি গুলি ফুটিছে, ব'ম ফুটিছে, উজনি অসমত আকৌ কেইদিনমান পিছত লগে লগে গুলি ফুতা, বম ফুতা, কাৰ্বি আংলঙত যদি গুলি ফুতে ব'ম ফুতে, অপহৰণ হৈছে, আকৌ আমি দেখা পাও নলবাৰীৰ ফালে জেহাদীয়ে আক্ৰমণ চলাবলৈ ষড়যন্ত্ৰ ৰচিছে, এই দৃশ্যসমূহ এই অসমত দেখিবলৈ পাইছিলোঁ। এই অসমখনত আজি মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই দায়িত্ব লোৱা ঠিক দুবছৰ হোৱায়ে নাই, এই দুই বছৰতে আমাৰ চৰকাৰখনে সঠিকভাৱে মাননীয় ৰাজ্যপাল মহোদয়ৰ যি বক্তব্যত প্ৰকাশ কৰিছে সত্য ছবি এখন বৰ্তমান চৰকাৰখনৰ, এয়া শলাগ ল'বই লাগিব। আজি মই কোৱা কথা নহয়, বিৰোধীয়ে স্বীকাৰ কৰিছে যে এইখন অসমত ধৰ্ণা, প্ৰতিবাদ, অনশন, ৰাস্তা অৱৰোধ, টায়াৰ জ্বলোৱা, চক্ৰ বিষয়াৰ কাৰ্য্যালয়ত, জিলা বিষয়াৰ কাৰ্য্যালয়ত প্ৰতিবাদ, সেইবোৰ নাইকীয়া হোৱাৰ পৰিৱেশ এটা সূচনা হৈছে। এই খন অসমত আমি অসম বুলি কলে চাহ, তেল আৰু এশিঙিয়া গঁড়লৈ গৌৰৱ কৰিব পাৰোঁ। এই এশিঙিয়া গঁড় আমাৰ সন্মানৰ প্ৰতীক। কিন্তু আগতে এই গড় প্ৰত্যেক বছৰে হত্যা কৰা হৈছিল। কিন্তু মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ চৰকাৰখনে দায়িত্ব লোৱাৰ লগে লগে এশিঙিয়া গঁড় যোৱা বৰ্ষত শূন্য হত্যা। এই চৰকাৰখনৰ সত্য ছবি মাননীয় ৰাজ্যপাল গৰাকীয়ে উল্লেখ কৰিছে। ইয়াক আমি বঢ়াই কোৱা হোৱা নাই। এইখন অসমত মই খেলৰ লগত জড়িত হিচাপে মই সপোনতো ভৰা নাছিলো, যে অসম চৰকাৰে উদ্যোগ ল'ব আৰু অসম অলিম্পিক সন্থাই সহযোগীতা কৰিব আৰু অসমত Olympic প্ৰথম বাৰৰ বাবে অনুষ্ঠিত হৈছে। আজি অসম Youth Olympic কে খেলৰ দিশত অসম চৰকাৰৰ যি বদনতা ইয়াত প্ৰকাশ পাইছে আৰু খেলৰ ক্ষেত্ৰত আমাৰ খেলুৱৈ সকলে উৎসাহিত হৈছে এয়া আমি শলাগ ল'বই লাগিব, এয়া আশাৰ ৰেঙণি এটা নতুন সূৰ্য্য উদয় হোৱাৰ দৰে হৈছে জনগণৰ কাৰণে অসমত। আজি দিব্যাঙ্গ সকল অকলশৰীয়া হৈ আছিল। মাননীয় সভাপতি মহোদয়, দিব্যাঙ্গ সকলৰ বাবে মাহিলী পেঞ্চন, বছেৰেকীয়া পেঞ্চনকে লৈ আজি দৃষ্টিহীন সকলৰ বাবেও বিশেষ সুবিধা। আজি বিদ্যালয়ত জলপানিৰ ব্যৱস্থা কৰিছে এইটো শলাগ ল'বই লাগিব। আজি সন্মানীয় বিধায়ক টেৰছ গোৱালা ডাঙৰীয়াই এটা প্ৰশ্ন কৰিছিল যে বিশেষ ভাবে দয়াল দাস পানীকা আঁচনি আৰু ট্ৰেক্টৰ দিয়া আঁচনি ক্ষেত্ৰত মাননীয় শ্ৰম মন্ত্ৰীৰ পৰা উত্তৰ। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বাধীন চৰকাৰে দায়িত্ব লোৱাৰ পিছত অসমৰ চাহ শ্ৰমিক সকলে জানে আৰু বুজি উঠিছে। এই চৰকাৰে ৩৫০ আজি নহ'লেও কালি কৰিবই। ২৩২ টকালৈ বৃদ্ধি কৰিলে। এইটো এটা শলাগ ল'বলগীয়া কথা। মই চাহ বাগানৰ শ্ৰমিকৰ সন্তান। মোৰ মামা-মামী চাহ বাগানত

কাম কৰে। আমি জানো চাহ বাগানৰ শ্ৰমিকৰ দৰদ কিমান। আগৰ চৰকাৰে কেৱল কম্বল, আঠুৰা এই বিলাক দিয়ে ভোট ল'বলৈ বিচাৰিছে। আজি চাহ বাগানৰ দুৰ্গম অঞ্চলত হাইস্কুল হওঁক বা কাৰেন্ট হওঁক আজি দয়াল দাস পানীকা আঁচনিয়ে হওঁক আজি APSC Coachingৰ মোৰ মৰিয়নি সমষ্টিও যোৱাবাৰ আপোনালোকে টিভিত দেখা পাইছিল হৰিচৰণ ভূমিজ নামৰ এজন যুৱক ৩ বছৰ থাকোতে বাপেক ঢুকাল, মাকে একোই নাজানে, আজি হৰিচৰণ ভূমিজক মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বাধীন চৰকাৰে APSC Coaching নিদিয়াহেঁতেন সেই যুৱকজনে আজি APSC হয়তো নাপালেহেঁতেন। আজি চাহ বাগানৰ শ্ৰমিকসকলৰ কাৰণে সঁচা অৰ্থত আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বাধীন চৰকাৰখনে কাম কৰি গৈ আছে। অসম পুলিচ কামাণ্ডো মোৰ মৰিয়নি সমষ্টিত ল'ৰা-ছোৱালী ২২ জন চাকৰি পাইছে। সঁচাকৈ দৰিদ্ৰসকলৰ ল'ৰা-ছোৱালীয়ে চাকৰি পাইছে। আজি খেলো ইণ্ডিয়া আমাৰ মাননীয় দেশৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াক ধন্যবাদ জনাব লাগিব। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বাধীন চৰকাৰখনে এই আঁচনি শুদ্ধভাৱে লোৱাৰ পদক্ষেপৰ আঁৰত ল'ৰা-ছোৱালীসকলৰ সাফল্য। বৰ্তমান আমাৰ ভাৰতীয় জনতা পাৰ্টীৰ নেতৃত্বাধীন চৰকাৰৰ দিনত। 'অৰুণোদয়' আঁচনি, চাউলৰ কাৰ্ড দিব বিচৰা, প্ৰধানমন্ত্ৰীৰ ঘৰৰ আঁচনি বা ৰাস্তা আঁচনি হওঁক, আজি চাহবাগানৰ হস্পিতাল সমূহ নতুনকৈ নিৰ্মাণ কৰিবলৈ লৈছে। আজি ৭৫ বছৰ পিছত চৰকাৰে বুজি উঠিছে যে, চাহ বাগানৰ শ্ৰমিকৰ বিশেষকৈ শিশু আৰু মাতৃৰ মৃত্যুৰ হাৰ কমিছে। মাইক্ৰফাইনেন্সৰ যিটো ঋণ, সকাহ দিয়া আঁচনি ঋণ মাফ কৰা যোগেদি ১০ লাখ মহিলা উপকৃত হৈছে। আজি প্ৰায় ৩ লাখতকৈ অধিক চাহ বাগানৰ শ্ৰমিকৰ মহিলাও ইয়াৰ পৰা উপকৃত হৈছে। আমাৰ চৰকাৰে কথা দিছিল আমি শিতানত কাম কৰিম। আজি অসম- নাগালেণ্ড, অসম- মেঘালয়, অসম- অৰুণাচল সীমাৰ পৰা চহৰলৈ আহিলে জাতিৰ প্ৰমান-পত্ৰ লাগে। টকা পইচা বা যাতায়াতৰ অভাৱত দৈনিক হাজিৰা কাম কৰে, অনুসূচীত জাতি-অনুসূচীত জনজাতি, পিছপৰা শ্ৰেণীৰ লোক সকলৰ হয়টো এদিন কাম নকৰিলে পৰিয়াল নচলিব। আজি বিদ্যালয়ে বিদ্যালয়ে জাতি-জনজাতি পিছপৰা শ্ৰেণীৰ লোক সকলক জাতিৰ প্ৰমান-পত্ৰ বিদ্যালয়তে দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছে। কৃষি শিতানলৈ আমূল পৰিৱৰ্তন হৈছে। Paddy Procurement Centre আমি এতিয়া পাইছো। আগতে এক কুইন্টল ধানৰ বাবদ ৮০০ পৰা ৯০০ টকাত লাভ কৰিছিলো। আগৰ চৰকাৰৰ দিনত মিনিমাম চেলিং প্ৰাইচ MSP আনুমানিক ১৯০০ টকা লিখা আছিল, সঁচা অৰ্থত কৃষকসকলে পোৱা নাছিল। কিন্তু কৃষকসকলকক সন্মান জনাই বৰ্তমান আমাৰ চৰকাৰে ২০৪০ টকা প্ৰতি কুইণ্টল ধানৰ বাবদ প্ৰদান কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ই এক নতুন জাগৰণৰ সৃষ্টি কৰিছে। মেডিকেল কলেজৰ সংখ্যা বৃদ্ধি হৈ গৈ আছে, ইঞ্জিনিয়াৰিং কলেজৰ সংখ্যা বৃদ্ধি হৈ গৈ আছে, মিশ্যন সদ্‌ভাৱনা হওঁক বা GuinnessWorld Record এটাৰ পৰা এটা Record কৰিবলৈ গৈ আছো। অসম পুলিচে পোনপ্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰপতি 'নিচান' এৱাৰ্ড লাভ কৰিছে। গামোচাই Geo-Tag লাভ কৰিলে। আজি আমি হস্ততাঁত বস্ত্ৰশিল্প মন্ত্ৰীকো ধন্যবাদ জনাম অসমৰ স্বাভিমান গামোচাক আজি উচ্চ শিখৰলৈ লৈ যাব বিচৰা হৈছে। আগৰ চৰকাৰে বাহিৰৰ পৰা অহা গামোচা বন্ধ কৰা নাছিল, কিন্তু আমাৰ চৰকাৰে বাহিৰৰ পৰা অহা ১৮ লাখতকৈ অধিক গামোচা জব্দ কৰিবলৈ সক্ষম হৈছে। আজি আমাৰ মঙ্গলদৈত Skill University চৰকাৰে নিৰ্মাণ কৰিবলৈ লৈছে। আমাৰ ৰাজ্যপাল ডাঙৰীয়াই অসমখনৰ সঠিক ছবিখন দাঙি ধৰিছে। সন্মানীয় বিধাক ৰূপক শৰ্মাৰ এই ধন্যবাদসূচক প্ৰস্তাৱক সমৰ্থন জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিছো। ধন্যবাদ।

**माननीय सभापति** ঃ এতিয়া মাননীয় সদস্যা শ্ৰীমতী শিৰামণি বৰা।

**শ্ৰীমতী শিৰামণি বৰা, (বটদ্ৰৱা)** ঃ মাননীয় সভাপতি মহোদয়, এটা নতুন বিত্তীয় বৰ্ষৰ আৰম্ভণিৰ প্ৰাকমহূৰ্তত অসমৰ নৱ নিযুক্ত ৰাজ্যপাল মহোদয়ে আগবঢ়োৱা শুভেচ্ছা গ্ৰহণ কৰিও ক'ব বিচাৰিছো যে, ৰাজ্যপাল মহোদয়ৰ ভাষণত আমাক আৰু ৰাজ্য আৰু জনসাধাৰণক নিৰাশ কৰিলে। আমাৰ ৰাজ্যখন কৃষি প্ৰধান ৰাজ্য। উদ্যোগিক ক্ষেত্ৰত যথেষ্ট পিছপৰা। উদ্যোগিক ক্ষেত্ৰত উন্নতি কৰাৰ ক্ষেত্ৰত বিশেষ ৰাজ্যৰ সুবিধা আৰু দেশৰ অন্য ৰাজ্যই গ্ৰহণ কৰিলে, কিন্তু আমাৰ দূৰদৰ্শীতাৰ অভাৱত আমাৰ ৰাজ্যখনে সেই ক্ষেত্ৰত সম্পূৰ্ণ ব্যৰ্থ হ'ল। আমাৰ ৰাজ্যখন কৃষিৰ ওপৰতে নিৰ্ভৰ কৰিব লাগিব। MSP ত ধান ক্ৰয় কৰাতো এখন ৰাজ্যৰ কৃষিৰ উন্নয়ন হোৱাটো নুবুজায়। দেশৰ ধান উৎপাদন হোৱা সকলো ৰাজ্যই MSP ত ধান ক্ৰয় কৰিছে। ৰাজ্যৰ কৃষক সকলে নিজাববীয়াকৈ বা চৰকাৰী আঁচনিৰ জৰিয়তে কৃষিত বহু বৈজ্ঞানিক পদ্ধতি অৱলম্বন কৰিছে। কিন্তু ৰাজ্যখনত কৃষি উৎপাদন যি হাৰত বৃদ্ধি পাব লাগিছিল সেইটো হোৱা নাই। তাৰ প্ৰধান কাৰণ কৃষি ভূমিৰ ব্যাপক সংকোচন, সাৰৰ অভাৱ, উপযুক্ত বীজৰ অভাৱ, জনসিঞ্চনৰ অভাৱ, প্ৰশিক্ষণৰ অভাৱ, কৃষি ভূমি অন্য ক্ষেত্ৰলৈ হস্তান্তৰৰ ক্ষেত্ৰত থকা বাধা সমূহ চৰকাৰী বিষয়া সকলে মানি চলা নাই। কৃষিৰ উন্নতিৰ কাৰণে চৰকাৰ যে উদাসীন, ৰাজ্যপাল মহোদয়ৰ ভাষণে তাক প্ৰমাণ কৰিছে। ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণত এইদৰে উল্লেখ কৰিছিল যে, ৰাজ্যখনৰ শিশুসকলক ৰাষ্ট্ৰৰ সম্পদ হিচাপে গঢ় দিবলৈ মোৰ চৰকাৰে কাম কৰি আছে। কিন্তু বাস্তৱ ক্ষেত্ৰত আমি কি দেখিছো, ৰাজ্যখনৰ প্ৰায় ৫০ শতাংশ এল.পি স্কুলত ফুটা টিঙেদি পানী পৰে। ১০,৫০০ টকা দৰমহা পোৱা টিউটৰ সকলে তেখেত সকলৰ পৰিয়ালৰ বাবে ৰুটি, কপড়া অৰ মকান ৰ কথা চিন্তা কৰি থাকি আমাৰ শিশু সকলক ভাল শিক্ষা দিয়া সম্ভৱ নে? তাতোকৈ ডাঙৰ কথা হৈছে নিয়ন্ত্ৰণহীন ব্যাপক অভূতপূৰ্ব মুল্যবৃদ্ধিয়ে নিম্ন-মধ্যবিত্ত আৰু দুখীয়া পৰিয়ালৰ শিশু সকলক পুষ্টিহীনতাত ভোগাব। ৰাজ্যখনৰ পুষ্টিহীনতাত ভোগা শিশু কেনেকৈ ৰাষ্ট্ৰৰ বাবে সম্পদ হ'ব? ৰাজ্যখনৰ জনসাধাৰণৰ বৰ্তমান প্ৰধান সমস্যা হৈছে নিত্য ব্যৱহাৰ্য্য সামগ্ৰীকে ধৰি সকলো সামগ্ৰীৰ ব্যাপক মূল্যবৃদ্ধি। প্ৰত্যেক সপ্তাহে সপ্তাহে মূল্যবৃদ্ধি হৈ গৈ আছে। বৃহৎ ব্যৱসায়ী সকলে নিজ ইচ্ছা অনুসৰি সকলো সামগ্ৰীৰ মূল্যবৃদ্ধি কৰি আছে। ডাবল ইঞ্জিন চৰকাৰে বৃহৎ ব্যৱসায়ী সকলৰ স্বাৰ্থত মূল্যবৃদ্ধিৰ সম্পৰ্কত, সম্পূৰ্ণ নিস্ক্ৰিয় আৰু সম্পূৰ্ণ নিমাত। গতিকে ৰাজ্যপাল মহোদয়ে ভাষণত মূল্যবৃদ্ধিৰ বিষয়ে এটা কথাও উল্লেখ নাই। ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণত উল্লেখ কৰিছিল যে মোৰ চৰকাৰে অবলা নাৰীৰ পৰা সবলা নাৰীলৈ উত্তৰণ ঘটোৱাৰ লক্ষ্যৰে পদক্ষেপ গ্ৰহণ কৰি আহিছে। কিন্তু মহিলা সবলীকৰণ বৰ্তমান চৰকাৰৰ বাবে এটা শ্লোগান হে। বিগত সাত বছৰত মহিলা সবলীকৰণৰ বিশেষ পদক্ষেপ লোৱা পৰিলক্ষিত হোৱা নাই। অভাৱনীয় মূল্যবৃদ্ধিয়ে মহিলাসকলক সকলোতকৈ বেছি জুৰুলা কৰিছে। অসম বিধান সভাৰ মাননীয় সদস্য সকলে নিজৰ নিজৰ সমষ্টিৰ সৰহ সংখ্যক পৰিয়ালৰ আৰ্থিক অৱস্থা সম্পৰ্কে অৱগত আৰু অভাৱনীয় মূল্যবৃদ্ধিৰ ফলত সেই পৰিয়ালসমূহৰ বৰ্তমান অৱস্থা এনেকুৱা হৈছে যে সেই সম্পৰ্কে ও সদস্য সকল অৱগত। মূল্যবৃদ্ধিৰ ফলত সবাতোকৈ প্ৰভাৱিত হৈছে মহিলা সকল। কেৱল বৰ্তমানৰ চৰকাৰী আঁচনিৰ সামান্য সাহাৰ্য্যই অৱলা নাৰীৰ সৱলা নাৰীলৈ উত্তৰণ কেৱল কাগজততহে কৰিব পাৰিব। মহিলা সৱলীকৰণ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক অধিকাৰৰ যোগেদিহে হ'ব। তাৰবাবে লাগিব শক্তিশালী আৰু কঠোৰ আইন। আইন প্ৰনয়ণৰ ক্ষমতা সাংসদ বা বিধান সভা সমূহৰ হে আছে। গতিকে সংসদ আৰু বিধান সভা সমূহত মহিলাৰ সমানুপাতিক প্ৰতিনিধিত্ব লাগিব। ৰাজ্য সভাত অনুমোদিত হৈ থকা সংসদ আৰু

বিধান সভাসমূহত ৩৩ শতাংশ আসন সংৰক্ষণৰ বাবে মহিলা সংৰক্ষণ বিল ২০১৪ আৰু ২০১৯ ৰ নিৰ্ব্বাচনত প্ৰতিশ্ৰুতি দিওঁ লোকসভাত অনুমোদনৰ বাবে দাখিল নকৰিলে। ২০২৪ চনত দেশৰ সকলো মহিলা এক হৈ নিজেই মহিলা সৱলীকৰণৰ বাবে যুগান্তৰকাৰী সিদ্ধান্ত ল'ব লাগিব। মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপাল মহোদয়ৰ ভাষণত উল্লেখ থকা স্বাস্থ্য সেৱা, শক্তি খণ্ড আৰু সামাজিক সুৰক্ষাৰ ব্যৱস্থা আদিৰ বিষয়ে বহুখিনি ক'বলগীয়া আছিল যদিও সময়ৰ অভাৱৰ বাবে শেষত কওঁ যে ৰাজ্যপাল মহোদয়ৰ ভাষণে আমাক আৰু ৰাজ্যখনৰ জনসাধাৰণক নিৰাশ কৰিলে। গতিকে মই ধন্যবাদসূচক প্ৰস্তাৱটো সমৰ্থন জনাব নোৱৰিলো। ধন্যবাদ।

**মাননীয় সভাপতি ঃ** এতিয়া মাননীয় বিধায়ক শ্ৰী ৰফিকুল ইছলাম।

**শ্ৰী ৰফিকুল ইছলাম, (জনিয়া) ঃ** মাননীয় সভাপতি মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত দীঘলীয়া আলোচনা কৰাৰ যিহেতু থল নাই। কাৰণ আমাৰ আৰু কেইবাজনো বক্তাই ক'ব। গতিকে মই দুই-তিনিটা বস্তুৰ ওপৰত অলপ আলোকপাত কৰিম। শিক্ষা, স্বাস্থ্য আৰু ইকুৱেল ডিষ্ট্ৰিবিউশ্যন এখন ৰাজ্যৰ উন্নয়নৰ কাৰণে বহুত গুৰুত্বপূৰ্ণ মাননীয় সভাপতি মহোদয়।

Hon'ble Deputy Speaker on the Chair

**ড° ৰফিকুল ইছলাম, (জনিয়া)** ঃ আমি লক্ষ্য কৰিছো মাননীয় ৰাজ্যপাল মহোদয়ে তেখেতৰ বক্তব্যত কৈছে ২০২১-২২ বিত্তীয় বৰ্ষত বাজেটত ধাৰ্য্য কৰা যি টকা আছিল তাৰ ১ লাখ কোটি অতিক্ৰম কৰিছে, ব্যয় কৰিছে। যদি ১ লাখ কোটি টকা ব্যয় কৰিছে এইটো নিশ্চয় ভাল কথা। ২০২২-২৩ বৰ্ষত consolidated fund যিমানখিনি ধাৰ্য্য কৰা আছিল ফেব্ৰুৱাৰী মাহলৈকে ১ লাখ তিনি হাজাৰ কোটি টকা ইতিমধ্যে ব্যয় কৰিছে বুলি কৈছে। ২০২১-২২ আৰু ২০২২-২৩ এই দুটা বছৰ যদি আমি লওঁ ১ লাখ ১ লাখ কোটি যদি আপুনি লয় ২ লাখ কোটি টকা দুবছৰত ব্যয় হৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, কিন্তু আমি লক্ষ্য কৰিছো ইকুৱেল ডিষ্ট্ৰিবিউশ্যন হোৱা নাই। আজি আমাৰ মাননীয় এগৰাকী সদস্যই প্ৰশ্ন কৰিছিল। মই এটা বিভাগৰ কথাই কৈছো। পি.ডব্লিউ. ডি. বিভাগৰ কথা। ৰাস্তা-ঘাট কম বেছি পৰিমাণে সকলো এলেকাতে হৈ আছে। যদি আমি ৰুলিং পাৰ্টীক সোধো আপোনালোকে কওঁক কোন বিভাগত আপোনালোকে সকলোতকৈ ভাল কৰিছে। তেখেত সকলে নিশ্চয় পি.ডব্লিউ.ডি ৰ কথা ক'ব। কিন্তু সেই বিভাগৰ সমস্যা হ'ল যে যদি কোনোবা এটা সমষ্টিত বোকাখাত বা অন্য কোনো এটা সমষ্টি চাওঁক ১০০ কিলোমিটাৰ হৈছে ২০১৯ চনত কিন্তু চেঙা, জলেশ্বৰ বা জনিয়া, বাঘবৰত গৈ ৭-৮ বা ১০ কিলোমিটাৰ ৰাস্তাৰ কাম হৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, এইটো হ'ল ইকুৱেল ডিষ্ট্ৰিবিউশ্যন। এই দুই বছৰৰ ১ লাখ ১ লাখ কোটি টকা যদি হয়, মোৰ বৰপেটা জিলাৰ কথাই কৈছো। বৰপেটা জিলাত ছয়টা সমষ্টি। এই ৬ টা সমষ্টি যদি আপুনি লয় ১ লাখ কোটিক যদি ১২৬ দি ডিভাইদ কৰে ৮০০ ৰ ও অধিক কোটি টকা ১ বছৰত ব্যয় ইতিমধ্যে হৈছে। দুবছৰত যদি লয় ১৬০০ কোটি টকাৰ অধিক টকা গড়ে ব্যয় হৈছে অসমৰ ১২৬ টা সমষ্টিত। যদি এটা সমষ্টিত আমাৰ এই দুই বছৰৰ কাৰ্য্যকালত ১৬-১৭ শ কোটি টকা চৰকাৰে ব্যয় কৰিছে তেতিয়াহ'লে বৰপেটা জিলাতেপ্ৰায় ৫,৫ কৈ ১০,০০০ কোটি টকা ব্যয় হ'ব লাগিব যোৱা দুটা কাৰ্য্যকালত। কিন্তু দহ হাজাৰ কোটি টকা নহয় আমি ৫০০ কোটি লৈকে দেখা নাই। গোৱালপাৰা গোটেই জিলাখনত যোৱা এই দুটা বছৰত চৰকাৰৰ যিমান দৰমহা আছে বা ইত্যাদি ইত্যাদি সকলো যদি লৈ লওঁ ৫০০ কোটিৰ অধিক খৰছ দেখুৱাব নোৱাৰিব।

ডিষ্ট্ৰিবিউশ্যন যদি ইকুৱেলী কৰা হয় ১০,০০০ কোটি টকা বৰপেটাই পাব লাগিছিল, ৮০০০ কোটি টকা গোৱালপাৰাই পাব লাগিছিল, ১০-১২ হাজাৰ কোটি টকা ধুবুৰীয়ে পাব লাগিছিল। ইকুৱেল ডিষ্ট্ৰিবিউশ্যন যদি নহয় মাননীয় উপাধ্যক্ষ মহোদয়, যিমান টকা ধাৰ্য্য নকৰক যিমান টকা খৰছ কৰাৰ হিচাপ আপুনি নিদিয়ক কিয় ৰাজ্যখনৰ ৫০ শতাংশ পপুলেশ্যনক নেগলেক্ট কৰি বাকী অঞ্চল বিলাকৰ প্ৰতি আমি যিমান গুৰুত্ব নিদিও কিয় তেনেকুৱা যদি মানসিকতা থাকে, তেনেকুৱা যদি কাম-কাজ হয় তেতিয়া আমাৰ যিটো সপোন যে আমি ৰাজ্যখনক পাঁচখন ৰাজ্যৰ ভিতৰত লৈ যাম এইটো কেতিয়াওঁ নহয়। ইতিমধ্যে আমাৰ এগৰাকী মাননীয় সদস্যই দেখাইছে যে আমাৰ ৰাজ্যখন আমি কি কি পজিশ্যনত আছো। আউট অব ৩৭ ষ্টেট কিছুমান জাগাত আমি তলৰ পৰা ৫ নম্বৰ স্থানত আছো। তলৰ পৰা ৩-৪ নম্বৰত আছো। ১ নম্বৰত আমি তলৰ পৰা আছো। ওপৰৰ পৰা নহয়। পাঁচখন ৰাজ্যত আমি লৈ যাব বিচাৰো almost all index ত আমাৰ অসমৰ জাগা ১৮,১৯,২০,২২,২৫,২৬ এনেকুৱা এটা পজিশ্যনত আছে। মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপাল মহোদয়ৰ ভাষণত এই কথাটো ডিটেইলচ নাই। মোৰ পৰামৰ্শ থাকিব যিখিনি টকা ধাৰ্য্য থাকিব ইকুৱেলী ডিষ্ট্ৰিবিউশ্যনত যদি আমাৰ ৰাজ্যখনত নহয় আমাৰ ৰাজ্যখন কেতিয়াওঁ আগবাঢ়ি নাযায়। ১০-২০ শতাংশ ইফাল সিফা ল হ'ব পাৰে। discretionary power ত মাননীয় মুখ্যমন্ত্ৰী হওঁক বা আৰু কোনোবা হওঁক ১০-২০ শতাংশ ইফাল সিফাল হ'লে সিমান এটা প্ৰভাৱ নপৰিব। কিন্তু ৯০ শতাংশ যদি পাৰ্থক্য হয় যে কোনো এটা এলেকাত ১০-২০ শতাংশ কাম হৈ আছে আৰু ৮০ শতাংশ তাৰ পৰা অন্য এটা অঞ্চললৈ লৈ যোৱা হয় তেতিয়াহ'লে এইটো justice নহ'ব। আজি অসমৰ সকলো অঞ্চলৰ মানুহেই কৰ-কাটলৰ পইচা দিছে। তেখেত সকলে GST দি আছে, income tax দি আছে। মাটি-বাৰীৰ খাজানা পাতি আদি সকলো দি আছে। গতিকে এনেকুৱা ধৰণৰ ইকুৱেল ডিষ্ট্ৰিবিউশ্যন যদি নহয় তেতিয়া আমি আমাৰ সপোন বাস্তৱায়িত কৰিব নোৱাৰিম। এতিয়া আমি এগ্ৰিকালচাৰৰ বিষয়লৈ আহো। এগ্ৰিকালচাৰত MSP ৰ কথা কৈছে। অকল ধানৰ কথা কোৱা হৈছে। তিনি লাখ মেট্ৰিকটনৰ কথা কৈছে। এইবাৰ দহ লাখৰ টাৰ্গেট লৈছে। কৃষি মন্ত্ৰী মহোদয়ে খৱৰ ৰাখিছে নে নাজানো। মানুহে ধান খেতি কৰিবলৈ কমাই দিলে। ইমান খৰছ হয়। ইউৰিয়া পাবলৈ নাই। যিটোৰ চাৰে চাৰিশ টকা দাম হাজাৰ-বাৰশ টকাত ব্লেক মাৰ্কেটত কিনিব লাগে। ইমানবাৰ কোৱা স্বত্তেও আজি খেতিয়কসকলক সময়মতে ইউৰিয়া সাৰ দিব নোৱাৰে বাকী যিমানখিনি সাৰ লাগে, ফাৰ্টিলাইজাৰ লাগে সিমানখিনি দিব নোৱাৰে। যাৰ কাৰণে আজি উৎপাদন কম হৈ আছে। উৎপাদন কম হোৱাৰ বাবে ধান খেতি কৰিলে যিমান খৰছ হয় তেওঁলোকৰ লাভ নহয় লোকচান হয়। সেই কাৰণে হয় ধানৰ দাম ২০৪০ টকা প্ৰতি কুইন্টলত MSP ধাৰ্য্য কৰিছে। যদি মানুহে খেতি কৰায়েই বাদ দিয়ে তেতিয়া লাভন্বিত কাক কৰিব। আমাৰ অঞ্চল বিলাক irrigated নহয়। কিছুমান ঠাইত solar দিছিলে, সেইসমূহ নচলে বুলি কৈছে। electricity ৰ যিখিনি connection তাত electricity নোপোৱাৰ বাবে খেতি পথাৰত পানী দিব নোৱাৰে। গতিকে বাৰিষা আহিলে খেতি নষ্ট হৈ যায়, খৰালীত খেতি নষ্ট হৈ যায়। irrigation ৰ ভাল ব্যৱস্থা নাই। ১০ শতাংশ কৃষিভূমি এতিয়ালৈ irrigated কৰিব পৰা নাই। পেট্ৰল, ডিজেলৰ ইমান দাম, সেই বিলাক খৰছ কৰি কৃষি সকলে যি ধান বা অন্যান্য শস্য উৎপাদন কৰে, সেইখিনিয়ে যথেষ্ট নহয়। মাননীয় উপাধ্যক্ষ মহোদয়, সময়মতে তেখেতসকল fertilizer যোগান ধৰা, বিশেষভাৱে ইউৰিয়া সাৰ যিটো ৰেট আছে, সেইটো ৰেটত দিয়াৰ কাৰণে সুনিশ্চিত কৰিব লাগে। কিন্তু বহু বাৰ কোৱা ফলতো আজি ট্ৰাকে ট্ৰাকে বিভিন্ন ঠাইত ধৰা পৰি আছে, ক'লা বজাৰ,

বেলেগ ৰাজ্যত গৈ আছে। আমাৰ খেতিয়কসকলে পোৱা নাই, খেতিয়কসকলে দুগুণ দাম দি কিনিব লগা হৈছে, এইবিলাক কথাত যদি গুৰুত্ব নিদিয়ে, তেতিয়াহ'লে ৰাজ্যখনত কমেও ৮০ শতাংশ লোক কৃষিৰ লগত জড়িত, সেই সকলকৰ সমস্যাক লৈ যদি আমি concern নহওঁ, বিভাগ যদি concern নহয়, অকল MSP ধানৰ ওপৰত দি সন্তুষ্ট থাকো, ঠিক তেনেকৈ কিয় সৰিসহ, মাকৈ, দালি, আলু আদি শস্য বিলাকৰ ওপৰত কিয় MSP লগাব নোৱাৰো। গতিকে মাননীয় উপাধ্যক্ষ মহোদয়, ধানৰ ওপৰত MSP লগাইছে, ঠিক তেনেকৈ সৰিসহ, মাকৈ, দালি, আলু আদি শস্য বিলাকৰ ওপৰত MSP ধাৰ্য হ'ব লাগে। কৃষকসকলে ইয়াৰ ওপৰত উচিত মূল্য পাব লাগে। কৃষকসকলৰ গৰু বিলাকৰ কাৰণে ভেটেনাৰী হস্পিতালত যোৱাৰ ফলত যিখিনি ঔষধ দিয়ে, সেইখিনি মাহৰ পাচঁ দিন বা ছয় দিনতে শেষ হৈ যায়। বাকী কেইদিনত হস্পিতালসমূহত একো ঔষধেই নাপায়। তেওঁলোকক পৰামৰ্শ দিয়াৰ কাৰণে ডাক্তৰো নাথাকে। ভেটেনাৰী বিভাগৰ লগতে কৃষি বিভাগৰ এনেকুৱা অৱস্থা। গতিকে এইবিলাক যদি ঠিক থাক নকৰে, ৰাজ্যখন ভাৰত বৰ্ষৰ পাচঁখন ৰাজ্যৰ ভিতৰত লৈ যাম, এই সপোন আমাৰ সপোন হৈয়ে থাকিব।

মাননীয় উপাধ্যক্ষ মহোদয়, শিক্ষাৰ যিটো দুৰাৱস্থা আজি সেইটো প্ৰতিফলিত হৈছে। পৰীক্ষা আৰম্ভ হৈছে, প্ৰথমদিনা ইংৰাজীৰ পৰীক্ষা আছিল, তেতিয়া কৈছিল যে হাতে লিখা প্ৰশ্ন আউট হৈছে, সেই প্ৰশ্নত কমেও ৯০ শতাংশই মিলে। কিন্তু সেইটো reject কৰিলে, তাত কোনো মনকাণ নিদিলে। তাৰ পিছত দৈনিক পৰীক্ষা আৰম্ভ হয়, দহ মিনিট পিছত গোটেই অসমত মানুহৰ মোবাইলত প্ৰশ্নবিলাক থাকে। এই যিটো বিভাগৰ দুৰাৱস্থা, এইটো পৰীক্ষাৰ কথা, পঢ়া শুনা কেনেকৈ চলিছে, সেইটো চাওক। আজি আকৌ পাঁচখন বিদ্যালয়ত স্বীকৃতি বাতিল কৰিবলগীয়া হ'ল। কিয় বাতিল কৰিলে চৰকাৰে বোলে ৰিজাল্ট বেয়া হোৱাৰ কাৰণে। বিদ্যালয়ৰ স্বীকৃতি বাতিল কৰিলে, কিন্তু সেই বিদ্যালয়ত পঢ়া ল'ৰা-ছোৱালীবিলাকে ক'ত পঢ়িবলৈ যাব, চৰকাৰে চিন্তা কৰিলেনে। ৰিজাল্ট বেয়া হৈছে যদি বিভাগে ইমানদিনে কি কৰিলে? শিক্ষকৰ কিবা ক্ৰুটি আছে ব্যৱস্থা লওক, বিভাগৰ যদি কিবা ক্ৰুটি আছে, ব্যৱস্থা লওক। যি অঞ্চলৰ স্বীকৃতি বাতিল কৰিলে, সেই অঞ্চলৰ ল'ৰা-ছোৱালীয়ে ক'ত পঢ়িবলৈ গৈ আছে, তাৰ কাৰণে কিবা ব্যৱস্থাপনা চৰকাৰে কৰিছেনে, নকৰাকৈ বিদ্যালয়ৰ স্বীকৃতি কিয় বাতিল কৰিলে। মহামান্য ৰাজ্যপালে কৈছে যোৱা বছৰ কিছু হাইস্কুল হায়াৰ চেকেণ্ডাৰীলৈকে আপগ্ৰেড কৰিছে। তাত শিক্ষক এজনো দিয়া নাই, পুৰণি স্কুল যিবিলাক চলি আছে, তাত বিষয় শিক্ষক এজনো নাই। মানকাছাৰৰ বিধায়কজনে কেইবাৰো এই কথাটো উত্থাপন কৰিছে। এছ আলি চুক চৰত হায়াৰ চেকেণ্ডাৰী স্কুলত এজনো বিষয় শিক্ষক নাই। কমেও হাজাৰ ছাত্ৰ-ছাত্ৰী সেই হাইস্কুল হায়াৰ চেকেণ্ডাৰীত আছে, এজনো বিষয় শিক্ষক নাই। জনিয়াত বহুত হায়াৰ চেকেণ্ডাৰী স্কুলত বিষয় শিক্ষকৰ পদ খালী হৈ আছে, গোটেই অসমত তেনেকুৱা ধৰণৰ পদ খালী হৈ আছে।

মাননীয় উপাধ্যক্ষ মহোদয়, এই হ'ল আমাৰ শিক্ষাৰ অৱস্থা। তাতে আকৌ ৰেচনেলাইজেন, অসমৰ কিছুমান জিলাত চাব শিৱসাগৰত সাত, আঠ, দহজন ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে এজন শিক্ষক, মানকাছাৰ, গোৱালপাৰা, বৰপেটা, ধুবুৰীৰ কিছুমান অঞ্চলত চাব তাত ডেৰশ, দুইশ ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে এজন শিক্ষক। এই যিটো দুৰাৱস্থা বছৰ বছৰ ধৰি পাৰ হৈ আছে, আজিও ৰেচনেলাইজেন হোৱা নাই। এনেকুৱাকৈ যদি শিক্ষা ব্যৱস্থাটো এৰি দিওঁ, তেতিয়াহ'লে শিক্ষাৰ ব্যৱস্থা কেতিয়াও ভাল নহয়।

মাননীয় উপাধ্যক্ষ মহোদয়, ভেঞ্চাৰস্কুল বিলাকত কাম কৰি থকা মানুহ বিলাকক সুৰুঙা উলিয়াই উলিয়াই সেই মানুহ বিলাকক বাদ দিয়া হ'ল। স্কুল বিলাকত হিন্দী বিষয়টো বাধ্যতামুলক

কৰি দিছে। কিন্তু স্কুলবিলাক হিন্দী শিক্ষকৰ পদটো লোৱা নহ'ল। কিয় এইটো injustice হোৱা নাই। ২০, ২৫ বছৰে তেওঁলোকে পেটত গামোচা বান্ধি ল'ৰা-ছোৱালী বিলাকক পঢুৱাই আছে। এম ই স্কুলত তিনিজন শিক্ষকক লোৱা হ'ল। ধুবুৰীত ৭৮ টা প্ৰধান শিক্ষকৰ পদ খালী হ'ল। যিসকলে স্কুলসমূহ নিজৰ ল'ৰা- ছোৱালীৰ দৰে পালি ডাঙৰ দীঘল কৰিছিল। ধুবুৰীৰ পৰা আৰম্ভ কৰি শদিয়ালৈকে বহুত স্কুলৰ প্ৰধান শিক্ষক বাদ পৰিছে, বিষয় শিক্ষক বিলাক বাদ পৰিছে। sectional teacher বাদ পৰিছে। issue date ৰ ত্ৰুটিৰ কথা কৈ same date ত school provincilization হৈছে। কিন্তু issue date বিভাগে এক মাহত পিছত কৰিলে। সেই কাৰণে সেই স্কুলবিলাক কিবা দোষী নেকি? আজি এক হাজাৰ স্কুল তাৰ কাৰণে বাদ পৰিছে। আজি সেই শিক্ষকসকলে আমাৰ ল'ৰা-ছোৱালী পঢ়াই আছে, চৰকাৰে একো কৰা নাই। চৰকাৰে স্কুল বন্ধ কৰি দিছে, নতুন স্কুল পতা নাই। চৰকাৰে স্কুল নাপাতে আৰু সেই শিক্ষকৰ পৰা কাম লৈ আছে। কিন্তু সেই শিক্ষকৰ পদ এতিয়ালৈকে নকৰিলে। সেই মানুহখিনিৰ প্ৰতি সহানুভুতি নহয়, মই ভাৱো এইটো চৰকাৰৰ দায়িত্ব আৰু কৰ্তব্য। এই পদখিনি মাননীয় উপাধ্যক্ষ মহোদয় ল'ব লাগে আৰু যিখিনি ল'লে tutor বনাই ললে। why tutor? তেখেতসকলে মাহ ৮ হাজাৰ, ১০ হাজাৰ টকা মজুৰী পাব। মনত কি ভাল ভাৱ লৈ তেখেতসকলে পঢ়াব। আজি এইটো শিক্ষাৰ দুৰাৱস্থা, কোনোবাই পাইছে ৫০ হাজাৰ, কোনোবাই পাইছে ৮ হাজাৰ। এই discrimination টো বাতিল কৰিব লাগে। tutor ক full-fledged কৰিব লাগে। 3rd grade, iv grade, librarian এইবিলাকৰ কোনো NET, SLET, Phd নালাগে। কিয় এই বিলাকক full-fledge কৰি দিয়া নহ'ল। গতিকে এই ধৰণৰ বহুত discrimination বিভাগত আছে আৰু এজন ব্যক্তিয়ে এই সকলোবোৰ সুৰুঙা উলিয়াই হাজাৰ হাজাৰ মানুহৰ জীৱনৰ লগত হেতালি খেলি গৈছে। তেনেকুৱা ব্যক্তি বিভাগত যদি আছে উলিয়াই দিব লাগে আৰু শিক্ষকসকল, যিসকলৰ লগত injustice কৰা হ'ল, সেই সকলক justice দিব লাগে। শিক্ষা বিভাগটো ঠিক থাক কৰি আমি যদি আগ নাবাঢ়ো, ৰাজ্যখন কেতিয়াও আমি আগুৱাই লৈ যাব নোৱাৰিম। এই কথাবিলাক গুৰুত্বসহকাৰে ৰাজ্যপালৰ ভাষণত সন্নিবিষ্ট হ'ব লাগে।

মই সামৰণিত কৈছো যে নফ্ৰড পাতিব নালাগে। আমাৰ মানুহে ইয়ালৈ নিৰ্বাচিত কৰি পঠিয়াছে। ইয়াতে প্ৰেম ভাৱ বাতাবৰণ হ'ব লাগে। আজি ৰাজ্যখনত যিটো বাতাবৰণ হৈ আছে নফ্ৰডৰ বাতাবৰণৰ সৃষ্টি কৰিব নালাগে। আমাৰ এজন মাননীয় সদস্যই কৈছে স্বাধীনতাৰ আগত আমাৰ বহুতে বেলেগ ৰাষ্ট্ৰত গৈছে। বাংলাদেশ, পাকিস্তান, আমেৰিকা আদিত যোৱা বুলিও কৈছে। কিন্তু স্বাধীনতাৰ আগতে কোনোৱাই যদি এখন ৰাজ্য পৰা আন এখন ৰাজ্যত আহিছে, illegally অহা নাই। বাৰ বাৰ illegal বুলি কোৱা কথাটো আমি পৰিবৰ্তন কৰিব লাগিব।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া সন্মানীয় সদস্য শ্ৰীপৰামন্দ ৰাজবংশী ।

**ড° পৰামন্দ ৰাজবংশী, (ছিপাঝাৰ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, গোটেৰা গোলাপ ফুলৰ কলি, সময় থাকোতে সখি সময়ৰ সোত বলি যায়, যিটো ফুলে হাঁহি আজি ফুলনি ফুলাই তোলে, কাইলৈ পাহি মেলি নাহে দুনাই। এইটো যতীন্দ্ৰ নাথ দুৱাৰাৰ কবিতা।

মই আজি আমাৰ এই সদনত আমাৰ মাননীয় ৰাজ্যপালৰ যি ভাষণ, সেই ভাষণৰ সমৰ্থনত মই কিছু বক্তব্য প্ৰদান কৰিব বিচাৰিছো। মই প্ৰথমতে এই কথাখিনি ক'ব লাগিব যে আজি বহু বছৰ ধৰি এতিয়া আমি ৩ কুৰি বছৰ অতিক্ৰম কৰি আমি যিটো বয়সত উপনিত হৈছো। সেই বয়সত বহু কেইজন মুখ্যমন্ত্ৰী আমি পালো আৰু একে ধৰণৰ কাম কাজবিলাকো দেখা পালো। কিন্তু আজি

যেতিয়া আমি এই সদনত আহি উপস্থিত হৈছো, তেতিয়াৰ পৰা মন কৰিছো যে যিগৰাকী দক্ষ আৰু এগৰাকী দুৰদৰ্শী আৰু সাহসী মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই যিধৰণে আজি ৰূপান্তৰৰ জয় গান গাইছে, যি ধৰণে উন্নয়নৰ গংগা বোৱাইছে, সেই সন্দৰ্ভত আমাৰ সন্মানীয় ৰাজ্যপাল, এই ৰাজ্যপাল ডাঙৰীয়াই যি ২৯ পৃষ্ঠাৰ মাথোন ভাষণ আমাৰ এই পবিত্ৰ সদনত তেখেতে উত্থাপন কৰিছে আৰু এই ভাষণ যি ধৰণে আজি প্ৰায় দুবছৰ হোৱাই নাই আমাৰ এইখন চৰকাৰৰ। কিন্তু এই দুবছৰ নৌহতেই যি উন্নয়নৰ গংগা বা উন্নয়নৰ যি মহাসাগৰ এই সাগৰখনক যেন আমাৰ মাননীয় ৰাজ্যপাল ডাঙৰীয়াই যেন অমৃত সৰোবৰৰ দৰে হাতী মাৰি ভুৰুকাত ভৰাই এই গোটেই চৰকাৰখনৰ উন্নয়নৰ যিটো দিশ অতি সুন্দৰভাৱে পৰিস্ফুট কৰিছে এই সদনত আৰু আজি যিখিনি এই ভাষণৰ উপস্থাপন কৰাৰ ক্ষেত্ৰত আমাৰ সন্মানীয় বিৰোধী দলৰ যিসকল ব্যক্তিয়ে ইয়াত যিবোৰ উত্থাপন কৰিছে তেখেতসকলে এই ভাষণৰ বিপক্ষে এই আটাইবোৰ কথা ক'বৰ কাৰণে আমাৰ হাতত যিহেতু সময় নাই। মই মাথোন দুটামান কথা উল্লেখ কৰিব খুজিছো মোৰ নিজস্ব অনুভৱেৰে। আজি মোৰ সন্মানীয় এই সদনৰ সকলোকে দৃষ্টি আকৰ্ষণ কৰিছো ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰে যিধৰণে বাল্যবিবাহ আৰু বিধবা বিবাহৰ যি আন্দোলন গঢ়ি তুলিছিল ভাৰতবৰ্ষত,তাকো পশ্চিমবংগৰ পৰা আৰু তেতিয়াই আপোনালোকে জানি সুখী হ'ব যে গোটেই পশ্চিমবংগত আজি যি বাল্য বিবাহ, বিধবা বিবাহৰ যি ঘটনা সেই সময়ত আন্দোলন হৈছিল, এই গোটেইখিনি তেতিয়াৰ বৃটিছ চৰকাৰে কি কৰিছিল যে, এখন আইন প্ৰণয়ন কৰি এই বাল্যবিবাহ আৰু বিধবা বিবাহ বন্ধ কৰাৰ কাৰণে তেওঁলোকে পদক্ষেপ হাতত লৈছিল। আজি এই পবিত্ৰ সদনত লক্ষ্য কৰিছো যে যি আইন বৃটিছ চৰকাৰে কৰিছিল সেই আইন তাৰপিছত সংশোধিত হৈ বিভিন্ন ধৰণে আজি বাল্য বিবাহৰ যিখন আইন সেই আইনখন আমাৰ যিসকল সন্মানীয় সদস্য বিৰোধী পক্ষৰ, তেখেতসকলে যিধৰণে বিৰোধিতা কৰিছে মই ভাবি আচৰিত হৈছো যে, অকল বাল্যবিবাহৰ ক্ষেত্ৰতে নহয় যে যিমানবোৰ বিষয় ইয়াত উপস্থাপন কৰিছে তেখেতসকলে, এইখন পবিত্ৰ সদনত আমাৰ মাননীয় বিধায়কসকলে আমি আইন প্ৰণয়ন কৰো আৰু আমি আইন মানিব লাগে আৰু আইনখন ভালধৰণে পৰিচালনা হৈছে নে নাই, প্ৰয়োগ হৈছে নে নাই সেইসমূহ কথা ভাল কৈ চাব লাগে। ইয়াত যিখিনি কাম-কাজ আজি দুটা বছৰ নৌহতেই এইখন চৰকাৰৰ দিনত সম্ভৱ হৈছে, এইখিনি ক্ষেত্ৰত আজি যেন আমি সকলোৱে, বিৰোধী পক্ষৰ সন্মানীয় সদস্যসকলে আইনৰ বিৰুদ্ধাচৰণহে কৰিছে। কিয় আইনখন আমি মানিব লাগে সেইটো কোৱা নাই। আজি উদাহৰণস্বৰূপে বাল্যবিবাহৰ কথাটোকে মই ক'ব খুজিছো যে বাল্য বিবাহৰ ক্ষেত্ৰত আজি আপোনালোক সকলোৱে জানে যে, আমাৰ সন্মানীয় শ্ৰীমনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই এটা গুৰুত্বপূৰ্ণ কথা কৈছে আপোনালোকে মন কৰিব। যি ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰে পশ্চিমবংগত যি বাল্য বিবাহৰ যিটো নেকি সেই সময়ত যি ভয়ংকৰ ঘটনা ঘটিছিল, আপোনালোকে বহুকেইগৰাকী লেখক, উপন্যাসিকৰ উপন্যাস পঢ়িব, সেয়া লাগিলে আশাপূৰ্ণ দেৱীৰে হওঁক বা সেয়া আমাৰ শংকৰেই হওঁক বিভিন্ন ধৰণৰ উপন্যাসৰ মাজত বাল্য বিবাহৰ যি ভয়ংকৰ ছবি তাত প্ৰতিফলিত হৈছে, তাৰ ফলত আপোনালোকে জানিব যে ১৮৫৭ আমাৰ এগৰাকী বিশিষ্ট ব্যক্তি, সেই বিশিষ্ট ব্যক্তিগৰাকীয়ে আপোনালোকে যদি সময় পায় তেতিয়াহ'লে আপোনালোকক মই অনুৰোধ কৰিছো যে, আপোনালোকে ৰামনৱমী নাটকখন পঢ়িব ১৮৫৭ চনৰ। গুণাভিৰাম শৰ্মা নামৰ ব্যক্তি গৰাকীয়ে লিখিছিল আৰু গুণাভিৰাম শৰ্মা নামৰ ব্যক্তি গৰাকীয়ে যেতিয়া বাল্য বিবাহৰ বিৰোধিতা কৰি বিধবা বিবাহৰ সপক্ষে যিধৰণে সেই নাটকখন লিখিছিল তেতিয়া তেখেতৰ ওপৰত যিটো অত্যাচাৰ চলিছিল, এই অত্যাচাৰৰ ফলস্বৰূপে তেখেতে

শৰ্মা উপাধি বাদ দি গুণাভিৰাম বৰুৱা কৰিছিল আৰু উজান বজাৰত সেই সময়ত তেখেতৰ ওপৰত যিটো অত্যাচাৰ হৈছিল, এই অত্যাচাৰৰ কথা আপোনালোকে পশ্চিমবংগতো আজিও চাওঁক প্ৰচলিত হৈ আছে। মাননীয় বাওপন্থী নেতাগৰাকীয়ে কৈছে যে তাত পশ্চিমবংগত বাল্য বিবাহৰ সন্দৰ্ভত যিখিনি টোকা দিছে মই আজি এটা কথা ঘোষণা কৰিব খুজিছো যদি পশ্চিম বংগত বিজে পি চৰকাৰ আহে, তেতিয়াহ'লে বাল্যবিবাহ সম্পূৰ্ণৰূপে বন্ধ হ'ব। যিটো সাহসী পদক্ষেপ লৈছে এইখন চৰকাৰে সেয়া যাৰ যাৰ নিজৰ নিজৰ ছোৱালী সন্তান আছে সকলোৱে বুজিব লাগে যে কি ঘটনা ঘটিছে। ইয়াত কোনো ধৰণে বিভিন্ন দিশত সাম্প্ৰদায়িক বা অন্যান্য দিশত লৈ যাব নালাগে আমি আৰু এইটো কথাও আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে কৈছে যে অহা ২৬ চনত বাল্যবিবাহ সম্পূৰ্ণৰূপে বন্ধ কৰা হ'ব। এই দিশটোত আমি কিয় সকলোৱে সমৰ্থন দিয়া নাই। আমি কিয় উচ্ছেদৰ বিৰুদ্ধে মাতিছো। কাৰণ উচ্ছেদক কোনে প্ৰশ্ৰয় দিছে। উচ্ছেদক প্ৰশ্ৰয় দিছো আমি। সকলোৱে দিছো তাৰমানে। নহ'লে কিয় আজি বছৰ বছৰ ধৰি আজি আমি যিসকলক উচ্চেদ কৰিবলগীয়া হৈছে, লাগিলে সেয়া শিলসাঁকোৱেই হওঁক বা আমাৰ চৰ অঞ্চলতে হওঁক, সেইসকলক কোনে উৎসাহ দি মাটিৰ পট্টা দিছে।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** চাৰ, আমাৰ ক'বলগীয়া আছে, এই যিবিলাক কথা কৈ আছে উচ্ছেদ সম্পৰ্কে এইটো নহয়।

**মাননীয় উপাধ্যক্ষ ঃ** Please please. শ্ৰী অখিল গগৈ ডাঙৰীয়া অহাকালি সময় পাব। শুনি আপুনি note কৰক।

**ড° পৰামন্দ ৰাজবংশী, (ছিপাঝাৰ) ঃ** কাৰণ উচ্ছেদৰ ক্ষেত্ৰত আমি নিজে দেখিছো, বহু কথা আমি কিয় পাহৰি গৈছো, এই কথাখিনি যে অ বি জে পি চৰকাৰ আৰম্ভণিৰ পৰা চলিছিল, তেতিয়াইতো এই ঘটনা ঘটিছিল। আজি কিয় এই মানুহবোৰে শিলসাঁকোতেই হওঁক বা চৰ অঞ্চলত, কিয় তেওঁলোকে যিটো নেকি বে-দখল, এই বে-দখল শব্দটো কিয় ল'ব লগা হ'ল, কাৰণ তেওঁলোকৰ যিটো নিয়ম, সেই নিয়মমতে তেওঁলোকে মাটিৰ অধিকাৰ কৰা নাই, সেয়া উচ্ছেদ কৰিব লাগিব নে নালাগে। তাৰমানে আমি এইখন পৱিত্ৰ সদনে আইন প্ৰণয়ন কৰা,আমি তেওঁলোকক উচ্ছেদ কৰাতো ভুল হৈছে নেকি? তাৰমানে আইন মনা নাই আৰু যদি এইধৰণে চলি থাকে, তেতিয়া মোৰ পবিত্ৰ সদনৰ সতীৰ্থসকল আপোনালোকে পাহৰি নাযাব যে চতুৰ্থ দশকত এইখন বিধান সভাত যি ধৰণে ঘটনা বিলাক ঘটিছিল, সেই একেবোৰ ঘটনা আজি চলি আছে। চাব, শ্ৰীনীলমণি সেন ডেকাই লিখা কিতাপবোৰ পঢ়িব। এই বিধান সভাত কি কি বিলাক ঘটনা ঘটিছিল। এই বিধান সভাত যিবিলাক ঘটনা ঘটিছে যিবিলাক নেকি ইয়াৰ চিন্তাৰ পৰিপন্থী যিবিলাক কথা মই শুনিবলৈ পাইছো ইমানদিনে সেই আটাইবোৰ ঘটনা আকৌ সংঘটিত হৈছে। কিয় হৈছে। তাৰমানে এইখন পবিত্ৰ সদনত আমি সকলোৱে আইন মানিবই লাগিব। তেতিয়া আইন প্ৰণয়ন কৰাৰ কোনো অধিকাৰ নাই। যদি আপোনালোকে আইন নামানে, যিবোৰ ঘটনা চলি আছে যে আমাৰ আইন থকাৰ পাছতো আজি বাল্যবিবাহ আমি নিজেই এইক্ষেত্ৰত নিষ্ক্ৰিয়। গতিকে কথাবোৰ খুব ভালকৈ চিন্তা-চৰ্চা কৰি মই ক'বৰ কাৰণে অনুৰোধ জনাইছো, মই মাত্ৰ আৰু বেছি সময় কথা নকওঁ যিহেতু সময় নাই। কিন্তু মোৰ এগৰাকী শিক্ষাগুৰু ড° নিৰ্মল প্ৰভা বৰদলৈয়ে এটা কথা কৈছিল যে বন্দুকৰ শব্দত কেতিয়াও ৰাতি নুপুৱায়। ৰাতি পুৱায় চৰাইৰ মাতত। আজি চৰাইৰ মাতত ৰাতিপুৱাৰ ব্যৱস্থাতো হৈছে এইখন চৰকাৰৰ দিনত। মই আপোনালোকক অনুৰোধ কৰিছো যে যদি আপোনালোকে নিজৰ নিজৰ সমষ্টিত যদি এজন শাসক হিচাপে, বিধায়ক হিচাপে আপোনালোকে যদি কাম কৰে,

উন্নয়নৰ যিবিলাক দিশ দেখুৱাই দিছে চৰকাৰৰ প্ৰধানমন্ত্ৰী তথা আমাৰ ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই মই ভাৱো যে, নিবনুৱা সমস্যা বা বিভিন্ন সমস্যা নাইকিয়া হৈ যাব। মই সহযোগ কৰিবৰ কাৰণে অনুৰোধ জনাই মই এটা কথা ক'ব খুজিছো যে অহা এবছৰ বা ডেৰবছৰৰ পিছত আপোনালোকে ছিপাঝাৰলৈ যাব। মই মাতিছো। মই এটা কথা জানো যে শ্ৰীঅখিল গগৈ ডাঙৰীয়াই সেই সময়ত তিনিবাৰ চাৰিবাৰ গৈছে। শিৱসাগৰত যিমানখিনি উন্নয়ন হৈছে এইখন চৰকাৰৰ দিনত, মোৰ কিন্তু ছিপাঝাৰত হোৱা নাই। কাৰণ আমাৰ পযেকটো আৰম্ভই হোৱা নাই। মাননীয় উপাধ্যক্ষ মহোদয়, আমি কিছুমান কাম কৰিছো যেনেকৈ আমি আমাৰ নিবনুৱাসকল আৰু বহু ব্যক্তি আছে, যিসকল অকমৰ্ণ্য হৈ আছে, সেইসকলক লৈ আমি কিছুমান আঁচনি নিজেই সৃষ্টি কৰিছো। যিটো কৰাৰ ক্ষেত্ৰত আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে বিশেষভাৱে সহায় কৰিছে। কেৱল এটা গৰুখুঁটি প্ৰকল্প নহয়। আপুনি এক বছৰ পিছত আহিব আমি পাঁচ-ছয়টা গৰুখুঁটি প্ৰকল্প আমি কৰি আছো। ৮০ টা অমৃত সৰোবৰ আমি কৰি আছো, আত্মনিৰ্ভৰশীল অসম কৰি আছো। ছিপাঝাৰত হ'লেহে অসমতো হ'ব। আপুনি সেই কামত মনোযোগ দিয়ক আৰু আমাক সহায় কৰক।

**মাননীয় উপাধ্যক্ষ ঃ** Hon'ble Member, address the Chair.

**ড° পৰামন্দ ৰাজবংশী, (ছিপাঝাৰ) ঃ** ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** সদন অহা ১৪-০৩-২০২৩ তাৰিখৰ ৰাতিপুৱা ০৯ঃ৩০ বজালৈ স্থগিত ৰখা হ'ল।